# বিজ্ঞান বাৰ্তা

ASSAM SCIENCE SOCIETY

# BIGYAN BARTA

Vol-3 | Issue-1 | January – February | a Bimonthly newsletter

2026









• কেন্দ্ৰীয় সমিতি আৰু শাখাৰ বা-বাতৰি






Phone :+9160013-99315 e-mail: gsass2014@gmail.com

BIGYAN BARTA

# EDITORIAL BOARD


**Advisors :**

Sri Basanta Deka
Dr. Arup Kumar Misra
Dr. Amal Chandra Dutta
Dr. Jaideep Baruah
Sri Romen Gogoi
Sri Abhijit Sarma Boruah










**Chief Editor :**
Nirud Kumar Borah





**Editor :**
Pankaj Kumar Boruah





**Members:**

Sri Arup Kumar Dutta
Sri Bhupen Sarma
Dr. Kandarpa Kr. Sarma
Sri Tridip Sarma
Sri Biman Handique









**Title page design & Graphics:** Nirud Kumar Borah

**Publisher :**
Mrinal Kumar Hazarika
Secretary, Assam Science Society,
Khanapara,
Jawahar Nagar, Guwahati 781022


# TABLE OF CONTENTS


Editorial .............................................. 01
Interview..............................................02
Eco-Club activity.....................................03
Executive meeting ..................................04,08
Residential Nature Camp...........................09
Visit by President to branches.....................12
Addressing superstitions events....................15
Metting of constitutional
amendment committee...............................16
Republic Day observation............................17
State Level Guidance Workshop
on Application of Digital Media
in Science Dissemination Project 2025-2026..19
Biennial Conference of Branch.....................20
Branch executive meeting...........................23
74th Foundation Day of Assam Science
Society(3rd Assam Science Day)...................25
In the dissemination of science
Application of digital media........................66
Branch executive meeting of
the newly elected committee ......................68
National Science Day...................................69
Bigyan Barta and B.J ..................................113
Suggestion.............................................114
Golden photograph....................................115

BIGYAN BARTA

২০২৪ চনৰপৰা প্ৰকাশিত

EDITORIAL

বিজ্ঞান বাৰ্তা

Vol-3-,-Issue 1::, January- February, A Bimonthly news letter

বৰ্ষ ৩ : ১ম সংখ্যা : জানুৱাৰী–ফেব্ৰুৱাৰী ২০২৬

# সম্পাদকীয়

**আধুনিক অসমৰ বাবে বৈজ্ঞানিক মানসিকতাৰ অগ্ৰগতি** : অসম বিজ্ঞান সমিতিৰ দুমহীয়া নিউজলেটাৰ 'বিজ্ঞান বাৰ্তা'ৰ ২০২৬ চনৰ প্ৰথমটো সংখ্যালৈ সকলো পঢ়ুৱৈক সাদৰ সম্ভাষণ জনাইছোঁ। এশৰো অধিক পৃষ্ঠাৰ এই সংখ্যাটোৱে আমাৰ বিভিন্ন শাখাসমূহে চলাই থকা ব্যাপক আৰু নিৰলস কাম-কাজৰ প্ৰমাণ দাঙি ধৰিছে, যি আমাৰ সংগঠনৰ মূল চালিকা শক্তি । যোৱা জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহৰ কাৰ্যসূচীসমূহলৈ দৃষ্টি দিলে নিৰ্বিঘ্নে আমি আমাৰ চহকী ইতিহাস উদযাপন কৰাৰ লগতে উদ্ভাৱন আৰু যুক্তিৰ দ্বাৰা পৰিচালিত এটা উজ্জ্বল ভৱিষ্যতৰ দিশে আগবাঢ়িছোঁ বুলি কব পাৰোঁ। এই সময়ছোৱাৰ অন্যতম বিশেষ কাৰ্যসূচী আছিল ১৩ ফেব্ৰুৱাৰীত 'অসম বিজ্ঞান দিৱস'ৰ উদযাপন লগতে অসম বিজ্ঞান সমিতিৰ ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱস আমি উদযাপন কৰিলো । ১৯৫৩ চনত কটন কলেজত জন্ম লাভ কৰা সমিতিখনে সমগ্ৰ ৰাজ্যতে বিজ্ঞান জনপ্ৰিয়কৰণ আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰ প্ৰসাৰৰ বাবে ৭৩টা বছৰ উৎসৰ্গা কৰিছে। চলিত বৰ্ষত এক অৰ্থপূৰ্ণ পদক্ষেপ হিচাপে, কেন্দ্ৰীয় নিৰ্দেশনা অনুসৰি অসমৰ বিভিন্ন শাখাই ৭৫ বছৰৰ ঊৰ্ধ্বৰ জ্যেষ্ঠ আজীৱন সদস্যসকলক সম্বৰ্ধনা জনায়, যিয়ে তেওঁলোকৰ আজীৱন বিজ্ঞান সাধনাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিছে।

ইয়াৰ পিছতেই ২৮ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন কৰা হয়, যাৰ মূল বিষয়বস্তু আছিল: "বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা" । আমাৰ শাখাসমূহে কল্পনা চাওলা আৰু টেচি থমাছৰ দৰে পথপ্ৰদৰ্শক মহিলাসকলৰ অৱদানৰ ওপৰত আলোকপাত কৰি নতুন প্ৰজন্মৰ ছাত্ৰীসকলক বিজ্ঞান, প্ৰযুক্তি, অভিযান্ত্ৰিকী আৰু গণিত (STEM)ৰ ক্ষেত্ৰত আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰাৰ লক্ষ্যৰে এই দিৱস উদযাপন কৰিছে। আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰাৰ লক্ষ্যৰে এই দিৱস উদযাপন কৰিছে।

বিভিন্ন দিৱস উদযাপনৰ বাহিৰেও সমিতিখন নিজৰ সামাজিক দায়িত্বৰ প্ৰতি সদায় দায়বদ্ধ। অন্ধবিশ্বাসৰ বিৰুদ্ধে আমাৰ সক্ৰিয় অৱস্থান ইয়াৰ এটা উৎকৃষ্ট উদাহৰণ, যেনে পশ্চিম নাওকাটাত সংঘটিত ধাৰাবাহিক ৰহস্যজনক অগ্নিকাণ্ডৰ তদন্তৰ বাবে গোৰেশ্বৰ শাখাই কৰা প্ৰচেষ্টা। ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক যুক্তিপূৰ্ণ ব্যাখ্যা আৰু মানসিক সমৰ্থন প্ৰদান কৰি আমি আমাৰ সমাজৰ পৰা অবৈজ্ঞানিক বিশ্বাসসমূহ নিৰ্মূল কৰাৰ অভিযান অব্যাহত ৰাখিছোঁ।

পৰিৱৰ্তিত পৃথিৱীৰ লগত খাপ খুৱাই চলিবলৈ আমাৰ অনলাইন উপস্থিতি আৰু ৱেবছাইট উন্নত কৰিছোঁ। আমি এক নতুন দৃষ্টিভংগী— "জাতীয় বিজ্ঞান পুঁজি"ৰ পৰিচয় কৰাই দিছোঁ আৰু সমিতিৰ ভৱিষ্যত কাৰ্যসূচীসমূহ অব্যাহত ৰাখিবলৈ সকলো সদস্য আৰু শুভাকাংক্ষীক এই পুঁজিলৈ দান বৰঙণি আগবঢ়াবলৈ মুকলি আহ্বান জনাইছোঁ।

যিসকল কৰ্মী আৰু সদস্যৰ একাগ্ৰতাই সমিতিক বৰ্তমানৰ মৰ্যাদাপূৰ্ণ পৰ্যায়লৈ লৈ আহিছে, তেওঁলোকৰ প্ৰতি আমি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আহক আমি অসমৰ প্ৰতিটো চুক-কোণলৈ বিজ্ঞানৰ পোহৰ বিলাই দি আগুৱাই যাওঁ।

সম্পাদক মণ্ডলী

নিৰোদ কুমাৰ বৰা
পংকজ কুমাৰ বৰুৱা


নিৰোদ কুমাৰ বৰা


পংকজ কুমাৰ বৰুৱা



Published by : General Secretary, Assam Science Society, Khanapara, Jawahar Nagar, Guwahati 781022, Assam

## কেন্দ্ৰীয় কাৰ্যালয়ঃ বৈজ্ঞানিক সহায়ক পদৰ বাচনী পৰীক্ষাৰ কিছু মূহুৰ্ত।















# Morigaon Branch: Inspection of Eco clubs
























# ০৭ জানুৱাৰি, ২০২৬ তাৰিখে সন্ধিয়া ৭ বজাত অসম বিজ্ঞান সমিতিৰ বিষয়ববীয়াৰ সভাখন ভাৰ্চুৱেল মাধ্যমত অনুষ্ঠিত হৈ যায়।





**কৰিমগঞ্জ শাখা**



**Demow Branch**




**Jorhat Branch**:



অসম বিজ্ঞান সমিতি ঃ যোৰহাট শাখা

**Assam Science Society, Jorhat Branch**

*Regd. No. : RS/149 of 1960-61 under Societies Regn. Act. XXI of 1960*

**যোৰহাট বিজ্ঞান মহোৎসৱ**

১৯, ২০ আৰু ২১ জানুৱাৰী, ২০২৬


আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে- অসম বিজ্ঞান সমিতি, যোৰহাট শাখাই বিজ্ঞানৰ উন্নয়নৰ বাবে কৰ্মৰত কেইবাটাও সামাজিক অনুষ্ঠান আৰু যোৰহাট জিলা প্ৰশাসনৰ সক্ৰিয় সহযোগিতাত অহা ১৯, ২০, আৰু ২১ জানুৱাৰী, ২০২৬ তাৰিখে যোৰহাটত এখনি বিজ্ঞান মহোৎসৱৰ আয়োজন কৰিছে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিজ্ঞানমনস্কতাৰ উৎকৰ্ষ সাধনেই এই মহোৎসৱৰ প্ৰধান উদ্দেশ্য।

উৎসৱৰ তিনিওদিনৰ কাৰ্যসূচীতে আপোনাৰ/আপোনালোকৰ বহুমূলীয়া উপস্থিতি কামনাৰে এই নিমন্ত্ৰণ আগবঢ়ালোঁ। আশাকৰোঁ আপোনালোকৰ উপস্থিতিয়ে আমাৰ প্ৰচেষ্টা সফল কৰি তুলিব।

ধন্যবাদেৰে-

| | | |
|---|---|---|
| ড° বিচিত্ৰ কুমাৰ বৰঠাকুৰ | ৰমেন গগৈ | ড° দণ্ডেশ্বৰ দত্ত |
| সভাপতি | সম্পাদক | সম্পাদক |
| অসম বিজ্ঞান সমিতি | অসম বিজ্ঞান সমিতি | আয়োজক সমিতি |
| যোৰহাট শাখা | যোৰহাট শাখা | |
| আৰু | আৰু | |
| আয়োজক সমিতি | আয়োজক সমিতি | |

মহোৎসৱৰ স্থান ঃ
অসম বিজ্ঞান সমিতি যোৰহাট শাখাৰ প্ৰকল্প চৌহদ
খৃষ্টানপট্টি গাঁও, মিচন হস্পিটাল চৌহদ, বৰভেটা।



**কাৰ্যসূচী**

**১৯-০১-২০২৬ সোমবাৰ ঃ**

| | | |
|---|---|---|
| ৰাতিপুৱা ৯-০০ বজা | ঃ | পঞ্জীয়ন |
| ৯-৩০ বজা | ঃ | পতাকা উত্তোলন |
| ৯-৪০ বজা | ঃ | বিজ্ঞান মহোৎসৱ ক্ষেত্ৰ উন্মোচন |
| ১০-০০ বজা | ঃ | উদ্বোধনী অনুষ্ঠান |
| ১১-৩০ বজা | ঃ | প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন |
| বিয়লি ১১-৪৫ বজা | ঃ | কাৰিকৰী সত্ৰ-১ (অসম প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডৰ সৌজন্যত) |
| ১-১৫ বজা | ঃ | আহাৰ বিৰতি |
| ২-০০ বজা | ঃ | আকস্মিক বক্তৃতা প্ৰতিযোগিতা<br>সমান্তৰালকৈ বিজ্ঞান আৰ্হি প্ৰতিযোগিতা |
| ৩-৩০ বজা | ঃ | সাংস্কৃতিক অনুষ্ঠান |
| ৪-৩০ বজা | ঃ | আকাশ নিৰীক্ষণ |

**২০-০১-২০২৬ মঙ্গলবাৰ ঃ**

| | | |
|---|---|---|
| ৰাতিপুৱা ৯-৩০ বজা | ঃ | পঞ্জীয়ন |
| ১০-০০ বজা | ঃ | কাৰিকৰী সত্ৰ-২ (অসম বিজ্ঞান সমিতিৰ সৌজন্যত) |
| ১১-১৫ বজা | ঃ | কাৰিকৰী সত্ৰ-৩<br>(কেন্দ্ৰীয় এৰী মুগা গৱেষণা আৰু প্ৰশিক্ষণ কেন্দ্ৰৰ সৌজন্যত) |
| বিয়লি ১২-১৫ বজা | ঃ | কুইজ প্ৰতিযোগিতা<br>সমান্তৰালকৈ প্ৰদৰ্শনী পৰিদৰ্শন |
| ১২-৪৫ বজা | ঃ | আহাৰ বিৰতি |
| ১-৩০ বজা | ঃ | কাৰিকৰী সত্ৰ-৪ (অসম বিজ্ঞান সমিতিৰ সৌজন্যত) |
| ৩-১৫ বজা | ঃ | ধেমালিৰ চলেৰে বিজ্ঞান<br>সমান্তৰালকৈ প্ৰতিবেদন লিখা প্ৰতিযোগিতা |

**২১-০১-২০২৬ বুধবাৰ ঃ**

| | | |
|---|---|---|
| ৰাতিপুৱা ৯-৩০ বজা | ঃ | পঞ্জীয়ন |
| ১০-০০ বজা | ঃ | বিজ্ঞানৰ সৈতে মুখামুখি (অন্তৰঙ্গ আলাপ) |
| ১০-৪৫ বজা | ঃ | কেৰিয়াৰ পৰামৰ্শদান অনুষ্ঠান |
| ১১-৩০ বজা | ঃ | ৰবটিক্স প্ৰদৰ্শন |
| ১২-৩০ বজা | ঃ | আহাৰ বিৰতি |
| বিয়লি ১-৩০ বজা | ঃ | সামৰণী অনুষ্ঠান। |

বিঃদ্ৰঃ *উদ্বোধনী অনুষ্ঠানত অসম চৰকাৰৰ মাননীয় মন্ত্ৰী শ্ৰীযুত কেশৱ মহন্তদেৱে মুখ্য অতিথিৰূপে অংশ গ্ৰহণ কৰিব।*

স্থাপিতঃ ১৯৫৩
Estd. : 1953

২১ নম্বৰ আইন (১৮৬০)ৰ অধীনত পঞ্জীভূক্ত

# অসম বিজ্ঞান সমিতি

## ASSAM SCIENCE SOCIETY

(Regd. Under Societies Registration Act XXI of 1860. Regd. No. 49 of 1960-61)
Head Office: Jawaharnagar, Khanapara, Guwahati – 781022, Assam, India
Phone No.: +91 60013-99315, E-mail: gsass2014@gmail.com

নং-অবিস/প্ৰস/২০২৫-২৬/২৫৫ তাৰিখঃ ১১-০১-২০২৬

প্ৰেৰকঃ

**শ্ৰী মৃণাল কুমাৰ হাজৰিকা**

প্ৰধান সচিব

প্ৰতি,

**সভাপতি/সম্পাদক**
**সমূহ শাখা, অসম বিজ্ঞান সমিতি**

**বিষয়ঃ অসম বিজ্ঞান দিৱস উপলক্ষে জ্যেষ্ঠ সদস্যক সম্বৰ্ধনা জ্ঞাপন সম্পৰ্কত।**

মহাশয়/মহাশয়া,

নমস্কাৰ গ্ৰহণ কৰিব।

পত্ৰযোগে আপোনাক জনাওঁ যে, কাৰ্যনিৰ্বাহক কমিটিৰ আলোচনা অনুসৰি আগন্তুক সমিতিৰ প্ৰতিষ্ঠা দিৱস (অসম বিজ্ঞান দিৱস)ত সমিতিৰ প্ৰতিটো শাখাৰ পৰা ৩ গৰাকী জ্যেষ্ঠ সদস্যক সম্বৰ্ধনা জ্ঞাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। এই উপলক্ষে শাখা সমূহক প্ৰয়োজন হোৱা সম্বৰ্ধনা পত্ৰখন সমিতিৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ পৰা প্ৰদান কৰা হ'ব। লগতে আপোনালোকক অনুৰোধ কৰো যে, জ্যেষ্ঠ সদস্য গৰাকীক সম্বৰ্ধনা জ্ঞাপনৰ বাবে সম্বৰ্ধনা পত্ৰখন ফ্ৰেম কৰি দিয়াৰ লগতে এখন ফুলাম গামোছা আৰু সামৰ্থ অনুসৰি অন্য উপহাৰ প্ৰদান কৰিব পাৰিব। যথা সম্ভৱ সম্বৰ্ধিত ব্যক্তি সকলৰ ঘৰটো প্ৰদান কৰিব। সম্বৰ্ধনা জ্ঞাপনৰ ফটোগ্ৰাফ কেন্দ্ৰীয় সমিতিলৈ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

উপৰোক্ত বিষয় সম্পৰ্কত আপোনালোকে গুৰুত্ব সহকাৰে লৈ সমিতিৰ কাম-কাজত অৰিহণা যোগাই যাব বুলি আশা কৰিলোঁ।

বি.দ্ৰ. শাখা সমূহক সম্বৰ্ধনা পত্ৰ সমূহ কেন্দ্ৰীয় কাৰ্যালয়ৰ পৰা সংগ্ৰহ কৰিবৰ বাবে অনুৰোধ জনোৱা হ'ল।

ইতি,

ধন্যবাদ সহকাৰে-

**(শ্ৰী মৃণাল কুমাৰ হাজৰিকা)**
প্ৰধান সচিব
অসম বিজ্ঞান সমিতি

Recipient of NCSTC'S National Award 1990 for popularisation ofScience

কেন্দ্ৰীয় কাৰ্যালয়: আজি ১১ জানুৱাৰী, ২০২৫ তাৰিখে অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় কাৰ্যালয়ত হোৱা কাৰ্যনিৰ্বাহক কমিটিৰ ৫ম সংখ্যক সভাৰ কিছু আলোকচিত্ৰ। আজি অসম বিজ্ঞান সমিতিৰ, কেন্দ্ৰীয় কাৰ্য্যালয়ত সুদীৰ্ঘ ৩২ বছৰ কাল কৰ্মৰত গোপীৰাম ডেকাৰ ভাবুক, বিদায় সম্বৰ্ধনা সম্পন্ন হয়। আৰু আজি সুদীৰ্ঘ কাল কেন্দ্ৰীয় কাৰ্যালয়ত সেৱা আগবঢ়াই অহা শ্ৰী মান ভবেশ কলিতাই অসম চৰকাৰৰ কৃষি বিভাগত নিযুক্তি লাভ কৰাত উৎফুল্লিত হৈ তেওঁক সকলোৱে মৰম আৰু আশীৰ্বাদ প্ৰদান কৰে। আজি অসম বিজ্ঞান সমিতিৰ মধ্যমণি হৈ সুদীৰ্ঘ কাল বৈজ্ঞানীক বিষয়া ৰূপে কৰ্মৰত শ্ৰীযুত চন্দ্ৰ বৰ্মন, বিদায় সম্বৰ্ধনা সভাত, হঠাৎ হোৱা অসুবিধাৰ বাবে উপস্থিত থাকিব নোৱাৰিলে। আমি তিনিও গৰাকীৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।




















# ঢকুৱাখনা শাখা:   শীতকালীন আবাসিক প্ৰকৃতি শিবিৰ ৪.০ ৰ প্ৰতিবেদন

**অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখা আৰু মেগামিক্স প্ৰকৃতি সংঘৰ উদ্যোগত শীতকালীন আৱাসিক প্ৰকৃতি শিবিৰ ৪.০,** ঢকুৱাখনাৰ পঞ্চায়ত সমল আৰু প্ৰশিক্ষণ কেন্দ্ৰত অনুষ্ঠিত হয়।৬ আৰু ৭ জানুৱাৰী ২০২৬ তাৰিখে দুদিনীয়াকৈ শিবিৰৰ কাৰ্যসূচী সম্পন্ন হয় । শিবিৰত ঢকুৱাখনা সমজিলা আৰু মাজুলী জিলাৰ ২০ জন ছাত্ৰ-ছাত্ৰীৰ লগতে শিৱসাগৰ বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ এজন ছাত্ৰ অংশগ্ৰহণ কৰে। উক্ত ছাত্ৰ জন মেগামিক্স প্ৰকৃতি সংঘ আৰু অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ লগত Internship কৰি আছে ।প্ৰকাশন পৰিষদৰ ২০২৫ বৰ্ষৰ যুৱ লেখক বঁটা প্ৰাপক ধ্ৰুৱ জ্যোতি চেতিয়াই শিবিৰাৰ্থীৰ পঞ্জীয়ন পৰ্ব সম্পন্ন কৰে। অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ সম্পাদক বিমান সন্দিকৈয়ে আঁতধৰা অনুষ্ঠানত শিবিৰ শুভাৰম্ভ কৰে অসম বিজ্ঞান সমিতিৰ উপসভাপতি ডঃ অমল চন্দ্ৰ দত্ত দেৱে। মানৱ জীৱনত বিজ্ঞানৰ প্ৰভাৱ, প্লাষ্টিক প্ৰদূষণ আৰু বৰষুণৰ পানী সংৰক্ষণ আদি প্ৰসংগেৰে শুভাৰম্ভনিৰ ভাষণ প্ৰদান কৰে। মুখ্য অতিথি হিচাপে উপস্থিত আছিল  পৰিৱেশমিত্ৰ দেৱজিৎ ফুকন আৰু অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ মুখ্য উপদেষ্টা দিগেন্দ্ৰ নাথ হাজৰিকা। উক্ত অনুষ্ঠানৰ পাৰদৰ্শী ব্যক্তি আছিল Ray Foundation ৰ প্ৰতিষ্ঠাপক তথা প্ৰকৃতি আৰু বন্যপ্ৰাণীৰ বাবে কাম কৰি অহা শিখা বৰুৱা আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰী পৰশমণি গগৈ। শিবিৰাৰ্থী সকলৰ লগত গীত নৃত্যৰে উমাল অনুষ্ঠানটিত প্ৰকৃতিৰ বিচিত্ৰ অৱদানৰ বিষয়ে আলোচনা কৰা হয়। দ্বিতীয় দিনৰ কাৰ্যসূচী আৰম্ভ হয় ।কুঁৱলীৰ আৱৰণ ফালি হালধীয়া দলিচা সৃষ্টি কৰা সৰিয়হৰ খেতিৰ মাজে মাজে ক্ষেত্ৰ অধ্যয়ন । ১০:০০ বজাৰ পৰা সমল ব্যক্তি পৰিৱেশমিত্ৰ দেৱজিৎ ফুকনৰ উপস্থাপনেৰে মানুহ, বন্যপ্ৰাণী আৰু আমাৰ পৰিৱেশ বিষয়ক এটা কাৰ্যসূচী ৰূপায়িত হয়। মধ্যাহ্ন ভোজনৰ পিছত  ১:০০ বজাৰ পৰা নৈপৰীয়া উদ্ভিদ বিচিত্ৰতা বিষয়ক আলোচনাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ কাৰ্যকৰী সভাপতি পৰমানন্দ দত্ত, ঢকুৱাখনা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডঃ নৰেন্দ্ৰ নাথ দত্ত আৰু বিজ্ঞানকৰ্মী তথা আজীৱন সদস্য প্ৰদীপ কুমাৰ দত্ত। সন্ধ্যা ০৬:০০ বজাৰ পৰা ০৮:০০ বজালৈ বিহংগম দৃষ্টিৰে আমাৰ পৰিৱেশ, এই বিষয়ত সমল ব্যক্তি হিচাপে যৌথভাৱে উপস্থাপন কৰেপৰিৱেশকৰ্মী বিমান সন্দিকৈ আৰু ধ্ৰুৱ জ্যোতি চেতিয়াই। ছাত্ৰছাত্ৰীৰ মাজত আমাৰ চৌপাশৰ পক্ষী বৈচিত্ৰ্য আৰু আমাৰ কৰণীয় কি, এই কথাবোৰ দৃশ্য-শ্ৰাব্য সহ উপস্থাপন কৰা হয়। ৰাতিলৈ পৰ্বতাৰোহী তথা সৰ্পবন্ধু ত্ৰিবেণী ৰঞ্জন গগৈ , শিখা বৰুৱা সহিতে উদ্যোক্তা মণ্ডলীৰ সহযোগত শিবিৰাৰ্থীৰ লগত পৰিৱেশ অৱনতিৰ বিভিন্ন সমস্যা, কেৰিয়াৰ হিচাপে ক্ৰীড়া আদি বিষয়ত আলোচনা আৰু প্ৰশ্নোত্তৰ  আদি অনুষ্ঠিত হয়।









অসম বিজ্ঞান সমিতি ঢকুৱাখনা শাখাৰ অক্লান্ত কৰ্মকৰ্তা তথা কেন্দ্ৰীয় সমিতিৰ মহিলা কোষৰ এগৰাকী ৰাজ্যিক আহ্বায়িকা হিচাপে (২০২৩-২০২৫) কৰ্তব্য সম্পাদন কৰা সমিতিৰ আজীৱন সদস্যা সান্ত্বনা বৰুৱা ৰ অকাল বিয়োগ ঘটিছে। আজি দুপৰীয়াৰ সময়খিনিত নিজৰ ঘৰত চিকিৎসা লৈ থকাৰ ক্ষণতে তেখেতে শেষ নিশ্বাস ত্যাগ কৰে। বৃক্ক জনিত ৰোগত আক্ৰান্ত হৈ তেখেতে কেইবা মাহ ধৰি চিকিৎসাধীন অৱস্থাত আছিল।

মৃত্যুৰ সময়ত তেখেতে স্বামী আৰু দুই সন্তানক এৰি থৈ যায়। তেখেতে বিশেষকৈ বিজ্ঞান সমিতিৰ দ্বাৰা ৰূপায়িত নাৰী সমাজত বিজ্ঞান সুলভ মানসিকতা সৃষ্টিৰ অভিযান বিলাকত জড়িত হৈ আছিল। তেখেতৰ মৃত্যু ঢকুৱাখনা শাখা বিজ্ঞান সমিতিৰ বাবে এটা গুৰুতৰ ক্ষতি হিচাপে গণ্য হৈছে। তেখেতৰ অকুণ্ঠ কৰ্মৰাজীৰ সোঁৱৰণী সহকাৰে তেখেতৰ পৱিত্ৰ স্মৃতিত গভীৰ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছোঁ।



## শোক বাৰ্তা

স্থাপিতঃ ১৯৫৩
Estd. : 1953

২১ নম্বৰ আইন (১৮৬০)ৰ অধীনত পঞ্জীভূক্ত

**অসম বিজ্ঞান সমিতি**

**ASSAM SCIENCE SOCIETY**

(Regd. Under Societies Registration Act XXI of 1860. Regd. No. 49 of 1960-61)
Head Office: Jawaharnagar, Khanapara, Guwahati – 781022, Assam, India
Phone No.: +91 60013-99315, E-mail: gsass2014@gmail.com

**অসম বিজ্ঞান সমিতিৰ শোক প্ৰকাশ**

গুৱাহাটী, ১৫ জানুৱাৰি, ২০২৬

অসম বিজ্ঞান সমিতিয়ে সমিতিৰ আজীৱন সদস্য (ঢকুৱাখনা শাখা), সমিতিৰ মহিলা বিজ্ঞান কোষৰ প্ৰাক্তন আহ্বায়িকা তথা সমাজকৰ্মী শ্ৰীমতী সান্তনা বৰুৱাৰ যোৱা ১৪ জানুৱাৰি, ২০২৬ তাৰিখে হোৱা আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰে।

সমিতিয়ে শ্ৰীমতী বৰুৱাৰ বিয়োগত সমিতিৰ লগতে ঢকুৱাখনা বাসী তথা অসমে এগৰাকী উদ্যমী বিজ্ঞান কৰ্মী হেৰুৱালে। মহিলা সৱলীকৰণ তথা বিজ্ঞান মানসিকতা গঢ়াৰ ক্ষেত্ৰত শ্ৰীমতী বৰুৱাই আগবঢ়োৱা অৱদানৰ কথা সমিতিয়ে শ্ৰদ্ধাৰে সোঁৱৰে আৰু শোক-সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

(ড০ অৰূপ কুমাৰ মিশ্ৰ)
সভাপতি

(শ্ৰী মৃণাল কুমাৰ হাজৰিকা)
প্ৰধান সচিব

অসম বিজ্ঞান সমিতি

অসম বিজ্ঞান সমিতিৰ পৰা প্ৰেৰণ কৰা শোক বাৰ্তাটো আজি ১৭/০১/২০২৬ তাৰিখে সদ্য প্ৰয়াত সান্ত্বনা বৰুৱাৰ পৰিয়ালৰ হাতত অৰ্পণ কৰা হয় । অসম বিজ্ঞান সমিতিৰ উপসভাপতি ডঃ অমল চন্দ্ৰ দত্তদেৱৰ উপস্থিতিত ঢকুৱাখনা শাখাৰ সভাপতি সম্পাদক প্ৰমুখ্যে শাখাৰ কেইবাজনো আজীৱন সদস্য উপস্থিত আছিল।





# শোক বাৰ্তা

স্থাপিতঃ ১৯৫৩ | ২১ নম্বৰ আইন (১৮৬০)ৰ অধীনত পঞ্জীভুক্ত
Estd. : 1953

## অসম বিজ্ঞান সমিতি
## ASSAM SCIENCE SOCIETY

(Regd. Under Societies Registration Act XXI of 1860. Regd. No. 49 of 1960-61)
Head Office: Jawaharnagar, Khanapara, Guwahati – 781022, Assam, India
Phone No.: +91 60013-99315, E-mail: gsass2014@gmail.com

### অসম বিজ্ঞান সমিতিৰ শোক প্ৰকাশ

গুৱাহাটী, ১৭ জানুৱাৰি, ২০২৬

অসম বিজ্ঞান সমিতিয়ে সমিতিৰ আজীৱন সদস্য (বকো শাখা), কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন উপ-সভাপতি তথা হেকেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ গণেশ্বৰ চহৰীয়াৰ যোৱা ১৭ জানুৱাৰি, ২০২৬ তাৰিখে নিশা হোৱা আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰে।

সমিতিয়ে ড০ চহৰীয়াৰৰ বিয়োগত সমিতিৰ লগতে বকো বাসী তথা অসমে এগৰাকী উদ্যমী বিজ্ঞান কৰ্মী হেৰুৱালে। বিজ্ঞান জনপ্ৰিয়কৰণৰ ক্ষেত্ৰত ড০ চহৰীয়াই আগবঢ়োৱা অৱদানৰ কথা সমিতিয়ে শ্ৰদ্ধাৰে সোঁৱৰে আৰু শোক-সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

(ড০ অৰূপ কুমাৰ মিশ্ৰ)
সভাপতি

(শ্ৰী মৃণাল কুমাৰ হাজৰিকা)
প্ৰধান সচিব

অসম বিজ্ঞান সমিতি

Recipient of NCSTC'S National Award 1990 for popularisation ofScience



বকো শাখা: অতি দুখেৰে জনাওঁ যে অসম বিজ্ঞান সমিতি প্ৰাক্তন উপ - সভাপতি, বকো শাখা জন্মলগ্নত গুৰি ধৰোঁতা তথা বকো শাখাৰ বৰ্তমানৰ উপদেষ্টা, বৰ্তমান কামৰূপ জিলাৰ সাহিত্য সভাৰ সভাপতি , হেকেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° গণেশ্বৰ চহৰীয়া দেৱ যোৱাৰাতি দিছপুৰস্থিত GNRC Hospital ত নিশা ১১.৪৫ মিনিটত পৰলোকপ্ৰাপ্তি হয়।
- সম্পাদক, বকো শাখা

# মধ্য ছয়দুৱাৰ শাখা, গহপুৰ শাখা, কলাবাৰী শাখা

অসম বিজ্ঞান সমিতিৰ সভাপতি ড' অৰূপ কুমাৰ মিশ্ৰ চাৰৰ লগতে আৰু ৪ গৰাকী সন্মানীয় ব্যক্তিক আজি অসম বিজ্ঞান সমিতিৰ মধ্য ছয়দুৱাৰ শাখা, গহপুৰ শাখা, কলাবাৰী শাখাৰ লগতে ছয়দুৱাৰ অট' নমাছ কলেজৰ অধ্যক্ষ সহ শিক্ষক কৰ্মচাৰী সকলে আদৰণী জনাই। সভাপতি মহোদয়ে অসম বিজ্ঞান সমিতিৰ কাৰ্যসূচী সমূহ শাখাৰ জড়িয়তে সক্ৰিয়ভাৱে ৰূপায়ন কৰাৰ কথা উল্লেখ কৰাৰ লগতে মহাবিদ্যালয় খনৰ সহযোগত বিভিন্ন বিজ্ঞান জনপ্ৰিয়কৰণ কাৰ্যসূচী ৰূপায়ন সম্পৰ্কে পৰামৰ্শ আগবঢ়ায় ।









আজি (১৭/০১/২০২৬) শনিবাৰে অসম বিজ্ঞান সমিতিৰ সন্মানীয় সভাপতি তথা অসম চৰকাৰৰ প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ মান্যবৰ সঞ্চালক ডঃ অৰূপ কুমাৰ মিশ্ৰ ছাৰ লগতে পৰিষদৰ বিষয়া ক্ৰমে ডঃ পৰাগ বৰ্মন, ডঃ গৌতম মিশ্ৰ, ডঃ কান্তেশ্বৰ কলিতা আৰু শ্ৰীযুত সুৰজিৎ বৰুৱাই এক বিশেষ কাৰ্যসূচীৰ বাবে মাজুলীলৈ যোৱাৰ পথত অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখা তথা মেগামিক্স প্ৰকৃতি সংঘৰ কাৰ্যালয়ত ক্ষন্তেক অতিবাহিত কৰে। লগতে দুয়ো সংগঠনৰ সাদৰ সম্ভাষণ গ্ৰহণ কৰি কৰ্মকৰ্তা সকলৰ লগত প্ৰদূষণৰ প্ৰসংগ, বিজ্ঞান, প্ৰকৃতি শিবিৰ আৰু কেৰিয়াৰ পৰামৰ্শ কেন্দ্ৰ বিষয়ক আলোচনা আৰু পৰামৰ্শ পৰ্ব সম্পন্ন কৰে।






Lakhipur Branch : Assam Science Society, Lakhipur Branch today organised sky watching show through telescope in Lakhipur Bookfare. We thank to our resource person Jahangir Hussain, secretary of Assam Science Society, Lakhipur Branch for operating the telescope










## Silchar Branch

**Silchar-Branch**: Felicitation of only CM Green Fellow 2025-2026 of Cachar district by Assam Science Society, Silchar Branch. Wish her a successful training at University of Tirana, Bosnia, Europe.



গোৰেশ্বৰ শাখা: ভূত নে অন্য কিবা শক্তিৰ প্ৰভাৱ ?অসম বিজ্ঞান সমিতি, গোৰেশ্বৰ শাখাৰ অন্তৰগত পশ্চিম নাওকাটাৰ তাৰিণী শৰ্মাৰ ঘৰত আজি কিছুদিনৰ পৰা কিছুমান অলৌকিক কাৰ্য ঘটি থকা দেখা যায়। ঘৰখনত হঠাতে আপোনা-আপুনি জুই জ্বলি উঠে বুলি যোৰাকালি শুনিবলৈ পাই অসম বিজ্ঞান সমিতি,গোৰেশ্বৰ শাখাৰ প্ৰতিনিধি দল এটা আজি আবেলি ঘটনা স্থলীত উপস্থিত হও। আমি গৈ কাপোৰবোৰ জ্বলিথকা দেখিবলৈ পাও। গৃহস্থ আৰু প্ৰত্যক্ষদৰ্শী কোৱামতে হঠাতে কাপোৰবোৰত জুই লাগে। বিছনা, আলনা, টেন্টহাউছৰ কাপোৰ, বাহিৰত থৈ দিয়া ফটা-চিটা কাপোৰ, তামোলৰ শুকান ঢকুৰা আদি সকলোতে হঠাতে জুই লাগে। এঠাইত নুমালে অলপ পিছতে আন এঠাইত লাগে। পৰিয়ালটোৰ সদস্য সকলে আমাক কান্দি কান্দি কথাবোৰ ক'লে। বিশষজ্ঞৰ লগত আলোচনা কৰি কম সময়ৰ ভিতৰত ইয়াৰ ৰহস্য উদঘাটন কৰা হব বুলি আহিব ওলাওতেই হুৱাদুৱা লাগিল "জুই" "জুই" বুলি। আগবাঢ়ি গৈ দেখো চকি দুখনত থৈ দিয়া কাপোৰখিনি চকীসহ দপদপকৈ জ্বলি উঠিল। খাটাংকৈ একো সিদ্ধান্ত লব নোৱাৰিলোঁ যদিও দুটা কথাত আমাৰ সন্দেহ আৰু ৰহস্যৰ উমান পাও। কাৰো চকুৰ আগত এতিয়লৈ জুই লগা নাই। মানুহৰ অলপ আতৰত লাগে আৰু ৰাতি ৮/৯বজাৰ পিছত জুই নালাগে। গতিকে ইয়াৰ ৰহস্য উদঘাটন কৰাত "অসম বিজ্ঞান সমিতি"ৰ সহযোেগ বিচাৰোঁ।





৬১ বছৰ । ১৭০ সংখ্যা, গুৱাহাটী, ১২ মাঘ, সোমবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assam

পশ্চিম নাওকাটাত হঠাৎ ঘৰৰ বিভিন্ন সামগ্ৰী জ্বলি উঠাক লৈ চাঞ্চল্য

অসম বিজ্ঞান সমিতিৰ সদস্যই পৰ্যৱেক্ষণ কৰি ক'লে- এয়া দুষ্ট চক্ৰৰ কাৰ্য

ভূত-প্ৰেতৰ কাৰ্য ভাবি বেজৰ আশ্ৰয় ভুক্তভোগী পৰিয়ালৰ

দৈনিক অসমৰ প্ৰতিনিধি গোৰেশ্বৰ, ২৫ জানুৱাৰী : তামুলপুৰ জিলাৰ গোৰেশ্বৰ ৰাজহ চক্ৰৰ অন্তৰ্গত পশ্চিম নাওকাটা গাঁৱৰ স্থায়ী বাসিন্দা তৰণী শৰ্মাৰ পৰিয়ালটোত বিগত প্ৰায় এটা পষেক ধৰি ৰ'দত মেলি দিয়া কাপোৰ কটা আৰু বিয়া-সবাহত ভাৰাত দিয়া কাপোৰকে ধৰি ঘৰৰ লেপ-তুলি, খৰি থোৱা ঘৰ, ঘৰৰ চৌহদত থকা তামোলৰ ঢকুৱাত জুই জ্বলি উঠা ঘটনা সংঘটিত হৈ আছে। ইয়াৰ ফলত পৰিয়ালটোৰ ১১ পৃষ্ঠাত চাওক



গোৰেশ্বৰৰ পশ্চিম নাওকাটাত চাঞ্চল্যকৰ ঘটনা


কানি-কাপোৰ কাটি, জুই জ্বলি হাৰাশাস্তিৰ সন্মুখীন এটা পৰিয়াল





পশ্চিম নাওকাটাত হঠাৎ ঘৰৰ বিভিন্ন

কেন্দ্ৰীয় কাৰ্যালয়ঃ আজি ২২ জানুৱাৰি, ২০২৬ তাৰিখে ভাৰ্চুৱেল মাধ্যমত হোৱা সমিতিৰ সংবিধান সংশোধনী কমিটিৰ সভাখনৰ কিছু মুহূৰ্ত।



কেন্দ্ৰীয় কাৰ্যালয়ঃ অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় কাৰ্যালয়ত ২০২৬ চনৰ গনতন্ত্ৰ দিৱস উপলক্ষে জাতীয় পতাকা উৰুৱাই সমিতিৰ যুটীয়া সচিব অৰূপ কুমাৰ দত্তই।










## উত্তৰ গুৱাহাটী শাখা

উত্তৰ গুৱাহাটী শাখাঃ অসম বিজ্ঞান সমিতিৰ উত্তৰ গুৱাহাটী শাখাই আউনীআটী বিশ্ববিদ্যালয়ৰ সৈতে যুতীয়াভাৱে ৭৭তম গণৰাজ্য দিৱস উদ্‌যাপন কৰে।




গণৰাজ্য দিৱস উপলক্ষে মাননীয় ৰাজ্যপালৰ আমন্ত্ৰনত তেখেতৰ বাসগৃহত সমবেত ৰাজ্যৰ বিশিস্ট ব্যক্তিসকলৰ উপস্থিতিত, ব্ৰজাৱলী নাটৰ সংকলনৰ কপি এটা উপহাৰ হিচাপত দিয়ে, অসম বিজ্ঞান সমিতিৰ সভাপতি ড০ অৰূপ কুমাৰ মিশ্ৰই । ৰাজ্যপাল মহাশয়ে এই কাৰ্য্যৰ ভূয়সী প্ৰশংসা কৰিলে






কেন্দ্ৰীয় কাৰ্যালয়ঃ আজি ২৭ জানুৱাৰি, ২০২৬ তাৰিখে অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় কাৰ্যালয়ত হোৱা বিজ্ঞান প্ৰসাৰত ডিজিটেল মাধ্যমৰ প্ৰয়োগ প্ৰকল্প ২০২৫-২৬ ৰ অধীনত ৰাজ্যিক পৰ্য্যায়ৰ দিশ-নিৰ্দ্দেশনামূলক কৰ্মশালাৰ কিছু আলোকচিত্ৰ।










# মৰিগাঁও শাখা : দ্বি-বাৰ্ষিক অধিৱেশন

মৰিগাঁও শাখা: আজি এক ফেব্ৰুৱাৰী দুহেজাৰ ছাব্বিছ তাৰিখে দিনজোৰা কাৰ্যসূচীৰে অসম বিজ্ঞান সমিতি মৰিগাঁও শাখাৰ সোতৰ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন হয়। পুৱা সমিতিৰ পতাকা উত্তোলন কৰে সমিতিৰ মৰিগাঁও শাখাৰ সভাপতি ড. ধনঞ্জয় কুশ্ৰেদেৱে। উত্তোলনৰ লগে লগেই সমিতিৰ চিহ্ন গীটটো পৰিৱেশন কৰা হয়। ইয়াৰ পাছতে প্ৰতিনিধি পঞ্জীয়ন হয়, আৰু প্ৰতিনিধি সভা অনুষ্ঠিত হয়। প্ৰতিনিধি সভাত সভাপতিৰ আসন গ্ৰহণ হোৱাৰ লগে লগেই সভা উদ্বোধন কৰে সমিতিৰ জ্যেষ্ঠ সদস্য শ্ৰী যুত কমল ডেকাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শাখাৰ সম্পাদক শ্ৰীযুত নিৰোদ কুমাৰ বৰাই। ইয়াৰ পাছতেই নতুন সদস্যসকলৰ চিনাকি আৰু আজীৱন সদস্যসকলৰ চাৰ্টিফিকেট প্ৰদান কৰা হয়। সভাত জ্যেষ্ঠ সদস্য শ্ৰীযুত মনমোহন ৰাজবংশীৰ তিনিখন গ্ৰন্থ উন্মোচন কৰা হয় উন্মোচন কৰে সমিতিৰ প্ৰধান সচিব শ্ৰীযুত মৃণাল কুমাৰ হাজৰিকাই। দুবছৰীয়া সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে শাখাৰ সম্পাদক শ্ৰীযুত নিৰোদ কুমাৰ বৰাই, প্ৰতিবেদনত সমিতিৰ দুবছৰীয়া কাৰ্যকালত সম্পন্ন কৰা সমূহ কাৰ্যসূচী প্ৰতিফলিত হয় আৰু সদস্যসকলে সৰ্বসন্মতিক্ৰমে প্ৰতিবেদনখন গ্ৰহণ কৰে।ইয়াৰ পাছতেই দুবছৰীয়া আয় ব্যয়ৰ হিচাপ দাখিল কৰে হিচাপ পৰীক্ষক শ্ৰীযুত সৌমিত্ৰ পালে। প্ৰতিবেদনত সমিতিৰ আয় ব্যয়ৰ হিচাপৰ সমগ্ৰ প্ৰতিফলন ঘটে। ইয়াৰ পাছতেই সকলোৰে আলোচনাৰ অন্তত হিচাপ পৰীক্ষকৰ প্ৰতিবেদন গ্ৰহণ কৰে। সাধাৰণ সম্পাদক শ্ৰীযুত নিৰোদ কুমাৰ বৰাই 2004 চনৰ পৰা 2026 চনৰ বৰ্তমানলৈকে সমিতিৰ কাম কাজৰ “এক গৌৰৱোজ্জ্বল যাত্ৰা অসম বিজ্ঞান সমিতি,মৰিগাওঁ শাখা” বুলি এখন 651 পৃষ্ঠাৰ গ্ৰন্থ ডিজিটেল








ৰূপত ৰাইজৰ আগত উপস্থাপন কৰে আৰু উন্মোচন কৰে সমিতিৰ প্ৰধান সচিব শ্ৰীযুত মৃণাল কুমাৰ হাজৰিকাই। আগন্তুক নতুন বৰ্ষ দুটাৰ বাবে নতুন সমিতি গঠন কৰিবৰ বাবে সমিতিৰ সভাপতি ড. ধনঞ্জয় কুশ্ৰে পদত্যাগ কৰে আৰু নতুন কাৰ্যকালৰ বাবে ডাক্তৰ নীলোৎপল কাকতিক সভাপতি, শ্ৰী যীশুৰাম দেউৰীক কাৰ্যকৰী সভাপতি আৰু সাধাৰণ সম্পাদক হিচাপে শ্ৰী নিৰোদ কুমাৰ বৰাক নিৰ্বাচন কৰি নতুন সমিতি গঠন কৰে। নতুন সমিতি গঠনৰ পিছতেই কেন্দ্ৰীয় সমিতিৰ প্ৰধান সচিবে সমিতিয়ে কৰিবলগা কাম কাজৰ চমু খাতিয়ান দাঙি ধৰে। ইয়াৰ ইয়াৰ পাছতে সমিতিৰ সভাপতিয়ে সভা ঘোষণ ভংগ ঘোষণা কৰে আৰু সকলোৱে একেলগে আহাৰ গ্ৰহণ কৰে। শেষত পতাকা অৱতৰণৰে সমিতিৰ অধিৱেশনৰ দিনজোৰা কাৰ্যসূচীৰ সমাপ্তি হয়।



















# মৰিগাঁও শাখা:

স্থাপিতঃ ১৯৫৩
Estd. : 1953

২১ নম্বৰ আইন (১৮৬০)ৰ অধীনত পঞ্জীভুক্ত

**অসম বিজ্ঞান সমিতি**

**ASSAM SCIENCE SOCIETY**

(Regd. Under Societies Registration Act XXI of 1860. Regd. No. 49 of 1960-61)
Head Office: Jawaharnagar, Khanapara, Guwahati – 781022, Assam, India
Phone No.: +91 60013-99315, E-mail: gsass2014@gmail.com

নং-অবিস/প্ৰস/২০২৫-২৬/২৮০ তাৰিখঃ ০৫-০২-২০২৬

প্ৰেৰকঃ
শ্ৰী মৃণাল কুমাৰ হাজৰিকা
প্ৰধান সচিব

প্ৰতি
সভাপতি/সম্পাদক
মৰিগাওঁ শাখা
অসম বিজ্ঞান সমিতি

**বিষয়ঃ** অসম বিজ্ঞান সমিতিলৈ DTO, Morigaon এ প্ৰেৰণ কৰা পত্ৰৰ Mission TB Mukt Bharat Abhiyan – Phase II, কাৰ্যসূচীসমূহ ৰূপায়ণৰ সহযোগ কৰা সম্পৰ্কত।

প্ৰসংগঃ Ref. No. DHS/NTEP/MRG/84/26 Dated 03/02/2026 ত সমিতিলৈ DTO, Morigaon এ প্ৰেৰণ কৰা পত্ৰ।

মহাশয়,
নমস্কাৰ গ্ৰহণ কৰিব।

উপৰোক্ত পত্ৰ সন্দৰ্ভত আপোনাক জনাওঁ যে, যোৱা ৩ ফেব্ৰুৱাৰি, ২০২৬ তাৰিখে DTO, Morigaon এ সমিতিলৈ Mission TB Mukt Bharat Abhiyan – Phase II ৰ অন্তৰ্গত ACMSৰ কাৰ্যসূচীসমূহ, বিশেষকৈ মৰিগাঁও জিলাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰি ৰূপায়ণ কৰাৰ বাবে প্ৰেৰণ কৰা পত্ৰ সম্পৰ্কত অসম বিজ্ঞান সমিতি, মৰিগাওঁ শাখাই কেনে ধৰণে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে তাৰ বিষয়ে জনোৱা হ'ল।

সেয়েহে আপোনাক অসম বিজ্ঞান সমিতি, মৰিগাওঁ শাখাৰ সহযোগিতাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ পত্ৰযোগে অনুৰোধ জনালোঁ।

ইতি
ধন্যবাদ সহকাৰে-

(শ্ৰী মৃণাল কুমাৰ হাজৰিকা)
প্ৰধান সচিব
অসম বিজ্ঞান সমিতি

Recipient of NCSTC'S National Award 1990 for popularisation ofScience

---

Govt. of Assam
**OFFICE OF THE DIST. T.B. OFFICER**
**STHG Civil Hospital Campus, Morigaon :: Assam**
*E-mail : dtoasmrg@rntcp.org*

*Ref. No. DHS/NTEP/MRG/84/26* *Date : 03/02/2026*

To
The President / Secretary
Assam Science Society
Guwahati
Assam

**Sub:** Prayer for Integrated Approach Regarding Awareness and Other Interventions with **ACSM Activities under *Mission TB Mukt Bharat Abhiyan – Phase II*,** with Special Reference to Morigaon District

Sir/Madam,

With due respect, I would like to invite your kind attention to the implementation of ***Mission TB Mukt Bharat Abhiyan – Phase II***, particularly in Morigaon district. Tuberculosis continues to be a significant public health challenge, and achieving the national goal of TB elimination requires a strong, integrated, and community-driven approach.

In this context, the role of scientific organizations like the Assam Science Society is extremely important in strengthening ***Advocacy, Communication, and Social Mobilization (ACSM)*** activities. An integrated approach involving scientific awareness programmes, community outreach, school and college-based interventions, interactive sessions, exhibitions, and evidence-based communication can significantly enhance public understanding, early health-seeking behavior, treatment adherence, and stigma reduction related to TB.

Therefore, I humbly request your esteemed organization to kindly extend support and collaboration for planning and implementing integrated awareness and other intervention activities aligned with **ACSM strategies under *Mission TB Mukt Bharat Abhiyan – Phase II***, with special emphasis on Morigaon district. Your involvement will greatly contribute towards promoting scientific temper, community participation, and sustainable behavioral change in the district.

I shall be highly obliged for your kind consideration and cooperation in this important public health mission.

Thanking you.

Yours faithfully,

**Dr. Amar Jyoti Deka**
DTO, Morigaon

***Memo No. DHS/NTEP/ MRG/85-89/26*** ***Date : 03/02/2026***

*Copy forwarded for information and necessary action:-*

1. The Dist. Commissioner, Morigaon (Assam)
2. The Adll. District Commissioner (Health), Morigaon (Assam)
3. The Addl. DHS (LAR) cum SPO (NTEP) Director of Health Services, Assam, Ghy – 36.
4. The Jt. Director of Health Services, Morigaon (Assam)
5. Office copy.

**Dist. TB. Officer (NTEP)**
**Morigaon (Assam)**

Scanned with OKEN Scanner

# হাউলী শাখা : দ্বি-বাৰ্ষিক অধিৱেশন

হাউলী শাখাঃ আজি ০৭ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখ শনিবাৰে আবেলি ৩ বজাত হাউলী সাহিত্য সভা ভৱনত অসম বিজ্ঞান সমিতি, হাউলী শাখাৰ সাধাৰণ সভা অনুষ্ঠিত হয়। উক্ত সভাত সমিতিৰ কাম-কাজ আৰু জমা-খৰছৰ হিচাপৰ প্ৰতিবেদন পাঠৰ পিছত বৰ্তমানৰ কাৰ্যকৰী সমিতিয়ে ইস্তাফা দিয়ে আৰু আজিৰ সভাই তলত উল্লেখিত ধৰণে আগন্তুক দুবছৰৰ বাবে তলত উল্লেখিত ধৰণে কাৰ্যকৰী সমিতি গঠন কৰি দিয়ে। উপদেষ্টা- অধীৰ কুমাৰ চক্ৰৱৰ্তী, নৃপেন্দ্ৰ পূজাৰী আৰু সহৰ আলী কাজী। সভাপতি -ড° সনাতন কুমাৰ নাথ উপ-সভাপতি -অনিল চন্দ্ৰ কলিতা সাধাৰণ সম্পাদক -দীপজোতি দাস সহকাৰী সম্পাদক-বিতুমণি বৰ্মন সদস্য-ড° চুলতান আলী আহমেদ, ছমীৰ খান, গোপীনাথ দাস, নন্দিতা দাস, পূৰবী চক্ৰৱৰ্তী আৰু প্ৰদীপ কুমাৰ দাস ।








# বকো শাখা : কাৰ্যকৰী সভা

বকো শাখাঃ অসম বিজ্ঞান সমিতি, বকো শাখাৰ কাৰ্যকৰী কমিটিৰ ২য় খন সভাৰ (শোক সভা সহ) কিছু মুহূৰ্ত।






গোৰেশ্বৰ শাখাঃ ভোলাঝাৰ বাঙালীপাৰা হাইস্কুলত পানী মেটেকাৰ পৰা নিত্য ব্যৱহায্য সামগ্ৰী প্ৰস্তুত কৰণৰ কৰ্মশালা সম্পন্ন। কেন্দ্ৰীয় চৰকাৰৰ পৰিবেশ বন আৰু জলবায়ু পৰিবৰ্তন মন্ত্ৰনালয়ৰ সৌজন্যত, অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদ তথা ৰাজ্য চৰকাৰৰ বিজ্ঞান প্ৰযুক্তি বিভাগৰ উদ্যোগত আৰু অসম বিজ্ঞান সমিতিৰ গোৰেশ্বৰ শাখাৰ ব্যৱস্থাপনাত আজি দিনজোৰাকৈ ভোলাঝাৰ বাঙালীপাৰা এম ই স্কুলত তামুলপুৰ জিলা ভিত্তত পানী মেটেকাৰ পৰা নিত্য ব্যৱহায্য সামগ্ৰী প্ৰস্তুত কৰণৰ এখন জিলা পৰ্যায়ৰ কৰ্মশালাৰ অনুষ্ঠিত হয়।



## গোৰেশ্বৰৰ ভোলাঝাৰ বাঙালীপাৰা স্কুলত পানীমেটেকাৰ পৰা সামগ্ৰী প্ৰস্তুতকৰণৰ কৰ্মশালা

**৪০ খন শিক্ষানুষ্ঠানৰ ৮০ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ অংশগ্ৰহণ**

প্ৰতিদিন সেৱা, গোৰেশ্বৰ, ৯ ফেব্ৰুৱাৰী ঃ কেন্দ্ৰীয় চৰকাৰৰ পৰিবেশ বন আৰু জলবায়ু পৰিবৰ্তন মন্ত্ৰালয়ৰ উদ্যোগত অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিবেশ পৰিষদ তথা ৰাজ্য চৰকাৰৰ বিজ্ঞান প্ৰযুক্তি বিভাগৰ উদ্যোগত আৰু অসম বিজ্ঞান সমিতিৰ গোৰেশ্বৰ শাখাৰ ব্যৱস্থাপনাত আজি দিনজোৰাকৈ ভোলাঝাৰ বাঙালীপাৰা এম ই স্কুলত তামুলপুৰ জিলা ভিত্তিত পানীমেটেকাৰ পৰা নিত্য ব্যৱহাৰ্য সামগ্ৰী প্ৰস্তুত কৰাৰ এখন জিলা পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাৰ অংশ হিচাপে গছপুলি ৰোপণ কৰে প্ৰধান শিক্ষক জিতবাহাদুৰ প্ৰধানে। ইয়াৰ পিচতেই কৰ্মশালা উদ্বোধন কৰে ভোলাঝাৰ বাঙালীপাৰা এম ই স্কুলৰ প্ৰধান শিক্ষক ৰমেন বড়োৱে। তামুলপুৰ জিলাৰ ৪০ খন শিক্ষানুষ্ঠানৰ ৮০ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ধীৰেন ৰাজবংশী, বিপ্লৱ নাথ, নন্দ দুলাল ভৌমিক, গৌতম কুমাৰ আৰু ঘনশ্যাম লুইটেল। আবেলি অসম বিজ্ঞান সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য মহচিনুল হক আহমেদৰ পৰিচালনাত আৰু মুকুন্দ কাকতিয়ে উদ্দেশ্য ব্যাখ্যা কৰা কৰ্মশালাৰ সামৰণী অনুষ্ঠানত ডিম্বেশ্বৰ ৰাজবংশী, ধৰ্মকান্ত ৰাজবংশী, চাৰু দেৱী আৰু উৎপল নাথে ভাষণ ৰাখে। কৰ্মশালাখন পৰিচালনাত বিশেষভাৱে সহযোগিতা আগবঢ়ায় বীৰেন চন্দ্ৰ দাস আৰু মুক্তি কাতিবাৰাই।

# Nagarbera Branch

Nagarbera Branch : Speech competition on eve of foundation day of Assam Science Society, by Nagarbera chapter, prize distribution and felicitation will be done tomorow at Assam Sceince Day programme at Nagarbera/ Jamlai





# ১৩ ফেব্ৰুৱাৰি, ২০২৬

# অসম বিজ্ঞান সমিতিৰ ৭৪ সংখ্যক প্ৰতিষ্ঠা প্ৰতিষ্ঠা দিৱস

# ৩য় সংখ্যক অসম বিজ্ঞান দিৱস

## কেন্দ্ৰীয় কাৰ্যালয় "অসম বিজ্ঞান দিৱস"

কেন্দ্ৰীয় কাৰ্যালয়ঃ আজি ১৩ ফেব্ৰুৱাৰি, ২০২৬ তাৰিখে অসম বিজ্ঞান সমিতিৰ ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱসটি ৩য় সংখ্যক অসম বিজ্ঞান দিৱস হিচাপে সমিতিৰ কেন্দ্ৰীয় কাৰ্যালয়ত উদযাপন কৰা কিছু মূহুৰ্ত।







## কলিয়াবৰ শাখা "অসম বিজ্ঞান দিৱস"

কলিয়াবৰ শাখাঃ আজি ফেব্ৰুৱাৰী মাহৰ ১৩ তাৰিখ। ১৯৫৩ চনৰ আজিৰ দিনটোতে অসম বিজ্ঞান সমিতিয়ে জন্মলাভ কৰিছিল "গুৱাহাটী বিজ্ঞান সমিতি" নামেৰে। পৰৱৰ্তী সময়ত "অসম বিজ্ঞান সমিতি" নামেৰে জনাজাত হোৱা এই অনুষ্ঠানটি বিজ্ঞান প্ৰসাৰৰ বাবে সৰ্বভাৰতীয় স্তৰতো সুখ্যাতি অৰ্জন কৰিছে। বিজ্ঞানসদী দিশৰ অনেক গ্ৰন্থ প্ৰকাশৰ উপৰি "বিজ্ঞান জেউতি" নামৰ বিজ্ঞান আলোচনীখনে নিৰৱিচ্ছিন্ন প্ৰকাশেৰে হীৰক জয়ন্তী বৰ্ষত উপনীত হোৱাটোও অসম বিজ্ঞান সমিতিৰ গৌৰৱোজ্জল দিশ। প্ৰতিবছৰে আজিৰ দিনটোতঅসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠাৰ এই দিনটো "অসম বিজ্ঞান দিৱস" হিচাপে পালন কৰা হয়।এইবেলি এই দিৱসৰ সৈতে সংগতি ৰাখি অসম বিজ্ঞান সমিতিৰ আহ্বানক্ৰমে



প্ৰতিটো শাখাই সেই শাখাৰ তিনিগৰাকীকৈ বয়োজ্যেষ্ঠ সদস্যক সম্বৰ্দ্ধনা জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে।সেইমৰ্মে কলিয়াবৰ শাখা বিজ্ঞান সমিতিয়ে সমিতিৰ অন্যতম জ্যেষ্ঠ সদস্য, কলিয়াবৰ মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ তথা কলিয়াবৰ শাখাৰ দীৰ্ঘকালৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা শ্ৰীযুত ধীৰেন্দ্ৰ কুমাৰ হাজৰিকা, উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা তথা কুঁৱৰীটোল উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষক শ্ৰীযুত প্ৰভাত চন্দ্ৰ গোস্বামী আৰু শাখাৰ প্ৰতিষ্ঠালগ্নৰ সহকাৰী সম্পাদকৰ দায়িত্ব বহন কৰা তথা কলিয়াবৰ উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ শ্ৰীযুত সলিল কুমাৰ মিত্ৰক আন্তৰিক সম্বৰ্দ্ধনা জনোৱা হয়। সম্বৰ্দ্ধিত অশীতিপৰ প্ৰতিগৰাকী ব্যক্তিক তেখেতসকলৰ গৃহলৈ গৈ কলিয়াবৰ শাখা বিজ্ঞান সমিতিৰ সভাপতি, সম্পাদক প্ৰমুখ্যে সদস্যসকলে গামোচা,শৰাই, গ্ৰন্থৰ টোপোলা আৰু সম্বৰ্দ্ধনা পত্ৰৰে শুভেচ্ছা জ্ঞাপন কৰে।সম্বৰ্দ্ধনা জ্ঞাপন কৰা দলটিত শাখাৰ সভাপতি গোলাপ চন্দ্ৰ শইকীয়া, সম্পাদক ভূপেন শৰ্মা, বিজ্ঞান সমিতিৰ আজীৱন সভ্য ভোগেশ্বৰ শইকীয়া, জোনটি বৰুৱা আৰু হেমন্ত কুমাৰ বৰাই অংশগ্ৰহণ কৰে।




অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস

বয়োজ্যেষ্ঠ সদস্যক সম্বৰ্ধনা কলিয়াবৰ শাখাৰ


কলিয়াবৰ শাখা বিজ্ঞান সমিতিৰ দ্বাৰা ৩ বয়োজ্যেষ্ঠক সম্বৰ্ধনা





মৰিগাঁও শাখাঃ আজি অসম বিজ্ঞান সমিতিৰ ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱস অসম বিজ্ঞান সমিতি মৰিগাঁও শাখাৰ দ্বাৰা সোনাৰী গাওঁ অৱস্থিত প্ৰস্তাৱিত বিজ্ঞান ভৱনৰ প্ৰাংগণত অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানত পতাকা উত্তোলন কৰে অসম বিজ্ঞান সমিতি মৰিগাঁও শাখাৰ সভাপতি ড০ নিলোৎপল কাকতি দেৱে আৰু অতিথি হিচাপে উপস্থিত থাকে অসম বিজ্ঞান সমিতিৰ প্ৰধান সচিব শ্ৰী মৃণাল কুমাৰ হাজৰিকা দেৱ লগতে উপস্থিত থাকে অসম বিজ্ঞান সমিতি মৰিগাঁও শাখাৰ সন্মানীয় বিষয়ববীয়া সকল। ইয়াৰ উপৰিও অসম বিজ্ঞান সমিতি মৰিগাঁও শাখাৰ তৰফৰ পৰা তিনিজন বিশিষ্ট জেষ্ঠ ব্যক্তি ক্ৰমে শ্ৰী গণেশ চন্দ্ৰ মেধি (অৱসৰপ্ৰাপ্ত অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ, মৰিগাঁও মহাবিদ্যালয়), শ্ৰী জয়ফুল নাথ ( অৱসৰপ্ৰাপ্ত প্ৰাক্তন প্ৰধান শিক্ষক, দন্দুৱা মাধ্যমিক বিদ্যালয়) আৰু ডা০ পুণিৰাম পাটৰ দেৱক সম্বৰ্ধনা জনোৱা হয়।












লক্ষীপুৰ শাখাঃ অসম বিজ্ঞান সমিতিৰ ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱসত লক্ষীপুৰ শাখাৰ তৰফৰ পৰা তিনিজন জ্যেষ্ঠ ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অসম বিজ্ঞান সমিতিৰ আজীৱন সদস্য, লক্ষীপুৰ শাখাৰ প্ৰতিষ্ঠাপক সভাপতি তথা লক্ষীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মাননীয় শ্ৰীযুত যতীশ চক্ৰৱৰ্তী, আজীৱন সদস্য তথা লক্ষীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা মাননীয়া শ্ৰীযুতা ভাগ্যলক্ষী দেৱী বাইদেউ আৰু লক্ষীপুৰ অঞ্চলৰ তালতলা গাওঁৰ সমাজকৰ্মী তথা বলাইখামাৰ এম ভি স্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক মাননীয় শ্ৰীযুত লোকমান হাকিম ডাঙৰীয়াক তেওঁলোকৰ বাসগৃহত উপস্থিত হৈ এখনকৈ ফুলাম গামোচা, মানপত্ৰ, বিজ্ঞানৰ গ্ৰন্থ, কলম আৰু এটিকৈ গছপুলিৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।
















## কাছাড় কলেজে 'আসাম বিজ্ঞান দিবস' পালন

### কুসংস্কারমুক্ত সমাজ গঠনে বৈজ্ঞানিক দৃষ্টিভঙ্গি প্রসারের ডাক

পতাকা উত্তোলন করে 'আসাম বিজ্ঞান দিবস'-এর অনুষ্ঠানের সূচনার পর এক ফ্রেমে অধ্যক্ষ ও শিক্ষকদের সঙ্গে পড়ুয়ারা। শুক্রবার, কাছাড় কলেজে।

যুগশঙ্খ প্রতিবেদন
শিলচর। ১৪ ফেব্রুয়ারি

শুক্রবার আসাম বিজ্ঞান সমিতির শিলচর শাখার উদ্যোগ এবং কাছাড় কলেজের পৃষ্ঠপোষকতায় যথাযোগ্য মর্যাদায় উদযাপিত হলো 'আসাম বিজ্ঞান দিবস'। ১৯৫৩ সালের ১৩ ফেব্রুয়ারি আসাম বিজ্ঞান সমিতি প্রতিষ্ঠিত হয়েছিল। সেই দিনটিকে স্মরণীয় করে রাখতেই প্রতি বছর রাজ্যজুড়ে এই দিবসটি পালন করা হয়।

এদিন অনুষ্ঠানের সূচনা হয় পতাকা উত্তোলনের মাধ্যমে। যৌথভাবে পতাকা উত্তোলন করেন কাছাড় কলেজের অধ্যক্ষ ড. অপ্রতিম নাগ এবং আসাম বিজ্ঞান সমিতি, শিলচর শাখার কার্যকরী সভাপতি ড. মুকুল কুমার বড়ুয়া। পতাকা উত্তোলন শেষে দিনটির তাৎপর্য ব্যাখ্যা করে অধ্যক্ষ ড. অপ্রতিম নাগ বলেন, 'আমাদের সমাজে গেড়ে বসা অন্ধবিশ্বাস ও কুসংস্কারের বিরুদ্ধে আসাম বিজ্ঞান সমিতি জন্মলগ্ন থেকেই আপসহীন লড়াই চালিয়ে আসছে। ছাত্রছাত্রীরা যদি বৈজ্ঞানিক দৃষ্টিভঙ্গি নিয়ে এই লড়াইয়ে সামিল হয়, তবেই সমাজে প্রকৃত চেতনার বিকাশ ঘটবে।'

আসাম বিজ্ঞান সমিতির সুদীর্ঘ পথচলার ইতিহাস তুলে ধরে ড. মুকুল কুমার বড়ুয়া বলেন, ১৯৫৩ সাল থেকে নিরবচ্ছিন্ন কাজের মাধ্যমে এই সমিতি আজ ভারতের অন্যতম অগ্রণী বিজ্ঞানমূলক সংস্থায় পরিণত হয়েছে। অন্যদিকে, সমিতির শিলচর শাখার সম্পাদক ড. বিশ্বজিৎ দেববায় শিক্ষার্থীদের এই আন্দোলনের শরিক হওয়ার আহ্বান জানিয়ে বলেন, তরুণ প্রজন্মকে বৈজ্ঞানিক অনুসন্ধিৎসার সঙ্গে যুক্ত করা বর্তমান সময়ে অত্যন্ত জরুরি।

অনুষ্ঠানে অন্যদের মধ্যে উপস্থিত ছিলেন সমিতির সহসভাপতি ড. নীলম বসুমাতারি, সহসম্পাদিকা ড. শ্বেতস্মিতা নাথ এবং নরসিং উচ্চ মাধ্যমিক বিদ্যালয়ের রসায়ন শিক্ষক মৃণাল কান্তি দে। এছাড়াও উপস্থিত ছিলেন কলেজের বরিষ্ঠ অধ্যাপক ড. পারমিতা দাস, ড. কজেন বসুমাতারি, ড. সোমা আচার্য, রূপজিৎ ব্যানার্জি, অঙ্কিতা ঘোষ প্রমুখ। অনুষ্ঠানটি পরিচালনা করেন সমিতির সম্পাদক ড. বিশ্বজিৎ দেববায় এবং কোষাধ্যক্ষ ড. গায়ত্রী ঘোষ।

সমিতির পক্ষ থেকে আরও জানানো হয় যে, আগামী ২৮ ফেব্রুয়ারি 'জাতীয় বিজ্ঞান দিবস' উপলক্ষে এক বিশেষ বক্তৃতানুষ্ঠানের আয়োজন করা হয়েছে। ওই অনুষ্ঠানে বিজ্ঞানে বিশেষ অবদানের স্বীকৃতিস্বরূপ ৭৫ বছর ঊর্ধ্ব তিন প্রবীণ ব্যক্তিত্বকে সম্মাননা প্রদান করা হবে। উল্লেখ্য, আগামী বছর সমিতির ৭৫ বছর পূর্তি তথা প্লাটিনাম জুবিলি বর্ষ উপলক্ষে বছরব্যাপী বর্ণাঢ্য কর্মসূচি গ্রহণের পরিকল্পনাও নেওয়া হয়েছে।

# Sivasagar Branch :













ASAM BIGYAN DIVAS
( FOUNDATION DAY OF A.S.S.)
CUM
FELICITATION PROGRAMME
Organised by-
Simla Branch
ASSAM SCIENCE SOCIETY
Venue: Excellence Academy, Hazuwa
Date: 13th February, 2026


ASAM BIGYAN DIVAS
FELICITATION PROGRAMME
Simla Branch


ASAM BIGYAN DIVAS
OPPO Reno7 5G
Bhabin 2026.02.13 14:30


ASAM BIGYAN DIVAS
FELICITATION PROGRAMME


ASAM BIGYAN DIVAS
FELICITATION PROGRAMME




FOUNDATION DAY












# Lala Branch

Lala Branch : We proudly organized a heartfelt felicitation program at the BEEO Office, Lala, to honor three of the senior-most teachers for their lifelong dedication and invaluable contribution to the field of education.















গোৰেশ্বৰ শাখাঃ অসম বিজ্ঞান সমিতি, গোৰেশ্বৰ শাখাই অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস (অসম বিজ্ঞান দিৱস) টি শিঙিমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰে। অনুষ্ঠানত শিঙিমাৰী উ: মা: বিদ্যালয়ৰ লগতে কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী অংশগ্ৰহন কৰে। কাৰ্যসূচীৰ অংশ হিচাপে পুৱা পতাকা উত্তোলন, বৃক্ষৰোপণ আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। দিনৰ ১ বজাৰ পৰা আৰম্ভ হোৱা মুকলি সভাত মাননীয় গিৰীণ চন্দ্ৰ ডেকা দেৱক গামোচা মানপত্ৰ আৰু মহানিম গছৰ পুলিৰে সম্বৰ্ধনা জনোৱা হয়। অন্য দুজন ক্ৰমে মাননীয় খৰ্গেশ্বৰ দাস আৰু মাননীয় অমীন্দ্ৰ নাথ দেৱক ঘৰলৈ গৈ সম্বৰ্ধনা জনোৱা হয়। সভাত শিঙিমাৰী উ: মা: বিদ্যালয়ৰ অধক্ষ্যা মাননীয়া মাকন বৰ্মন, ধৰ্মকান্ত ৰাজবংশী, লতিফ চৌধুৰী আদি অতিথি সকলে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি ভাষণ দিয়াৰ লগতে মাননীয় গিৰীণ চন্দ্ৰ ডেকাদেৱে মনৰ ভাৱ ব্যক্ত কৰে। সভাত ছাত্ৰছাত্ৰী সকলে বিভিন্ন গীত-নৃত্য আদি পৰিৱেশন কৰে আৰু প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত সকলক মানপত্ৰ আৰু কিতাপৰ টোপোলা প্ৰদান কৰা হয়।













বিহপুৰীয়া শাখাঃ অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বিহপুৰীয়া সমাজ জীৱনলৈ আগবঢ়োৱা সেৱাৰ বাবে আমাৰ তৰফৰপৰা শ্ৰদ্ধাৰ শ্ৰীযুত হৰি প্ৰসন্ন হাজৰিকা, শ্ৰীযুত সুৰেশ বৰা আৰু শ্ৰীযুত ডিম্বেশ্বৰ সোণোৱালদেৰক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। এই কাৰ্যসূচী সফল ৰূপায়ণৰ ক্ষেত্ৰত বৰ্তমানৰ বিহপুৰীয়া শাখাৰ সন্মানীয় উপদেষ্টা দুলাল চন্দ্ৰ মহন্ত আৰু দিলীপ কাকতি দেৱৰ সৈতে সভাপতি বিজয় দত্ত আৰু কাৰ্যকৰী সভাপতি যোগেন চন্দ্ৰ বৰাদেৱে সহযোগ কৰাৰ বাবে সম্পাদকৰ তৰফৰপৰা কৃতজ্ঞতা জনালোঁ আৰু অসম বিজ্ঞান সমিতিৰ ভৱিষ্যত উজ্জ্বল কামনা কৰিলোঁ। শ্ৰদ্ধাৰে মৃদুপৱন গগৈ, সম্পাদক অসম বিজ্ঞান সমিতি, বিহপুৰীয়া শাখা।









অসম বিজ্ঞান সমিতি, হাউলী শাখা

ডাকঘৰ ঃ হাউলী, জিলা ঃ বৰপেটা (অসম), ডাক সূচাংক ঃ ৭৮১৩১৬

স্থাপিত ঃ ১৯৯৩ ইং

প্ৰতি,

ভাৰপ্ৰাপ্ত প্ৰধান সচিব অসম বিজ্ঞান সমিতি, পানপাৰা গুৱাহাটী-২২

বিষয় ঃ জ্যেষ্ঠ সদস্যক সম্বৰ্ধনা অনুষ্ঠান।

[illegible]

অনুষ্ঠানৰ চমু বিৱৰণ ঃ

[illegible]

ধন্যবাদেৰে—

সম্পাদক

দীপজ্যোতি দাস












## হাউলীত অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস

গণ অধিকাৰ সেৱা, হাউলী, ১৪ ফেব্ৰুৱাৰী ঃ অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস হাউলী শাখাৰ উদ্যোগত শুক্ৰবাৰে আবেলি ৩ বজাত অসম বিজ্ঞান সমিতিৰ হাউলী শাখাৰ সভাপতি ড০ সনাতন কুমাৰ নাথৰ সভাপতিত্বত হাউলী সাহিত্য ভৱন প্ৰাংগনত উদ্‌যাপন কৰা হয়। উক্ত অনুষ্ঠানত বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অসম বিজ্ঞান সমিতিৰ আজীৱন জেষ্ঠ্যে সদস্য তথা হাউলী বুনিয়াদী প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ অধীৰ কুমাৰ চক্ৰবৰ্ত্তী আৰু হাউলী আদৰ্শ বিদ্যাপীঠ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক নৃপেন্দ্ৰ কুমাৰ পূজাৰীক বিশেষ ভাৱে সম্বৰ্ধনা জনোৱা হয়। সভাৰ আৰম্ভণিতে ড০ সনাতন কুমাৰ নাথে হাউলী শাখাকে ধৰি অসম বিজ্ঞান সমিতিৰ ইহলীলা সম্বৰণ কৰা সদস্যৰ আত্মাৰ চিৰ শান্তি কামনাৰে বন্তিপ্ৰজ্বলন কৰে আৰু স্মৃতি তৰ্পণ কৰে। সভাত শ্ৰী নৃপেন্দ্ৰ পূজাৰী, অধীনৰ কুমাৰ চক্ৰবৰ্তী, সহৰ আলী কাজী, ছমীৰ খান,ডাঃ মনচুৰ ৰহমান শিকদাৰ আৰু নন্দিতা দাসে উপস্থিত থাকি বিজ্ঞান জনপ্ৰিয়কৰণ , বিজ্ঞানক ৰাইজৰ মাজতলৈ যোৱা, অন্ধ বিশ্বাস দূৰ কৰা ছাত্ৰ-ছাত্ৰীৰ বৈজ্ঞানিক মানসিকতা বৃদ্ধিৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰাৰ আহ্বান জনায়। সভাৰ শেষত অসম বিজ্ঞান সমিতিৰ শাখাৰ সম্পাদক দীপজোতি দাসে শলাগৰ শৰাই আগবঢ়ায়।






## অসম বিজ্ঞান সমিতি পূৱ কামৰূপ শাখাৰ উদ্যোগত অসম বিজ্ঞান দিৱস (প্ৰতিষ্ঠা দিৱস)উদযাপন

**গণ সংবাদ, কমলপুৰ,১৪ ফেব্ৰুৱাৰীঃ** কামৰূপৰ বাইহাটা চাৰিআলিস্থিত পূব কামৰূপ মহাবিদ্যালয়ত অসম বিজ্ঞান সমিতি পূব কামৰূপ শাখাৰ উদ্যোগত অসম বিজ্ঞান দিৱস (প্ৰতিষ্ঠা দিৱস) উদযাপন কৰা হয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজন কৰা অনুষ্ঠানত বিজ্ঞান শীৰ্যক এক বক্তৃতা অনুষ্ঠান ৰূপায়িত হয়। য'ত সমল ব্যক্তি হিচাপে উপস্থিত থাকে পূব কামৰূপ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক বিপুল ডেকা। ডেকাই উপস্থিত থাকি সাধাৰণতে বিজ্ঞানে মানৱ সমাজৰ ওপৰত কিদৰে প্ৰভাৱ বিস্তাৰ কৰি আহিছে তাৰ ওপৰত এক আলোকপাঠ কৰে। তাৰপাছত সভাত তিনি গৰাকী বিশিষ্ট ব্যক্তিক বিশেষ সম্বৰ্ধনা জনোৱা হয়। একাদিক্ৰমে সম্বৰ্ধনা জনাই শাখাৰ ৩ গৰাকী জেষ্ঠ্যতম সদস্যলৈ ক্ৰমে- ফুলেশ্বৰ ধিং অৱসৰ প্ৰাপ্ত অধ্যক্ষ পূব কামৰূপ মহাবিদ্যালয়, জিতেন্দ্ৰ নাথ গোস্বামী অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক, আগডলা চাৰিআলি উ: মা: বিদ্যালয়, দিলনুৰ আলী চৌধুৰী অৱসৰ প্ৰাপ্ত শিক্ষক, আগডলা চাৰিআলি উ: মা: বিদ্যালয়। এই অনুষ্ঠানটিত অসম বিজ্ঞান সমিতি পূব কামৰূপ শাখাৰ সভাপতি আয়েজ আলীয়ে আঁত ধৰাৰ পিছত শলাগৰ শৰাই আগবঢ়াই সম্পাদক অলটাফ হুছেইন খণ্ডকৰে।















শদিয়া শাখাঃ আজি অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস উদযাপনৰ কিছু সোনসেৰীয়া মুহূৰ্ত। চুনপুৰা মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক-শ্ৰীযুত তোলন কুমাৰ দেউৰী, উজনি শদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ- শ্ৰীযুত অগম চন্দ্ৰ গগৈ আৰু সমাজকৰ্মী শ্ৰীযুত মুকুট বুঢ়াগোহাঁই দেৱৰ সম্বৰ্দ্ধনা পৰ্ব ।





# পশ্চিম দৰং শাখা

পশ্চিম দৰং শাখাঃ আমাৰ দ্বাৰা ৩ গৰাকী অৱসৰী শিক্ষকক সম্বৰ্দ্ধনা জনোৱা হয়। দিপীলাস্থিত গ্ৰীণ ষ্টাৰ কোচিং চেণ্টাৰত অনুষ্ঠিত এই অনুষ্ঠানত বুঢ়া লোকপ্ৰিয় বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক মাননীয় ফুল মহম্মদ আলী, শান্তিপুখুৰী হাই মাদ্ৰাছাৰ অৱসৰী অধীক্ষক হৰেশ ডেকা চাৰ আৰু দিপীলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক কমলা কান্ত ডেকা চাৰক সম্বৰ্দ্ধনা জনোৱা হয়। সভাত সভাপতিত্ব কৰে শাখাৰ সভাপতি মাননীয় শিশিৰ কুমাৰ শৰ্মাই।























আমবাগান শাখাঃ  অসম বিজ্ঞান সমিতিৰ বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস উদযাপন। শাখাৰ অধীনস্থ তিনিজন জ্যেষ্ঠ ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন।














বকো শাখাঃ আজি ১৩ ফেব্রুৱাৰী, ২০২৬ খ্রীষ্টাব্দ শুক্রবাৰে চতুৰ্থ সংখ্যক অসম বিজ্ঞান দিৱস অৰ্থাৎ অসম বিজ্ঞান সমিতিৰ ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱসটি বকো শাখাই বকো মজলীয়া বিদ্যালয়ত ইতিমধ্যে কাৰ্যনিৰ্বাহক সভাৰ সিদ্ধান্ত মৰ্মে শাখাৰ সভাপতি ধ্ৰুৱজ্যোতি মেধি আৰু সম্পাদক নৱ কুমাৰ নাথৰ তৎপৰতাত অনুষ্ঠিত কৰে। ১৯৫৩ চনৰ ১৩ ফেব্রুৱাৰীত গঠিত 'গৌহাটী বিজ্ঞান সমিতি'খন ১৯৫৬ চনত 'অসম বিজ্ঞান সমিতি' হিচাপে নামাকৰণ হয়। পিছলৈ ২০২৩ চনৰ পৰা প্ৰতিষ্ঠা দিৱসটিক 'অসম বিজ্ঞান দিৱস' হিচাপে পালন কৰিবলৈ আৰম্ভ কৰে। প্ৰথমে পুৱাৰ ভাগত বিদ্যালয়ৰ অন্তৰ্ভাগত ৰোপিত গছৰ পুলিৰ গুৰিত শিক্ষাৰ্থীৰ সহযোগত শাখাৰ অন্যতম এগৰাকী উপ-সভানেত্ৰী ড° বিজয়া ডেকাই জল অৰ্পণেৰে প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠান আৰম্ভ কৰে আৰু ইয়াৰ পিছতে তেখেতে সমিতিৰ পতাকা উত্তোলন কৰে। শাখাৰ সম্পাদক নৱ কুমাৰ নাথে আঁত ধৰা অনুষ্ঠানটিত বিদ্যালয়খনৰ প্ৰধান শিক্ষক বলেন চন্দ্ৰ দাস, প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য তথা শাখাৰ প্ৰাক্তন সম্পাদক পৱিত্ৰ কৈৱৰ্ত্ত, বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী ক্ৰমে পদ্মলোচন ৰাভা, নিৰঞ্জন ৰাভা, জয়নুৰ আলী, লব ৰাভা তথা ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক-অভিভাৱিকা আদি উপস্থিত থাকে। ইয়াৰ পিছত দুপৰীয়াৰ ভাগত ছাত্ৰ-ছাত্ৰীক বিজ্ঞান মানসিকতা গঢ়াৰ সজাগতামূলক সভাৰ লগতে শাখাৰ ৭৫ বছৰ বয়সৰ বা উৰ্ধ্বৰ বিজ্ঞান কৰ্মীক সম্বৰ্ধনা জনোৱা এখন সভা অনুষ্ঠিত হয়। অসম বিজ্ঞান সমিতিয়ে পোনপ্ৰথমবাৰৰ লোৱা বিশেষ এই সম্বৰ্ধনা কাৰ্যসূচীৰ বাবে শাখাত উক্ত নিয়মৰ আওতাত চাৰিগৰাকী ব্যক্তি বাছনিকৃত হৈছিল। ইয়াৰে শাখাৰ প্ৰতিষ্ঠাপক সভাপতি তথা জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকোৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ মহোদয় উপস্থিত হ'ব নোৱাৰিলেও অৱসৰপ্ৰাপ্ত সাংস্কৃতিক বিষয়া, বকো সাংস্কৃতিক কেন্দ্ৰৰ শ্ৰীযুত কেশৱ চন্দ্ৰ ৰাভা, বকো ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক শ্ৰীযুত নলিনী শৰণীয়া আৰু বকো ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা বকো সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত নগেন কলিতা মহোদয়ত্ৰয় উপস্থিত হয়। সভাখনত শাখাৰ উপ-সভানেত্ৰী ড° বিজয়া ডেকাই সভাপতিত্ব কৰে আৰু সম্পাদক নৱ কুমাৰ নাথে উদ্দেশ্য ব্যাখ্যা কৰাৰ পিছত কেন্দ্ৰীয় সমিতিৰ পৰা প্ৰেৰিত সম্বৰ্ধনা পত্ৰক বন্ধাই অসমীয়া জাতিৰ মান এখন গামোচা আৰু কিতাপেৰে উপস্থিত জ্যেষ্ঠ বিজ্ঞান কৰ্মীত্ৰয়ক সম্বৰ্ধনা জনোৱা হয়।








ঢকুৱাখনা শাখাঃ অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱসটি আজি ১৩ ফেব্ৰুৱাৰী ২০২৬ তাৰিখে অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ উদ্যোগত এক বিশেষ অগতানুগতিক কাৰ্যসূচীৰে মেগামিক্স প্ৰকৃতি সংঘ, ঢকুৱাখনাৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। পুৱা ৯.০০ বজাত অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ সভাপতি দেৱজিৎ ফুকনদেৱে অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ পতাকা উত্তোলনেৰে আৰম্ভ হয় আজিৰ অনুষ্ঠান। স্মৃতি তৰ্পণ কাৰ্যসূচী আৰম্ভ কৰে শাখাৰ মুখ্য উপদেষ্টা দ্বিগেন্দ্ৰ নাথ হাজাৰিকাদেৱে। ১০.০০ বজাৰ পৰা ঢকুৱাখনা সমজিলাৰ বিভিন্ন বিদ্যালয়লৰ ছাত্ৰছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। আবেলি ৩.০০ বজাৰ পৰা আৰম্ভ হয় জনপ্ৰিয় বক্তৃতা অনুষ্ঠান। শাখাৰ সম্পাদক বিমান সন্দিকৈয়ে আঁতধৰা অনুষ্ঠানতিৰ সভাপতিৰ আসন গ্ৰহণ কৰে শাখাৰ সভাপতি দেৱজিৎ ফুকনদেৱে। অনুষ্ঠানটিৰ উদ্বোধন কৰে অসম বিজ্ঞান সমিতিৰ উপসভাপতি ডঃ অমল চন্দ্ৰ দত্তদেৱে। জনপ্ৰিয় বক্তৃতা অনুষ্ঠানৰ মুখ্য বক্তা হিচাপে উপস্থিত আছিল ঢকুৱাখনা মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক অমিয় কুমাৰ সন্দিকৈ। তেখেতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত মানৱ সমাজৰ ভুমিকা আদিৰ দিশত খুব সাৱলীল বক্তৃতা প্ৰদান কৰে। বিশেষ সম্বৰ্ধনা অনুষ্ঠানত অসম বিজ্ঞান সমিতিৰ তৰফৰ পৰা ৭৫ বছৰ উৰ্দ্ধৰ আজীৱন সদস্যৰ সম্বৰ্ধনা পত্ৰ, গামোছা, কিতাপৰ টোপোলা আদি প্ৰদান কৰা হয় ।











বিশেষ ভাৱে নিৰ্বাচিত শাখাৰ প্ৰাক্তন সভাপতি, অৱসৰী অধ্যক্ষ তথা মেগামিক্স প্ৰকৃতি সংঘৰ বৰ্তমানৰ সভাপতি চেনিৰাম বৰুৱা, শাখাৰ প্ৰাক্তন সভাপতি তথা অৱসৰী অধ্যক্ষ লিখন চন্দ্ৰ বুঢ়াগোহাঁই আৰু শাখাৰ প্ৰাক্তন সভাপতি,শাখাৰ মুখ্য উপদেষ্টা তথা অসম বিজ্ঞান সমিতিৰ শ্ৰেষ্ঠ বিজ্ঞান কৰ্মীৰ বঁটাপ্ৰাপক দ্বিগেন্দ্ৰ নাথ হাজৰিকাক সম্বৰ্ধনা পত্ৰ অৰ্পণ কৰা হয় ।










নতুন স্বদেশ

# অসম বিজ্ঞান সমিতি ডিব্ৰুগড় শাখাৰ প্ৰতিষ্ঠা দিৱস পালন

*৩ গৰাকী ৭৫ উৰ্ধৰ বিজ্ঞানীক সম্বৰ্ধনা*

নতুন স্বদেশ, ডিব্ৰুগড়, 13 ফেব্ৰুৱাৰী : বিজ্ঞানৰ প্ৰচাৰ প্ৰসাৰৰ অৰ্থে 1953 চনতে গুৱাহাটীত "গৌহাটী বিজ্ঞান সমিতি" নামেৰে গঢ়লৈ উঠা অনুষ্ঠানটিয়ে 1956 চনত 'অসম বিজ্ঞান সমিতি' নামেৰে পৰিচিত হৈ বৰ্তমান পাঁচ শতাধিক শাখাৰে অসমৰ চুকে কোণে জাতিস্কাৰ হৈ পৰিছে। 13 ফেব্ৰুৱাৰী অনুষ্ঠানটিৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি এইবাৰ কেন্দ্ৰৰ তৰফৰ পৰা শাখা সমূহলৈ দিয়া নিৰ্দেশ অনুসৰি যাঠিৰ দশকতে গঢ়লৈ উঠা অন্যতম পুৰণি শাখা ডিব্ৰুগড় শাখাই 75 বছৰৰ উৰ্ধৰ তিনিগৰাকী বিজ্ঞানীক সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠানৰ লগতে 'নিচাজাতীয় দ্ৰব্যৰ অপকাৰিতা' সম্পৰ্কত এক বক্তৃতানুষ্ঠানৰো আয়োজন কৰে। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ সহযোগত অনুষ্ঠিত অনুষ্ঠানটিত সভাপতিত্ব কৰে ডিব্ৰুগড় শাখাৰ সভাপতি, কানৈ মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ অৱসৰী মুৰব্বী অধ্যাপিকা ড0 ভাৰতী দত্তই। শাখাৰ সম্পাদক নাছিৰ চুলতানে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটি উদ্বোধন কৰি মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড0 পাৰ্থ গাংগুলিয়ে বিজ্ঞান সমিতিয়ে বিজ্ঞানৰ প্ৰচাৰ তথা প্ৰসাৰৰ অৰ্থে কৰি অহা কাৰ্যৰ প্ৰশংসা কৰে। ডিব্ৰুগড় শাখাৰ কাৰ্যাৱলীৰ অনুকৰণীয় দিশ সমূহো তেখেতে উল্লেখ কৰে। সম্বৰ্ধনা অনুষ্ঠানটিৰ আঁত ধৰে শাখাৰ কাৰ্যকৰী সভানেত্ৰী সুদক্ষিণা দাসে। সম্বৰ্ধিত তিনিগৰাকী ব্যক্তি যথাক্ৰমে ডাঃ ৰমা প্ৰসাদ মেধি, ড0 কুঞ্জলতা দেউৰী আৰু ড0 মুহিবুল ইছলামে তেখেতসকলৰ কৰ্মৰ স্বীকৃতি স্বৰূপে সম্বৰ্ধনা জনোৱাত ডিব্ৰুগড় শাখাৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। ড0 মুহিবুল ইছলামে তাহানিতে অসম বিজ্ঞান সমিতিৰ সৈতে থকা ওতপ্ৰোত সম্পৰ্কৰ কথা শ্ৰদ্ধাৰে সোঁৱৰে। কেন্দ্ৰীয় সমিতিৰ সভাপতি সম্পাদক আৰু ডিব্ৰুগড় শাখাৰ সভাপতি, সম্পাদকৰ দ্বাৰা স্বাক্ষৰিত সম্বৰ্ধনা পত্ৰ, ফুলাম গামোছা আৰু একোটি গ্ৰন্থৰ টোপোলাৰে তেখেতসকলক সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা পত্ৰ পাঠ কৰে শাখাৰ সভাপতি ড0 ৰঞ্জিত সিংহ, টিকেন্দ্ৰজিৎ*(দুই পৃষ্ঠাত)*










গৌৰীসাগৰ দিখৌমুখ শাখাঃ অসম বিজ্ঞান সমিতিৰ ৭৪ তম প্ৰতিস্থা দিৱসৰ শুভ ক্ষণত সমূহ সদস্যলৈ গৌৰীসাগৰ দিখৌমুখ শাখাৰ তৰফৰ পৰা সেউজ ভৰা শুভেচ্ছা যাচিলো। এই বৰ্ণিলময় যাত্ৰা চিৰসেউজ হৈ চিৰপ্ৰৱাহিত হৈ ৰওক।












ধনশিৰি শাখাঃ আজি "অসম বিজ্ঞান দিৱস“ উদযাপন কৰো গোহাঁই গাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাঙ্গনত ছাত্ৰ-ছাত্ৰী সকলৰ মাছত শক্তি সংৰক্ষণৰ বিষয়ত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰি বিজয়ী প্ৰতিযোগী সকলক পুৰস্কৃত কৰা হয়। তাৰ পাছত ৭৫ উৰ্ধৰ দুজন আজীৱন সদস্যক ঘৰতে গৈ সম্বৰ্ধনা জনোৱা হয়।










JB Branch: The J.B. branch of Assam Science Society celebrates " Assam Science Day" i.e. the foundation Day of Assam Science Society on 13th February,2026 with a day long program at Baguan Girl's High School, Goalpara. The flag of Assam Science Society is hoisted at 10 AM by Dr Ruhul Amin, president of the J.B. branch.In the open meeting three numbers of invited guests namely Sri Nalini kanta Nath (founder President of JB branch) Sri Tikeswar Nath(Rtd S.T and writer)and Habibor Rahman(ex superintendent of RHM) are felicitated as per the direction of central committee of Assam Science Society.











## বিশিষ্ট শিক্ষাবিদক সম্বৰ্দ্ধনা, বৈজ্ঞানিক চেতনাৰ ওপৰত গুৰুত্ব আৰোপ

# অসম ডনবস্ক’ বিশ্ববিঃত অসম বিজ্ঞান দিৱস





Don Bosco Branch: The Assam Don Bosco University– Assam Science Society Chapter celebrated Assam Science Day, commemorating the 74th Foundation Day of the Assam Science Society, with great enthusiasm and academic spirit at the university campus. Dr. Nibedita Kapil, Head, Department of Chemistry, Assam Don Bosco University, hosted the program. The event commenced with a welcome song, followed by a welcome address by Prof. Krishna Gopal Bhattacharyya, President of the Chapter. The Hon’ble Vice Chancellor, Fr. Jose Palely, addressed the gathering and emphasized the importance of scientific temper, innovation, and socially responsible research. A major highlight of the celebration was the felicitation of eminent academicians in recognition of their lifelong dedication, outstanding contributions to science, and exemplary service to society. The honorees- Prof. Parimal Chandra Bhattacharjee, Retired Professor, Department of Zoology, Gauhati University; Prof. Jai Narain Vishwakarma, Director of Research, Assam Don Bosco University; and Prof. Jayanti Chutia, Former Director

Prof. Jayanti Chutia, Former Director of the Institute of Advanced Study in Science and Technology- were honored for their distinguished achievements in research, academic leadership, and their unwavering commitment to advancing scientific knowledge and mentoring future generations. The programme also featured a popular talk by Dr. Dinesh Baishya, Director, IKS, Assam Don Bosco University, who spoke spoke on the history of Assamese scientific literature. Certificates were distributed to members of the Assam Science Society, Assams Don Bosco University Chapter and the event concluded with a vote of thanks proposed by Dr. Sumita K. Sharma Assistant Professor, Department of Physics, Assam Don Bosco University.

বৰভাগ শাখাঃ অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস উপলক্ষ্যে বিশেষ সম্বৰ্ধনা ১৩ ফেব্ৰুৱাৰী- অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অসম বিজ্ঞান সমিতিৰ বৰভাগ শাখাই আজি এলানি বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰে। এই বিশেষ দিনটোত অসম বিজ্ঞান সমিতিৰ বৰভাগ শাখাৰ পৰা সমিতিৰ নিৰ্বাচিত আজীৱন সদস্য তিনিগৰাকীক কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে সম্বৰ্ধনা জনোৱা হয়। সমিতিৰ জ্যেষ্ঠ সদস্য ক্ৰমে কনক চন্দ্ৰ লহকৰ, অৱসৰ প্ৰাপ্ত অধ্যাপক, বৰভাগ মহাবিদ্যালয় কালাগ, বৰভাগ,ফণীধৰ ডেকা, অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ, বৰভাগ মহাবিদ্যালয়, কালাগ, বৰভাগ আৰু প্ৰফুল্ল ডেকা, অৱসৰ প্ৰাপ্ত অধ্যাপক বি. বি. কে. মহাবিদ্যালয়, নগাঁও (বৰপেটা)ক তেখেত সকলৰ বাসগৃহত উপস্থিত হৈ বিশেষ ভাবে সম্বৰ্ধনা জনোৱা হয়। অসম বিজ্ঞান সমিতিৰ বৰভাগ শাখাৰ সভাপতি , বিজ্ঞান লেখক অধ্যাপক মহানন্দ পাঠক আৰু বৰভাগ শাখাৰ সম্পাদক তথা কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য , বিজ্ঞানকৰ্মী প্ৰদীপ মহন্তৰ নেতৃত্বত শাখাটোৰ এটি দলে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। নিৰ্বাচিত জ্যেষ্ঠ আজীৱন সভ্য সকলক গামোচা, এখন মানপত্ৰ, বিজ্ঞানৰ গ্ৰন্থ, একোটা বেগ আৰু অন্যান্য সামগ্ৰীৰে সম্বৰ্ধনা জনাই।







টুমপ্ৰেং শাখাঃ আজি অসম বিজ্ঞান সমিতিৰ “প্ৰতিষ্ঠা দিৱস” উপলক্ষে আমাৰ সম্বৰ্ধনা জনোৱা কাৰ্যসূচীৰ কেইটামান মুহূৰ্তৰ ফটো।















অসম বিজ্ঞান সমিতি

# দক্ষিণ কামৰূপ শাখাৰ জ্যেষ্ঠ বিজ্ঞান কৰ্মীক সম্বৰ্ধনা



নিয়মীয়া বাৰ্তা, ৰামপুৰ, ১৪ ফেব্ৰুৱাৰী ঃ অসম বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি আৰু অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ অনুসৰি দক্ষিণ কামৰূপ (মিৰ্জা) শাখাৰ উদ্যোগত ১৩ ফেব্ৰুৱাৰীত তিনিগৰাকী জ্যেষ্ঠ বিজ্ঞান কৰ্মী ক্ৰমে দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জাৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অৱসৰী মুৰব্বী অধ্যাপক তথা গুৱাহাটীৰ গোটানগৰৰ নিবাসী ড° অনিল কুমাৰ তালুকদাৰ, ৰসায়ন বিজ্ঞান বিভাগৰ অৱসৰী মুৰব্বী অধ্যাপক তথা মিৰ্জাৰ নিবাসী ড° হৰিশংকৰ কাকতি আৰু ডাঃ দেৱেশ্বৰ দাসক ফুলাম গামোচা আৰু মানপত্ৰৰে ঘৰে ঘৰে গৈ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উল্লেখ্য যে উক্ত তিনিওগৰাকী সন্মানীয় ব্যক্তি বিজ্ঞান সমিতিৰ লগত ওতপ্ৰোতভাৱে জড়িত। উক্ত কাৰ্যসূচীত অংশ লয় বিজ্ঞান সমিতিৰ দক্ষিণ কামৰূপ শাখাৰ সাধাৰণ সম্পাদক প্ৰতাপ মালী, কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য প্ৰসেনজিৎ কলিতা, আজীৱন সদস্য ৰবীন দাস, যুগলানন্দ দাস আৰু দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক দুৰ্লভ নাৰায়ণ সিংহই।

## অসম বিজ্ঞান সমিতিৰ দক্ষিণ কামৰূপ শাখাৰ উদ্যোগত জ্যেষ্ঠ বিজ্ঞান কৰ্মীক সম্বৰ্দ্ধনা



## বিশ্বনাথ নগৰৰ প্ৰৱেশদ্বাৰত


দেৰগাঁও শাখাঃ দেৰগাঁৱত অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস পালন, তিনিগৰাকী জ্যেষ্ঠ আজীৱন সদস্যক সম্বৰ্ধনা দেৰগাঁও, ১৩ ফেব্ৰুৱাৰীঃ অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে অসম বিজ্ঞান সমিতিৰ দেৰগাঁও শাখাৰ উদ্যোগত পি এম শ্ৰী দেৰগাঁও বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগনত পালন কৰা হয়। অসম বিজ্ঞান দিৱস হিচাপে পালন কৰা কাৰ্য্যসূচীত দেৰগাঁও শাখা বিজ্ঞান সমিতিৰ তিনি গৰাকী জ্যেষ্ঠ আজীৱন সদস্য ক্ৰমে বিশিষ্ট বিজ্ঞানী ড০ চৌধুৰী নাথ শইকীয়া, ড০ প্ৰমোদ চন্দ্ৰ দত্ত, আৰু দুলাল অধ্যাপকক অসম বিজ্ঞান সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। দেৰগাঁও বিজ্ঞান সমিতিৰ সভাপতি ড০ মনোজ জ্যোতি হাজৰিকাই সঞ্চালনা কৰা আৰু সম্পাদক ড০ সঞ্জয় কুমাৰ হাজৰিকাই আঁত ধৰা সভাখনত ড০ প্ৰমোদ চন্দ্ৰ দত্ত আৰু দুলাল অধ্যাপকে বক্তব্য প্ৰদান কৰে। পি এম শ্ৰী দেৰগাঁও বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ চিদানন্দ পাঠকে উদ্বোধন কৰা আৰু বিজিত ৰঞ্জন শইকীয়াই আঁতধৰা 'বিজ্ঞান জনপ্ৰিয়কৰণত অসম বিজ্ঞান সমিতিৰ ভূমিকা' শীৰ্ষক আলোচনাত বহু কেইগৰাকী ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভাৰ অন্তত হোৱা কাৰ্যনিৰ্বাহক বৈঠকত অসম বিজ্ঞান সমিতিৰ দেৰগাঁও শাখাৰ উদ্যোগত আগন্তুক ২০২৭ বৰ্ষত দেৰগাঁৱত অনুষ্ঠিতব্য অসম বিজ্ঞান সমিতিৰ ৫৬ সংখ্যক দ্বি বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি সম্পৰ্কত বিস্তৃত আলোচনা কৰা হয়। সভাত প্ৰদীপ বৰা, ৰাজেন পূজাৰী, প্ৰতাপ চন্দ্ৰ কন্দলী, জ্যোতি কুমাৰী শৰ্মা বৰঠাকুৰ, কল্পনা বৰা দত্ত, মৃগাংক ঠাকুৰ, আয়েচা হান্নান আদিয়ে অংশগ্ৰহণ কৰি গঠনমূলক পৰামৰ্শ দাঙি ধৰে ।








## দেৰগাঁৱত অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস পালন



THE ASSAM TRIBUNE, GUWAHATI 9

## Preparations for Assam Science Day at Dergaon on

CORRESPONDENT

DERGAON, Feb 10: Preparations are on to celebrate Assam Science Day, the foundation day of the Assam Science Society (ASS), the apex body of science popularization in Assam, under the aegis of the Dergaon branch of ASS, on February 13 at Dergaon with an extended programme.

Dergaon branch secretary, Dr Sanjoy Kr Hazarika, informed that the event will be held at PM SHRI Dergaon Girls' Higher Secondary School, where three senior life members of ASS through the Dergaon branch, namely, retired scientist and writer Dr Choudhury Nath Saikia, retired head of Chemistry Department at DKD College Dr Promod Chandra Dutta, and retired popular mathematics teacher at Dergaon Indranee Devi Higher Secondary School, Dulal Adhyapak, will be accorded felicitation for their outstanding contributions to science popularization on behalf of ASS.

The programme will be chaired by the branch president, Dr Manoj Jyoti Hazarika, and will include a panel discussion on 'The role of Assam Science Society in Science Popularization'. This will be followed by an executive meeting of the branch.

Assam Science Society is a voluntary organization established as 'Gauhati Science Society' in 1953 on February 13 and subsequently renamed as Assam Science Society in 1966 to encompass the entire State of Assam to serve the society.


অসম বিজ্ঞান সমিতিৰ জন্মদিনৰ দিনা
পৱিত্ৰ কুমাৰ কলিতা ডাঙৰীয়ালৈ ৰঙিয়া
বিজ্ঞান সমিতিৰ পৰা আদৰ সম্বৰ্দ্ধনা।
১৩/০২/২০২৬


ডা: চন্দ্ৰধৰ ডেকা ডাঙৰীয়াক সম্বৰ্দ্ধনা
ৰঙিয়া শাখাৰ পৰা । ১৩/০২/২০২৬



ৰঙিয়া শাখাৰ পৰা আদ্যনাথ চাৰলৈ
সম্বৰ্দ্ধনা ,১৩/০২/২৬

Tezpur Branch: The Tezpur Branch of the Assam Science Society celebrated Assam Bigyan Diwas 2026 and organized a felicitation programme on the occasion of the Foundation Day of the Assam Science Society.












Doomdooma Branch: On the occasion of foundation day Doomdooma Branch felicited General Secretary Dhirendra Nath Deka, Treasurer Arjun Chandra Baruah and Past president Mahim Chandra Deka in absentia at their respective residences.







## সম্বৰ্ধনা জ্ঞাপন

ডুমডুমা ঃ নিজা বাতৰি দিওঁতা, ১৫ ফেব্ৰুৱাৰী ঃ যোৱা ১৩ ফেব্ৰুৱাৰীত অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে তথা কেন্দ্ৰীয় সমিতিৰ আহ্বান মৰ্মে অসম বিজ্ঞান সমিতিৰ ডুমডুমা শাখাই শাখাৰ অন্তৰ্গত ৭৫ বছৰ বয়সৰ উৰ্ধ্বৰ তিনি গৰাকী সভ্য ক্ৰমে, শাখাৰ সম্পাদক ধীৰেন্দ্ৰ নাথ ডেকা, কোষাধ্যক্ষ অৰ্জুন চন্দ্ৰ বৰুৱা আৰু শাখাৰ প্ৰাক্তন সভাপতি মহিম চন্দ্ৰ ডেকাক তেওঁলোকৰ ঘৰে ঘৰে গৈ কেন্দ্ৰীয় সমিতিৰ তৰফৰপৰা সম্বৰ্ধনা জনায়। অৱশ্যে মহিম চন্দ্ৰ ডেকা বৰ্তমান গুৱাহাটীত থকাৰ বাবে তেওঁৰ হৈ সম্পৰ্কীয় ব্যক্তি অৰ্জুন চন্দ্ৰ বৰুৱাই সম্বৰ্ধনা গ্ৰহণ কৰে। অসম বিজ্ঞান সমিতিৰ ডুমডুমা শাখাৰ সভানেত্ৰী ড° মীনা দেৱী বৰুৱা, যুটীয়া সম্পাদক উৎপল পূজাৰী আৰু কাৰ্যনিৰ্বাহক সদস্যাদ্বয় দীপালি শইকীয়া আৰু আৰতি সৰকাৰ সোণোৱালৰ দ্বাৰা গঠিত শাখাৰ এটা প্ৰতিনিধি দলে উক্ত ব্যক্তিকেইগৰাকীৰ ঘৰে ঘৰে গৈ সম্বৰ্ধনা জনায়।

ছয়গাঁও শাখাঃ ১৩ ফেব্ৰুৱাৰী ২০২৬ ইংৰাজী তাৰিখ শুক্ৰবাৰে অসম বিজ্ঞান সমিতি, পিমশ্ৰী ছয়গাঁও চৰকাৰী মজলীয়া বিদ্যালয়ৰ সহযোগত অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস "অসম বিজ্ঞান দিৱস" দিনজোৰা কাৰ্য্যসূচীৰে উদযাপন কৰে। ৰাতিপুৱা অসম বিজ্ঞান সমিতিৰ পতাকা উত্তোলন কৰে শাখাৰ সভাপতি শ্ৰী অম্বিকা প্ৰসাদ দেৱ শৰ্মায়। ইয়াৰ পিছতেই ছাত্ৰ ছাত্ৰীৰ মাজত আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। আকস্মিক বক্তৃতা প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে শ্ৰী জ্যোতিস্মিতা কলিতা, পংখী প্ৰিয়ম শালৈ আৰু নীলোৎপল দাসে। নিচুকণি বঁটা লাভ কৰে শ্ৰী উৎপল সাউদে। স্থান লাভ কৰা সকলক মুকলি সভাত বঁটা আৰু মানপত্ৰ প্ৰদান কৰা হয়। আবেলি অনুষ্ঠিত মুকলি সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ডঃ সূৰ্য্য কলিতাই। মুকলি সভাত শাখাৰ ৭৫ বছৰৰ উৰ্ধৰ চাৰিজন সদস্যক ফুলাম গামোচা আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়।













# যোৰহাটত অসম বিজ্ঞান সমিতিৰ প্ৰতি

হাট ঃ ১৩ ফেব্ৰুৱাৰী ঃ অসম বিজ্ঞান সমিতিৰ
ষ্ঠাক প্ৰতিষ্ঠা দিৱস আজি ৰাজ্যখনৰ অন্য
লগতে যোৰহাট শাখায়ো পালন কৰে।
ট বিজ্ঞান সমিতিৰ বৰভেটাত অৱস্থিত
চৌহদত ড° ৰাজেন্দ্ৰ প্ৰসাদ দাসে পতাকা
উত্তোলনেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ
কৰে। যোৰহাট চোলাধৰাৰ অসম জুল্ট
ৰৰ চেকেণ্ডাৰী স্কুলত দিৱস উপলক্ষে

হোৱা মুকলি সভাত বৰ্ষীয়ান বিজ্ঞানী ড° বীৰেন্দ্ৰ
নাথ গোস্বামীক কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা প্ৰদান
কৰা প্ৰশস্তি-পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা
জনাব লগীয়া অন্য দুজন বিজ্ঞানী ড° চৌধুৰী নাথ
শইকীয়া আৰু সূৰ্য গগৈ স্বাস্থ্যজনিত কাৰণত সভাত
উপস্থিত থাকিব নোৱাৰিলে। বিজ্ঞান সমিতিৰ
যোৰহাট শাখাৰ কাৰ্যকৰী সভাপতি ড° বিমলা
প্ৰসাদ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত

পাটাছাৰকুছি শাখাঃ তিনিগৰাকী বৰেণ্য বিজ্ঞান কৰ্মীক সম্বৰ্ধনা জ্ঞাপন আমাৰ অসম বিজ্ঞান সমিতিৰ আহ্বানমৰ্মে কেন্দ্ৰীয় কাৰ্য্যসূচীৰ অংশ হিচাপে আজি ১৩/০২/২০২৬ তাৰিখে অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱসৰ নগত সংগতি ৰাখি অসম বিজ্ঞান সমিতিৰ পাটাছাৰকুছি শাখাৰ উদ্যোগত পাটাছাৰকুছি শাখাৰ এলেকাধীন ৭৫ বছৰ বয়সৰ ঊৰ্ধৰ তিনিগৰাকী বৰেণ্য বিজ্ঞান কৰ্মীক তেওঁলোকে সমিতি তথা বিজ্ঞানৰ ক্ষেএলৈ আগবঢ়োৱা বিশেষ অৱদানৰ বাবে ঘৰে ঘৰে গৈ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। পাটাছাৰকুছি শাখাৰ প্ৰতিষ্ঠাপক সভাপতি তথা পাটাছাৰকুছি বিদ্যাপীঠৰ গণিত বিভাগৰ অৱসৰী বিষয় শিক্ষক হৰিহৰ শৰ্মা, পাটাছাৰকুছি শাখাৰ প্ৰাক্তন উপ সভাপতি, পাটাছাৰকুছি বিদ্যাপীঠৰ অৱসৰী অধ্যক্ষ তথা চিকিৎসা বিজ্ঞানৰ উন্নয়নৰ হকে মৰণোত্তৰ দেহদান কৰা হৰেন্দ্ৰ নাথ আৰু পাটাছাৰকুছি শাখাৰ অন্যতম শুভাকাংশী তথা স্বাস্থ্য বিভাগৰ অৱসৰী যুটীয়া সঞ্চালক ডাঃ খগেন্দ্ৰ নাথ শৰ্মাক অসম বিজ্ঞান সমিতিৰ সম্বৰ্ধনা পত্ৰ আৰু শাখা তৰফৰ পৰা গামোচা, কিতাপৰ টোপোলা আদিৰে সম্বৰ্ধনা জনোৱা হয়। পাটাছাৰকুছি শাখাৰ সভাপতি সুৰেন্দ্ৰ নাথ লাউজাৰীৰ নেতৃত্বত তথা কাৰ্য্যকৰী সভাপতি তপন কুমাৰ শৰ্মা, উপ সভাপতি ডং অনুপ কুমাৰ শৰ্মা, যুটীয়া সম্পাদক দ্বীজেন্দ্ৰ নাথ দাস, মৃন্ময় শৰ্মা, হিচাপ পৰীক্ষক গৌতম গোস্বামী, প্ৰতিষ্ঠাপক যুটীয়া সম্পাদক খনীন্দ্ৰ নাথ তালুকদাৰ, আমিনুল হক, সদস্য বিনোদ চন্দ্ৰ বেজবৰুৱা, জাহান আলী, মৌচম শৰ্মাৰ লগতে উপদেষ্টা লক্ষ্মীৰাণী শৰ্মা আদিৰে গঠিত এটি দলে ঘৰে ঘৰে গৈ বৰেণ্য বিজ্ঞান কৰ্মী তিনিগৰাকীক সম্বৰ্ধনা জনায়। সম্বৰ্ধনা গ্ৰহণ কৰি তিনিওগৰাকী ব্যক্তিয়ে মনৰ ভাৱ প্ৰকাশ কৰি এনে প্ৰচেষ্টাৰ শলাগ লয় আৰু ধন্যবাদ জনায়।









মধ্য ছয়দুৱাৰ শাখাঃ অসম বিজ্ঞান সমিতিৰ ৭৪ সংখ্যক প্ৰতিষ্ঠা দিবসৰ লগত সংগতি ৰাখি মধ্য ছয়দুৱাৰ শাখাই ৭৫ বছৰ উৰ্ধৰ বিজ্ঞান জনপ্ৰিয়কৰণ কাৰ্যসূচীৰ লগত জড়িত তিনি গৰাকী বিজ্ঞান কৰ্মীক সম্বৰ্ধনা জ্ঞাপন কৰে। অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ পৰা প্ৰেৰণ কৰা সম্বৰ্ধনা পত্ৰৰ লগতে প্ৰতি গৰাকী সম্বৰ্ধিত ব্যক্তিক একোখনকৈ ফুলাম গামোছা আৰু চেলেং চাদৰ আগবঢ়োৱা হয়। অসম বিজ্ঞান সমিতিৰ মধ্য ছয়দুৱাৰ শাখাৰ জন্ম লগ্নৰে পৰা একাদিক্ৰমে ৪৩ বছৰ সভাপতিৰ দৰে গুৰু দায়িত্ব সুচাৰু ৰূপে পালন কৰা ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত উপাধ্যক্ষ শ্ৰীযুত খগেন গোস্বামী, টেটোনপুখুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ, অসম বিজ্ঞান সমিতিৰ আজীৱন সদস্য শ্ৰীযুত নবীন শইকীয়া আৰু জ্যোতি আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ, অসম বিজ্ঞান সমিতিৰ আজীৱন সদস্য শ্ৰী যুত ৰাম নাৰায়ন গোস্বামীক নিজ নিজ বাসগৃহত সম্বৰ্ধনা জনোৱা হয়। অসম বিজ্ঞান সমিতিৰ মধ্য ছয়দুৱাৰ শাখাৰ সভাপতি শ্ৰী নীলমণি শৰ্মা, উপ সভাপতি শ্ৰী মুকুট বৰদলৈ, সম্পাদক শ্ৰী কেশৱ শৰ্মা, সহকাৰী সম্পাদক শ্ৰীবীৰেন কাথ হাজৰিকা, জ্যেষ্ঠ সদস্য শ্ৰী প্ৰফুল্ল বৰুৱা আৰু শ্ৰী ভোজৰাজ উপ্যাধায় সম্বৰ্ধনা কাৰ্যসূচীত উপস্থিত থাকি প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰে।














2026/02/13 18:11

মৰাণ শাখাঃ আজি ১৩-০১-২০২৬, অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস ‘অসম বিজ্ঞান দিৱস’ হিচাপে মৰাণ শাখাই, মৰাণ চিনিয়ৰ চেকেণ্ডাৰী স্কুলত অনুষ্ঠিত কৰে। পূৱা পতাকা উত্তোলন কৰে শাখাৰ সভাপতি সত্যনাথ শৰ্মা চাৰে। ইয়াৰ পিচতে সম্পাদিকা চুইমী বৰুৱাই আঁতধৰা সভাত নিৰ্দিষ্ট বক্তা হিচাপে মৰাণ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড০ বুদ্ধিন গগৈয়ে ছাত্ৰ ছাত্ৰী সকলৰ মাজত বিজ্ঞান মানসিকতা গঢ়ি তোলাৰ  বাবে সুন্দৰ বক্তৃতা প্ৰদান কৰে। সভাত অসম বিজ্ঞান সমিতিৰ আজীৱন সদস্য নীলিমা তালুকদাৰ, অসীম বৰগোহাঁই, শ্ৰী যুত ঘনকান্ত,অধ্যক্ষ ড০ প্ৰশান্ত দত্তৰ লগতে শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ ছাত্ৰী সকল উপস্থিত থাকে। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি  দুটা বকুল ফুলৰ পুলি ৰোপণ কৰাৰ লগতে মৰাণৰ তিনিজন জেষ্ঠ নাগৰিক ক্ৰমে বিশিষ্ট অভিনেতা শ্ৰী যুত বিষ্ণু চৰণ খাৰঘৰীয়া, শ্ৰী যুত ভোগেশ্বৰ শইকীয়া আৰু শ্ৰীযুত অনন্ত কুমাৰ বুঢ়াগোহাই ক সম্বৰ্দ্ধনা জনোৱা হয়।














# চিলাপথাৰ শাখা বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা দিৱস

## নতুন সমিতিৰ কাৰ্যভাৰ গ্ৰহণ



চিলাপথাৰ শাখাঃ অসম বিজ্ঞান সমিতি, উদ্যোগত প্ৰতিষ্ঠা দিৱস লগত সংগতি ৰাখি ৰাজহুৱা সভাৰ আয়োজন চিলাপথাৰ, তাৰিখঃ ১৫/০২/২০২৬- ১৯৫৩ চনত প্ৰতিষ্ঠিত হোৱা অসম বিজ্ঞান সমিতি হৈছে বিজ্ঞান বিষয়ক ক্ষেত্ৰত দেশৰ অন্যতম পুৰণি, প্ৰসিদ্ধ, প্ৰভাৱশালী আৰু অগ্ৰণী স্বেচ্ছাসেৱী সংগঠন। এই সংগঠনটোৱে সুদীৰ্ঘ দিন ধৰি বিজ্ঞান শিক্ষাৰ প্ৰসাৰ, যুক্তিবাদী চিন্তাধাৰাৰ বিকাশ, কুসংস্কাৰ আৰু অন্ধবিশ্বাস দূৰীকৰণৰ লগতে সমাজত বিজ্ঞানমনস্কতাৰ বীজ বোপন কৰি আহিছে।অসম বিজ্ঞান সমিতিৰ চিলাপথাৰ শাখাৰ উদ্যোগত আজি চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয় প্ৰাংগনত প্ৰতিষ্ঠা দিৱসৰ উপলক্ষে এক গাম্ভীৰ্যপূৰ্ণ ৰাজহুৱা সভা আৰু বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানৰ মূল উদ্দেশ্য আছিল—বিজ্ঞান ক্ষেত্ৰলৈ উল্লেখযোগ্য অৱদান আগবঢ়োৱা চিলাপথাৰ অঞ্চলৰ কিছুমান বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা, লগতে অসম বিজ্ঞান সমিতিৰ চিলাপথাৰ শাখাৰ নতুন সমিতিক আনুষ্ঠানিকভাৱে কাৰ্যভাৰ দান কৰা।সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ৰুস্তম পেগুৱে আৰু সভাখনৰ সভাপতিত্ব কৰে বিশিষ্ট সমাজকৰ্মী লীলাৱতী গীমীৰে। সভাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে অসম বিজ্ঞান সমিতিৰ উপ-সভাপতি ড° অমল চন্দ্ৰ দত্ত, পৰিবেশ আৰু জলবায়ু উপসমিতিৰ আহ্বায়ক তথা পৰিবেশ মিত্ৰ দেৱজিৎ ফুকন, চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ অধ্যক্ষ তথা অসম বিজ্ঞান সমিতি চিলাপথাৰ শাখাৰ প্ৰতিষ্ঠাপক সম্পাদক ড° ৰঞ্জিত শইকীয়া। তদুপৰি অঞ্চলটোৰ বহু সংখ্যক শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, সমাজকৰ্মী আৰু বিজ্ঞানপ্ৰেমী লোকৰ উপস্থিতিয়ে অনুষ্ঠানটোক অধিক মৰ্যাদা প্ৰদান কৰে। মুখ্য অতিথি হিচাপে ভাষণ প্ৰদান কৰি মুখ্য অতিথি হিচাপে ভাষণ প্ৰদান কৰি ড° অমল চন্দ্ৰ দত্তে বিজ্ঞান শিক্ষাৰ প্ৰসাৰ, যুক্তিবাদী চিন্তাৰ বিকাশ আৰু কুসংস্কাৰ দূৰীকৰণৰ ক্ষেত্ৰত অসম বিজ্ঞান সমিতিৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে বিস্তৃতভাৱে আলোকপাত কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞানমনস্কতা গঢ়ি তোলাৰ লগতে নতুন প্ৰযুক্তি আৰু বৈজ্ঞানিক চিন্তাধাৰাৰ সৈতে নিজক সংযুক্ত কৰিবলৈ আহ্বান জনায়।

ইফালে, পৰিবেশ মিত্ৰ দেৱজিৎ ফুকনে আধুনিক সমাজ গঠনত বিজ্ঞান আৰু প্ৰযুক্তিৰ অপৰিসীম গুৰুত্বৰ বিষয়ে উল্লেখ কৰি কয় যে পৰিবেশ সংৰক্ষণ, স্বাস্থ্য সচেতনতা, ডিজিটেল শিক্ষা আৰু সামগ্ৰিক সামাজিক উন্নয়নৰ ক্ষেত্ৰত বিজ্ঞানভিত্তিক দৃষ্টিভংগী অৱলম্বন কৰাটো সময়ৰ প্ৰয়োজন। তাৰ পিছত প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত বিশেষ সম্বৰ্ধনা অনুষ্ঠানত আত ধৰে অধ্যক্ষ ড° ৰঞ্জিত শইকীয়াই। পৰিবেশ, শিক্ষা-দীক্ষা আৰু বিজ্ঞান-প্ৰযুক্তিৰ ক্ষেত্ৰখনলৈ চিলাপথাৰ অঞ্চলৰ উন্নয়নৰ বাবে সহযোদ্ধা হিচাপে আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে ড° কৌণ্ডন্য, শ্ৰী গকুল চন্দ্ৰ শইকীয়া আৰু শ্ৰীযুক্তা দেৱবালা বৰগোহাঁইক সম্বৰ্ধনা পত্ৰ প্ৰদান কৰাৰ লগতে ফুলাম গামোচাৰে সন্মানিত কৰা হয়। অনুষ্ঠানত পুৰণি সমিতিৰ সভাপতি শ্ৰী বিজয় কান্ত কোৰৰ এ নতুন সমিতিৰ মুখ্য উপদেষ্টা ড° ৰঞ্জিত শইকীয়া, সভাপতি মানস প্ৰতীম দত্ত, কাৰ্যকৰী সভাপতি পদত ভূবন দাস, উপ-সভাপতি পদত অমৃত নাথ, হিতেশ্বৰ দত্ত আৰু শ্ৰী যুক্তা যোগা গগৈ সম্পাদক উৎপল দত্ত আৰু সহ সম্পাদক ৰুস্তম পেগু বিজয় বিকাশ চমুৱা আৰু চন্দন জ্যোতি দাসক আনুষ্ঠানিকভাৱে কাৰ্যভাৰ দিয়া লগতে এখন বৰ্ধিত সমিতি গঠন কৰাৰ প্ৰস্তাৱনা গ্ৰহণ কৰি সফলভাৱে নতুন সমিতিখন গঠন কৰা হয়। সভাৰ অন্তত সকলোৰে মতামত আৰু দিহা-পৰামৰ্শৰ ভিত্তিত আগন্তুক ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপনৰ উপলক্ষে এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয় আৰু সেই বৈঠকত অনুষ্ঠান সফলভাৱে ৰূপায়ণৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। শেষত সভাপতি লীলাৱতী গীমীৰে সকলোলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি অনুষ্ঠানৰ সফল সমাপ্তি ঘোষণা কৰে।

Karimganj Branch: On behalf of ASS Central Committee, we felicitated yesterday Mrs. Mandira Nandy, Retd. Principal i/c, R S Girls' College, Sribhumi, Mrs. Padmabati Majumdar, Retd. Teacher, MMMC Girls' HS School and Mr. Susanta Paul, Retd. Principal, Bipin Paul HS School. Foundation Day of our Society(Assam Science Day) was celebrated at the venue Maharishi Vidya Mandir, Karimganj.











বঙাইগাঁও শাখাঃ আজি ১৫.০২.২০২৬ ( HSLC আৰু HS exam চলি থকাৰ বাবে ১৩ তে অনুষ্ঠানটো আয়োজিত কৰিব নোৱাৰাৰ বাবে দুঃখিত) ইং তাৰিখে বঙাইগাঁওস্থিত বীৰঝৰা কন্যা মহাবিদ্যালয়ত বিয়লি ৩ বজাত বঙাইগাঁও শাখাৰ ফালৰ পৰা অসম বিজ্ঞান সমিতিৰ ৭৪ তম প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এখন সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। শাখাৰ সভাত লোৱা সিদ্ধান্ত মৰ্মে আজিৰ অনুষ্ঠানটোলৈকে শাখাৰ সৈতে ওতঃপ্ৰোতোভাৱে জড়িত তিনি গৰাকী ব্যক্তিক আমন্ত্ৰণ জনোৱা হৈছিল। তেওঁলোক ক্ৰমে ড° মৃগেন দাস, প্ৰতিষ্ঠাপক সভাপতি, ডাঃ নৃপেন্দ্ৰ নাথ শৰ্মা, প্ৰাক্তন সভাপতি আৰু ডাঃ ফিৰোজ আহমেদ, সমল ব্যক্তি। ড° মৃগেন দাসে তেখেতৰ শাৰীৰিক অসুস্থতাৰ বাবে আজিৰ এই অনুষ্ঠানটোত উপস্থিত থাকিব নোৱাৰিলে। শাখাৰ ফালৰ পৰা তেখেতক পিছত সম্বৰ্ধনা জনোৱাৰ ব্যৱস্থা কৰা



















ছিপাঝাৰ শাখাঃ আমাৰ সৌজন্যত বিজ্ঞান কৰ্মী লৈ সম্বৰ্ধনা জ্ঞাপন, আজি তিনি গৰাকী বিশিষ্ট বিজ্ঞান কৰ্মীলৈ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অসম বিজ্ঞান সমিতিৰ বিজ্ঞান জনপ্ৰিয়কৰণৰ জয়যাত্ৰাত সক্ৰিয় সহযোগী হিচাপে আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে সমিতিৰ প্ৰতিস্থাপক সভাপতি তথা ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ বিষয় শিক্ষক পুৰন্দৰ নাথ, সমিতিৰ প্ৰাক্তন উপ-সভাপতি তথা অৱসৰী শিক্ষক শিৱপ্ৰসাদ শৰ্মা আৰু ডা: ফনীধৰ চৌধুৰীক নিজ গৃহলৈ গৈ সম্বৰ্ধনা জনায়।শাখাৰ সভাপতি অক্ষয় কুমাৰ নাথৰ নেতৃত্বত সম্বৰ্ধনাৰ বাবে যোৱা দলটোত সংগ দিছিল সমিতিৰ কৰ্মী অৰুণ কুমাৰ নাথ, কৈলাস চন্দ্ৰ শৰ্মা, দিলীপ কুমাৰ শইকীয়া, হিৰণ্য কুমাৰ নাথে। বাসগৃহত আয়োজিত হিৰণ্য কুমাৰ নাথে আঁত ধৰা অনানুষ্ঠানিক অনুষ্টুপীয়া অনুষ্ঠানত সভাপতি অক্ষয় কুমাৰ নাথে অসম বিজ্ঞান সমিতিলৈ আগবঢ়োৱা নিস্বাৰ্থ সেৱাৰ লগতে সমাজখনক বিজ্ঞানৰ আলোকেৰে আলোকিত কৰাৰ বাবে সম্বৰ্ধিত ব্যক্তি সকলক কৃতজ্ঞতা প্ৰকাশ কৰে।





# বিজ্ঞান প্ৰচাৰত ডিজিটেল মাধ্যমৰ প্ৰয়োগ

# বিজ্ঞান প্ৰচাৰত ডিজিটেল মাধ্যমৰ প্ৰয়োগ

বি বৰুৱা কলেজঃ বিজ্ঞান প্ৰচাৰত ডিজিটেল মাধ্যমৰ প্ৰয়োগ প্ৰকল্পৰ (২০২৫ -২০২৬) অধীনত ৰাজ্যিক পৰ্য্যায়ৰ দিশ-নিৰ্দ্দেশনা মূলক কৰ্মশালাৰ কিছু মুহূৰ্ত।









Workshop
on
Sustainable Bioengineering
Focal theme: Bioengineering-Concepts, Scope, and Practical Applications
Organized by
Department of Chemistry, B. Borooah College (Autonomous)
In association with
Assam Science Society

Certificate of Appreciation

This is to certify that ........................................ an FYUGP 4th semester student from Department of ........................ of ........................ College has Participated in the **Workshop on Sustainable Bioengineering** organized by Department of Chemistry, B. Borooah College held on 2nd February, 2026, in association with Assam Science Society.

Dr. Satyendra Nath Barman, Principal, B. Borooah College
Dr. Arup Kumar Misra, President, Assam Science Society
Dr. Bijoy Sankar Goswami, HOD, Chemistry, B. Borooah College
Dr. Pradyumna Mazumdar, Convener of the Workshop on Sustainable Bioengineering






আজি ১৯/০২/২০২৬ তাৰিখে অসম বিজ্ঞান সমিতি মৰিগাঁও শাখাৰ 2026-2028 বৰ্ষ নৱ নিৰ্বাচিত কমিটি ৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা মৰিগাঁও সদৰৰ বিহুতলি ওচৰৰ পদূম পুখুৰী পাৰত অনুষ্ঠিত হয়।



# NATIONAL SCIENCE DAY, 2026

Organized by-

## Science Forum and Eco Club

## B.P. Chaliha College, Nagarbera, Kamrup

*In Association with*

## Assam Science Society, Nagarbera Branch

**Venue : Seminar Hall**

**Date : 28-02-2026**

**Theme:**

**WOMEN IN SCIENCE: CATALYZING VIKSHIT BHARAT**

**Sub-Themes:**

- Contribution of Women Writers in Science-Based Literature.
- Contribution of Indian Women in Eliminating Social Evils.
- Reconstruction of Traditional Gender Stereotypes in the Field of Scientific Research and Leadership.
- Role of Women in Science, Technology, Engineering, and Mathematics (STEM) and India's Innovation Ecosystem


- বিজ্ঞানভিত্তিক লেখনীলৈ মহিলা লেখকৰ অৱদান।
- সামাজিক ব্যাধি দূৰীকৰণত ভাৰতীয় মহিলাৰ অৱদান।
- বিজ্ঞানভিত্তিক গৱেষণা আৰু নেতৃত্বৰ ক্ষেত্ৰত থকা পৰম্পৰাগত লিংগ ভিত্তিক ধাৰণাৰ পুনৰ্নিৰ্মাণ।
- STEM (বিজ্ঞান, প্ৰযুক্তি, অভিযান্ত্ৰিক বিদ্যা আৰু গণিত) ক্ষেত্ৰত মহিলাৰ ভূমিকা

**LAST DATE OF SUBMISSION: 27TH FEBRUARY, 2026 (TILL 12:00 PM)**

**Send your essays to: bpccsss2023@gmail.com**

**Guidelines for Participants**

- The essay should be original and concise, with a **maximum word limit of 2000 words.**
- The competition is **open to students up to Class XII.**
- Participants are requested to submit their essays **along with their full name, class, contact number, name of school/college, and a photocopy or clear image of a valid institutional ID card.**
- For any further information, contact:
  - ☏ 6001340042
  - ☏ 6002122810
  - ☏ 9864753684



# ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস




1. অসম বিজ্ঞান সমিতি ,মৰিগাঁও শাখাৰ মহিলা বিজ্ঞান কোষ উপসমিতি আৰু মৰিগাঁও মহাবিদ্যালয় (স্বতন্ত্ৰ) ৰ সহযোগিতাত যোৱা ২৮/02/২০২৬ তাৰিখে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস মৰিগাঁও মহাবিদ্যালয় প্ৰাঙ্গনত উদযাপন কৰা হয়। ১১ বজাত প্ৰাণী বিজ্ঞান বিভাগে প্ৰস্তুত কৰি উলিওৱা জৈৱিক ফাকুৰ প্ৰদৰ্শনী আৰু বিক্ৰী কৰা হয়। মূল সভাৰ সভাপতিত্ব কৰে অসম বিজ্ঞান সমিতি ,মৰিগাঁও শাখাৰ মহিলা বিজ্ঞান কোষ উপসমিতি ৰ সমন্বয়ক , মৰিগাঁও মহাবিদ্যালয় নৃতত্ত্ব বিভাগৰ মূৰব্বী অধ্যাপক ড° নিলোফাৰ জাচমিনে। সভাত অসম বিজ্ঞান সমিতি ,মৰিগাঁও শাখাৰ সভাপতি ডা° নিলোৎপল কাকতী উপস্থিত থাকি ভাষন প্ৰদান কৰে। ৷আদৰনি ভাষন আগবঢ়ায় মৰিগাঁও মহাবিদ্যালয়ৰ IQAC coordinator ড° অজিত কোঁৱৰে৷,, পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক কবিতা শৰ্মা আৰু প্ৰাণী বিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপক আ . কায়ুম ওচমানি য়ে ভাষন প্ৰদান কৰে। গৱেষকৰূপে গৱেষণা ক্ষেত্ৰত নিৰৱচ্ছিন্ন সেৱা আগবঢ়াই জিলাখনলৈ কঢ়িয়াই অনা গৌৰৱ আৰু অৱদানৰ বাবে মহাবিদ্যালয়ৰ উপাধ্যক্ষা ড° অৰুনিমা শৰ্মাক সম্বৰ্ধনা জনোৱা হয়। লগতে মৰিগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সহযোগত এখনি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়।







2. ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস হিচাপে পালন কৰি অহাৰ লগত সংগতি ৰাখি অসম বিজ্ঞান সমিতি মৰিগাঁও শাখাই গেৰুৱা গাৰ্লছ এম ই স্কুলত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন কৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক জ্ঞান মোহন ডেকাৰ আমন্ত্ৰণক্ৰমে মৰিগাঁও জিলাৰ শাখাৰ পৰা উপস্থিত থাকে চাৰিগৰাকী জ্যেষ্ঠ আজীৱন সদস্য শ্ৰীযুতা দিপ্তীমনি শৰ্মা, খাইৰুল ইছলামদেৱ, আকাশ ডেকা ডাঙৰীয়া আৰু পংকজ গোস্বামী ডাঙৰীয়া। পূৱা 9 বজাৰ পৰা আৰম্ভ হোৱা বিজ্ঞানভিত্তিক চিত্ৰাংকন প্ৰতিযোগিতাত 60 গৰাকী ছাত্ৰ ছাত্ৰী আৰু 10-30 বজাৰ পৰা আৰম্ভ হোৱা বিজ্ঞানভিত্তিক কুইজ প্ৰতিযোগিতাত 14 টা দলে অংশগ্ৰহণ কৰে। 11:45 বজাৰ পৰা আৰম্ভ হোৱা সভাত সাৰগৰ্ভ বক্তব্য ৰাখে শ্ৰীযুতা দিপ্তীমনি শৰ্মা, আকাশ ডেকা আৰু পংকজ গোস্বামীয়ে। সভাৰ অন্তত দুয়োটা প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত সকলক প্ৰশংসা পত্ৰৰে অভিনন্দন জনোৱা হয়।



# বৰপেটা শাখাঃ



কাৰ্যসূচী

(১) ৪.০০ বজা


চাৰ চি. ভি. ৰমনৰ প্ৰতিকৃতিত বন্তি-প্ৰজ্বলন
প্ৰজ্বলক: ড° ধীৰা তালুকদাৰ
প্ৰাক্তন মুৰব্বী, দৰ্শন বিভাগ, মাধৱ চৌধুৰী মহাবিদ্যালয়, বৰপেটা

(২) ৪.১০ বজা

ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ তাৎপৰ্য
আগবঢ়াব মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° তাপসী দাসে

(৩) ৪.২০ বজা

বক্তৃতানুষ্ঠান
বিষয়: "বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা "
সভাপতি: ড° কাবেৰী শইকীয়া
বিভাগীয় মুৰব্বী, উদ্ভিদ বিজ্ঞান বিভাগ, মাধৱ চৌধুৰী মহাবিদ্যালয়, বৰপেটা
বক্তাদ্বয়:
ড° নিবেদিতা গগৈ
সহকাৰী অধ্যাপক, ৰসায়ন বিভাগ, মাধৱ চৌধুৰী মহাবিদ্যালয়, বৰপেটা
শ্ৰীগীতি দাস
পদাৰ্থ বিজ্ঞানৰ স্নাতকোত্তৰ শিক্ষক, বৰপেটা বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়



মহাশয়/মহাশয়া,

নমস্কাৰ গ্ৰহণ কৰিব। আপোনাক জনাবলৈ পাই আমি বৰ আনন্দিত যে অসম বিজ্ঞান সমিতি, বৰপেটা শাখাৰ উদ্যোগত অহা ২৮ ফেব্ৰুৱাৰী শনিবাৰে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস-২০২৬ উদ্‌যাপন কৰা হ'ব। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস- ২০২৬ ৰ বিষয়বস্তু(Theme) হৈছে "বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা" (Women in Science: Catalysing Viksit Bharat)"। বৰপেটা শাখাৰ গান্ধীনগৰৰ ভৱনত আবেলি ৪.০০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া বিজ্ঞান দিৱসৰ সমূহ কাৰ্যসূচীত উপস্থিত থাকিবলৈ আপোনাক বিনম্ৰ অনুৰোধ জনালোঁ।

শ্ৰদ্ধাৰে

শ্ৰীসঞ্জীৱ দেউৰী

সম্পাদক, অ. বি. স., বৰপেটা শাখা

মৰাণ শাখাঃ মৰাণত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপনযোৱা ২৮ ফেব্ৰুৱাৰি, ২০২৬ তাৰিখে মৰাণৰ নেহৰু হিন্দী বিদ্যালয়ত আমাৰ উদ্যোগত এখন সভা অনুষ্ঠিত হয়। এই অনুষ্ঠানত অসম বিজ্ঞান সমিতিৰ মৰাণ শাখাৰ সভাপতি শ্ৰীযুত সত্যনাথ শৰ্মা আৰু চৰাইদেউ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক শ্ৰীযুত পলাশ কাকতিকে প্ৰমুখ্য কৰি বহুতো গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ সৈতে সংগতি ৰাখি এই অনুষ্ঠানত 'আইনষ্টাইন বৰুৱা'ৰ স্মৃতিত এখন বিজ্ঞানৰ আৰ্হি (Science Model) প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। মৰাণৰ বিভিন্ন বিদ্যালয়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলে এই প্ৰতিযোগিতাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাখন মুকলি কৰে অসম বিজ্ঞান সমিতিৰ উপ-সভাপতি শ্ৰীযুত অমল চন্দ্ৰ দত্তই। ইয়াৰ পাছতে বিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখন মুকলি সভা অনুষ্ঠিত হয়। শ্ৰীযুত সত্যনাথ শৰ্মাদেৱৰ পৌৰোহিত্যত অনুষ্ঠিত এই সভাত চৰাইদেউ জিলাৰ বিদ্যালয় পৰিদৰ্শক পলাশ কাকতিদেৱে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি এক সাৰুৱা ভাষণ প্ৰদান কৰে। বক্তব্যৰ শেষত এখন ফুলাম গামোচা, চেলেং আৰু সফোৰাৰে তেখেতক সম্বৰ্ধনা জনোৱা হয়। সভাত শ্ৰীযুত ভূপেন নাথে এটি বৰগীত পৰিৱেশন কৰে। সভাত ভাষণ প্ৰদান কৰি শ্ৰীযুত অমল চন্দ্ৰ দত্তদেৱে নেহৰু হিন্দী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰা দেৱাল লিখন আৰু আইনষ্টাইন বৰুৱাৰ মাতৃৰ ভূয়সী প্ৰশংসা কৰে।তেখেতে অসম বিজ্ঞান সমিতিয়ে গ্ৰহণ কৰা বিভিন্ন কাৰ্যসূচীৰ বিষয়ে বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায়। লগতে অত্যন্ত মনোগ্ৰাহী ৰূপত প্ৰকৃতিৰ বিভিন্ন পৰিঘটনাৰ বিষয়েও ভাষণ প্ৰদান কৰে। সমাজত প্ৰচলিত বিভিন্ন অন্ধবিশ্বাসৰ ফলত হোৱা তেখেতৰ ব্যক্তিগত অভিজ্ঞতাৰ বিষয়ে উল্লেখ কৰি এইবোৰৰ পৰা আঁতৰি থাকিবলৈ তেখেতে সকলোকে আহ্বান জনায়। তেখেতৰ পিছতে সভাত বক্তব্য ৰাখে আইনষ্টাইন বৰুৱাৰ মাতৃ ভাৰতী বৰুৱাই। ভাৰতী বাইদেৱে পুত্ৰক হেৰুওৱাৰ কৰুণ স্মৃতি ৰোমন্থন কৰাৰ লগতে পুত্ৰৰ স্মৃতি জীয়াই ৰাখিবলৈ কৰা প্ৰচেষ্টাৰ বিষয়ে উল্লেখ কৰে। তেখেতে পুত্ৰৰ স্মৃতিত অসম বিজ্ঞান সমিতিৰ মৰাণ শাখালৈ সাধ্য অনুসৰি অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰে। তেখেতৰ পিছতে সভাত বক্তব্য আগবঢ়ায় মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° ভানুপ্ৰভা শইকীয়াই। তেখেতে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ মূল বিষয়বস্তু— “বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা”ৰ সন্দৰ্ভত সাৰুৱা মন্তব্য আগবঢ়ায়।






















28 FEBRUARY 2026
NATIONAL SCIENCE DAY 2026
Organised by:
Science Forum, North Gauhati College
In Collaboration With
Assam Science Society, North Guwahati Branch
WOMEN IN SCIENCE:
CATALYSING VIKSIT BHARAT 2047
1 Poster Making Competition
Venue: RCC-2
Time: 9.30 am
2 Talk By:
Venue: RCC-3
Time: 10.30 am
Dr. Dhrubajit Kalita,
Secretary, Science Forum










WOMEN IN SCIENCE
Catalysing Viksit Bharat 2047














Dergaon Branch: We and a leading nature organisation Aashray, in association with Indranee Devi Higher Secondary School (IDHSS), celebrated the National Science Day (NSD) with different competitions among the students in the Golaghat district and an open discussion on the theme of the NSD 'Women in Science: Catalysing Viksit Bharat' with Dr Monoj Jyoti Hazarika in the chair today. Hide quoted textIn the inaugural session, which was moderated by the secretary of the Dergaon branch of the ASS, Dr Sanjoy Kr. Hazarika, the branch president, Dr Monoj Jyoti Hazarika, explained the significance of NSD. In his speech, he highlighted the contributions of Indian women to the world of Science.As many as 70 students from different schools in Golaghat district participated in the essay competitions. Among them, 11 selected participants defended their essays by answering the questions of the jury members. After a tough competition, Pratiksha Gogoi of Gari Gaon High School secured the first prize. Similarly, Sudhangshu Shreyam Hazarika of Amar Sarma High School secured the second position, where Dibyajyoti Das of Golok Barbora High School and Abinash Saikia of Mahuramukh HS School were declared for the third and fourth prizes respectively. Retired Associate Professor Bijit Ranjan Saikia, retired principal Jyoti Kumari Sarma, retired teacher Pratap Chandra Kondoli, and teacher Chinmoy Pratim Bora were the judges. School principal Pradip Bora and the vice principal Prajna Sundar Hazarika coordinated the competition. It is mentioned that in the essay competition, which was held in two categories. In Group A, the students from classes Six to Eight wrote the essay on 'Mobile phones for the students: Blessings or Curse?' and in Group B, the students from classes Nine to Degree level wrote their essays on 'Women in Science: Catalysing Viksit Bharat'.











## Barbhag Branch






BARBHAG COLLEGE

*SCIENCE FORUM*

P.O.- Kalag, Nalbari

Sir/ Madam,

We are glad to inform you that Science Forum, Barbhag College & Assam Science Society, (Barbhag Branch) in collaboration with IQAC, Barbhag College is going to organize **the National Science Day**, 2026.

**Theme: "Women in Science: Catalysing Viksit Bharat, 2026".**

All teachers and non-teaching staff are requested to attend the programme.

Thanking You,

Dr. Birinchi Choudhury | Dr. Mahananda Pathak | Tapan Kr. Barman | Pradip Mahanta

**Programme**

| | | |
|---|---|---|
| 10:00 AM- Felicitation System Conducted by | : | **Tapan Kr. Barman,** Asst. Prof. Dept. of Mathematics, Barbhag College |
| 10:15 AM- Inauguration Speech by | : | **Dr. Birinchi Choudhury,** Principal, Barbhag College |
| 10:30 AM- Speech Delivered by | : | **Mukut Ch. Baishya,** Asst. Prof. Dept. of Chemistry, Barbhag College |
| 11:00 AM- Concluding Remarks by | : | **Dr. Mahananda Pathak,** Dean of Science, Barbhag College |
| 11:30 AM- Vote of Thanks by | : | **Pradip Mahanta,** Secretary, Assam Science Society, Barbhag Branch, Barbhag College |

Date : 28-02-2026
Time: 10:00 AM
Venue: Conference Hall, Barbhag College

## Biswanath Branch




## চিলাপথাৰ শাখা






গোৰেশ্বৰ শাখা: অসম বিজ্ঞান সমিতি গোৰেশ্বৰ শাখাৰ উদ্যোগত লখাইতৰা মধ্য ইংৰাজী বিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্যাপন কৰা হয়। পুৱা ৯:৩০ বজাত শাখাৰ সভাপতি ডিম্বেশ্বৰ ৰাজবংশীদেৰে বিজ্ঞান সমিতিৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। গছপুলি ৰোপন কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক দন্দিধৰ দাসদেৰে। ১০:৩০ বজাৰ পৰা ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুস্থিত হয়। ১২:৩০ বজাৰ পৰা আৰম্ভহোৱা মুকলি সভাত “বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা” বিষয়ত ভাষণ ৰাখে ধৰ্মকান্ত ৰাজবংশী, মদন ডেকা, লতিফ চৌধুৰী, দন্দিধৰ দাসে। বক্তাসকলে সৰুৰেপৰা বিজ্ঞান মানসিকতাৰে কাম কৰিবলৈ, বিজ্ঞানীসকলৰ জীৱনীৰ পৰা জ্ঞান লবলৈ আৰু আমাৰ পৰিবেশ শুদ্ধকৈ ৰাখিবলৈ আহ্বান জনায়। সভাত প্ৰতিযোগিতাত স্থান প্ৰাপ্ত সকলক কিতাপৰ টোপোলাৰে পুৰস্কৃত কৰা হয়। বিজ্ঞান সমিতিৰ সহসম্পাদক বীৰেন দাসে শলাগৰ শৰাই আগবঢ়োৱাৰ পিছত সভাৰ সামৰণি পৰে।











পশ্চিম দৰং শাখাঃ আজি বোনমাঝা হাইস্কুলৰ সহযোগত বোনমাঝা হাইস্কুলত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসটি পালন কৰা হয়। বোনমাঝা হাইস্কুলৰ প্ৰধান শিক্ষক মাননীয় বিজয় শংকৰ ভাৰতীয়ে বন্তি প্ৰজ্জলন কৰি আৰম্ভ কৰা অনুষ্ঠানত মুখ্য বক্তা হিচাবে উপস্থিত থাকে বিবেকানন্দ একাডেমীৰ অধ্যক্ষ মাননীয় দীপাংকৰ দাস ডাঙৰীয়া। অনুষ্ঠানত বক্তব্য ৰাখে পশ্চিম দৰং শাখাৰ সন্মানীয় সভাপতি শিশিৰ কুমাৰ শৰ্মাই।


























## লখিমপুৰত 'বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা' শীৰ্ষক বক্তৃতানুষ্ঠান

**দৈনিক অসমৰ প্ৰতিনিধি**

**লখিমপুৰ, ১ মাৰ্চ ঃ** ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে লখিমপুৰ জিলা বিজ্ঞান সমিতিৰ উদ্যোগত আৰু লখিমপুৰ জিলা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, অসম কৃষি বিশ্ববিদ্যালয়ৰ উত্তৰ লখিমপুৰ আঞ্চলিক গৱেষণা কেন্দ্ৰৰ সহযোগত আঞ্চলিক গৱেষণা কেন্দ্ৰৰ সভাকক্ষত 'ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস, ২০২৬' বৰ্ষৰ মূল বিষয়বস্তু 'বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা' শীৰ্ষক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অসম কৃষি বিশ্ববিদ্যালয়ৰ আঞ্চলিক গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ডঃ প্ৰবাল শইকীয়াই আদৰণি ভাষণ দিয়া অনুষ্ঠানটোত নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ মুকুল চন্দ্ৰ বৰাই কৃত্ৰিম বুদ্ধিমত্তাৰ ইতিবাচক আৰু নেতিবাচক দিশসমূহৰ লগতে অনাগত সময়ত অসমৰ সমাজ-জীৱনত পৰিব পৰা প্ৰভাৱৰ দিশসমূহক সামৰি সাৱলীল বক্তব্য প্ৰদান কৰে। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ মূল বক্তৃতা প্ৰদান কৰি বিজ্ঞান জনপ্ৰিয়কৰণৰ বাবে ৰাষ্ট্ৰীয় বঁটাপ্ৰাপক বিশিষ্ট লেখিকা ডঃ অমিয়া ৰাজবংশীয়ে বিজ্ঞান শিক্ষাৰ প্ৰতি কন্যা সন্তানক অনুপ্ৰাণিত কৰাত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰি বিকশিত ভাৰতৰ বাবে কৰা এটা প্ৰয়াস অপৰিহাৰ্য বুলি মত পোষণ কৰে। উল্লেখযোগ্য যে অসম বিজ্ঞান সমিতিয়ে নিস্বাৰ্থ সেৱাৰ জৰিয়তে বিজ্ঞান জনপ্ৰিয়কৰণৰ জয়যাত্ৰাত সহযোগী হিচাপে আগবঢ়োৱা বৰঙণিৰ স্বীকৃতি স্বৰূপে ডঃ মুকুন্দ ৰাজবংশী, প্ৰফুল্ল শৰ্মা আৰু ডাঃ দয়ানন্দ দত্তক অনুষ্ঠানত বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। লখিমপুৰ বিজ্ঞান সমিতিৰ সম্পাদক ৰফিক আহমেদ বৰাৰ ধন্যবাদসূচক মন্তব্যৰে সামৰণি পৰা বক্তৃতা অনুষ্ঠানত জিলা বিজ্ঞান সমিতিৰ সদস্যবৃন্দ, গৱেষণা কেন্দ্ৰৰ বিজ্ঞানী-কৰ্মচাৰীৰ লগতে শতাধিক বিজ্ঞানপ্ৰেমী লোকে অংশগ্ৰহণ কৰে।


Expert talk on the occasion of National Science Day
"Women in Science: Catalysts for Viksit Bharat through Innovation, Design Thinking, and Critical Analysis"
Resource Person: DR. SWAPNALI HAZARIKA, FRSC
Chief Scientist, CSIR-NEIST
(Organised under the IIC Activities as per IIC Calendar & Guidelines)
Date: 28.02.2026 Time: 10.00 AM Mode: Offline Venue: JJCM Hall
Organised by - Research & Development Cell (RDC),
In collaboration with
Dept of Chemistry, Institution's Innovation Council(IIC),
Sivasagar University & in Association with Assam Science Society,
Sivasagar Branch
GPS Map Camera
Dicial Dhulia Gaon, Assam, India
Xj2g+jwx, Joysagar, Dicial Dhulia Gaon, Assam
785665, India
Lat 26.951796° Long 94.627302°
Saturday, 28/02/2026 10:50 AM GMT +05:30


Dicial Dhulia Gaon, Assam, Indi
Xj2g+jwx, Joysagar, Dicial Dhulia Gaon, Assam
785665, India
Lat 26.951891° Long 94.627422°
Saturday, 28/02/2026 10:10 AM GMT +05:30


"Women in Science: Catalysts for Viksit Bharat through
Innovation, Design Thinking, and Critical Analysis"
Resource Person: DR. SWAPNALI HAZARIKA, FRSC
GPS Map Camera
icial Dhulia Gaon, Assam, India
2g+jwx, Joysagar, Dicial Dhulia Gaon, Assam
5665, India
26.951838° Long 94.627304°
urday, 28/02/2026 10:36 AM GMT +05:30


Expert talk on the occasion of National
"Women in Science: Catalysts for Viksi
Innovation, Design Thinking, and Cr
Resource Person: DR. SWAPNALI HA
Date: 28.02.2026 Time: 10.00 AM
GPS Map Camera
Dicial Dhulia Gaon, Assam, India
Xj2g+jwx, Joysagar, Dicial Dhulia Gaon, Assam 785665,
India
Lat 26.951792° Long 94.627309°
Saturday, 28/02/2026 10:34 AM GMT +05:30










নগৰবেৰাৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস

অসমভিত্তিক ৰচনা প্ৰতিযোগিতাত বিশ্বনাথৰ ঊষা চেত্ৰী, কস্তুৰী মেচৰ সাফল্য




Science Awareness Programme
On the occasion of National Science Day 2026
Invited Speaker
Dr. Saurav Bhattacharjee
Assistant Professor, Dept. of Physics, Tinsukia College
Topic:
Remembering the Nobel Laureate Bharat Ratna Sir C. V. Raman:
A Beacon of Scientific Excellence
Organised By :
ASSAM Science Society, Tinsukia Branch
Date: 28 February, 2026, Time: 11 am onwards
Venue: IQAC Conference Hall, Tinsukia College



জাগীৰোড শাখাঃ ২৮ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে আমাৰ উদ্যোগত আৰু পূৱ- ডিমৰীয়া উচ্চ-মাধ্যমিক বিদ্যালয় (টোপাতলি)ৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে চল্লিশতম (৪০ তম) ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন কৰা হয়। "বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা"- শীৰ্ষক মূল বিষয়বস্তুৰ আঁত ধৰি উদযাপিত হোৱা ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস ২০২৬ জাগীৰোড শাখাই এলানি বক্তৃতা মালাৰ আয়োজনেৰে ৰূপায়িত কৰে। শাখাৰ সভাপতি আচিন্ত্য কুমাৰ কেওটে সভাপতিত্ব কৰা সভাখনিৰ পাতনিতে শাখা-সম্পাদক ড০ ভৃগু কুমাৰ কলিতাই সভাৰ উদ্দেশ্য ও দিনটোৰ তাৎপৰ্য ব্যাখ্যা কৰে। সভাৰ মূল কাৰ্যসূচীৰ বক্তাৰূপে জাগীৰোড শাখাৰ সদস্য তথা পদাৰ্থ বিজ্ঞানৰ অধ্যাপক হৃষিকেশ কলিতাই পূৱ-ডিমৰীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ৰমন পৰিঘটনাৰ সৰল অথচ মননশীল বক্তৃতা প্ৰদানেৰে বক্তৃতামালৰ শুভাৰম্ভ কৰে। দিনটোৰ মূল বিষয়বস্তুৰ ওপৰত আলোকপাত কৰি পৃথকে পৃথকে বক্তৃতা আগবঢ়ায় শাখাৰ সদস্যা তথা জাগীৰোড মহাবিদ্যালয়ৰ দুগৰাকী অধ্যাপিকা ড০ গীতুমনি ৰাজবংশী আৰু ড০ দীপ্তি ঠাকুৰীয়াই। সমাজত বৈজ্ঞানিক দৃষ্টিভংগীৰ প্ৰসাৰ আৰু প্ৰচাৰ কাৰ্যসূচীৰ দৃষ্টিৰে গুৰুত্বপূৰ্ণ আজিৰ দিনটোত শাখাই অসম বিজ্ঞান সমিতিৰ দুগৰাকী আজীৱন সদস্য ও জ্যেষ্ঠ বিজ্ঞান কৰ্মী ক্ৰমে শ্ৰীযুত কুমুদ চন্দ্ৰ বৰুৱা (অৱসৰপ্ৰাপ্ত অভিযন্তা) আৰু ডা: তোলন চন্দ্ৰ বৰা (অৱসৰ প্ৰাপ্ত চিকিৎসক ও জিলা স্বাস্থ্য বিষয়া) ক সম্বৰ্ধনা জ্ঞাপন কৰে।














NATIONAL
SCIENCE DAY CELEBRATION
N.K. BETBARI HIGH SCHOOL
DATE :- 28-02-2026
Organised by
Aryabhatta Science Centre, Jalah
And
Assam Science Society, Simla Branch















দহালী কৰ্কা হাইস্কুলত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ কাৰ্যসূচীত প্ৰসেনজিৎ কলিতা

# বৈজ্ঞানিকভাৱে সত্য প্ৰতিষ্ঠা কৰিবলৈ প্ৰশ্নৰ উদ্ৰেক হ'বই লাগিব

নিয়মীয়া বাৰ্তা, ৰামপুৰ, ২৮ ফেব্ৰুৱাৰী : 'বৈজ্ঞানিকভাৱে সত্য প্ৰতিষ্ঠা কৰিবলৈ হ'লে মনত প্ৰশ্নৰ উদ্ৰেক হ'বই লাগিব। চিন্তা কৰিবই লাগিব। তদুপৰি লাগিব বৈজ্ঞানিক মানসিকতা। ' —আজি অসম বিজ্ঞান সমিতিৰ দক্ষিণ কামৰূপ শাখাই দহালী কৰ্কা হাইস্কুলত আয়োজন কৰা ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ কাৰ্যসূচীত ভাগ লৈ শিক্ষক প্ৰসেনজিৎ কলিতাই এইদৰে মন্তব্য কৰে। তেওঁ আজি ড° জয়ন্তী চুতীয়া, ড° পূৰ্ণিমা দেৱী বৰ্মন প্ৰমুখ্যে কীৰ্তিমান অসমীয়া মহিলা বিজ্ঞানীৰ নাম উল্লেখ কৰে। দহালী কৰ্কা হাইস্কুলৰ প্ৰধান শিক্ষক তথা অসম বিজ্ঞান সমিতিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক প্ৰতাপ মালীয়ে সভাপতিত্ব কৰা সভাখনত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° সূৰ্য কলিতাই কিয় যে আৰু কেনেকৈ প্ৰশ্ন উত্থাপন কৰিবলৈ ল'লেহে বৈজ্ঞানিক মানসিকতা গঢ় লৈ উঠে বুলি মন্তব্য কৰে। সভাখনত অধিবক্তা তাপস মেধিয়ে মানুহৰ দৈনন্দিন জীৱনৰ প্ৰতিটো খোজতে বিজ্ঞান জড়িত হৈ আছে বুলি উদাহৰণ দাঙি ধৰে। সভাখনত দহালী কৰ্কা হাইস্কুলৰ বিজ্ঞান শিক্ষক মহেশ কলিতায়ো চমুকৈ বক্তব্য আগবঢ়ায়। ইয়াৰ পূৰ্বে চলিত ২০২৬ বৰ্ষৰ বিজ্ঞান দিৱসৰ বিষয়বস্তু 'বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা' শীৰ্ষক



আলোচনা-চক্ৰখন উদ্বোধন কৰে দক্ষিণ কামৰূপৰ জ্যেষ্ঠ সাংবাদিক বিমল শৰ্মাই। উদ্বোধনী ভাষণত সাংবাদিক শৰ্মাই ধৰ্মান্ধতা বৈজ্ঞানিক মানসিকতাৰ অন্তৰায় বুলি কৈ শৈশৱ কালৰ পৰাই যুক্তি, সাহস আৰু সততাৰে নিজৰ জীৱনৰ মূল্যবান কাম-কাজ আগবঢ়াই নিবলৈ ছাত্ৰ-ছাত্ৰীলৈ মুকলি আহ্বান জনায়। এগৰাকী মহিলা হৈও মহাকাশ বিজ্ঞানী কল্পনা চাওলাই নিজৰ অধ্যৱসায়েৰে কেনেদৰে আদৰ্শবাদী বিজ্ঞানী হিচাপে নিজকে প্ৰতিষ্ঠা কৰিছিল সেয়া সুন্দৰভাৱে বক্তব্যৰ জৰিয়তে উপস্থাপন কৰে সাংবাদিক শৰ্মাই। মূল সভাখন আৰম্ভ হোৱাৰ পূৰ্বে দহালী কৰ্কা হাইস্কুলৰ নিয়মীয়া সাপ্তাহিক সপ্তধৰা কাৰ্যসূচীৰ ওপৰতো কিছু ইতিবাচক চিন্তাধাৰা আলোকপাত কৰে বিদ্যালয়খনৰ শিক্ষকসকলে। অনুষ্ঠানটোত অসম বিজ্ঞান সমিতিৰ দক্ষিণ কামৰূপ শাখাৰ সহকাৰী সম্পাদক যুগলানন্দ দাসৰ লগতে প্ৰতিনিধি আৰু দহালী কৰ্কা হাইস্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে পূৰ্ণ সহযোগিতা আগবঢ়ায়।

ছয়গাঁও শাখাঃ আজি ২৮ফেব্রুৱাৰী ২০২৬ তাৰিখ শনিবাৰে, চম্পক নগৰ এম ই স্কুলৰ সহযোগত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন কৰে। ছাত্ৰ ছাত্ৰীসকলৰ বিজ্ঞান মানসিকতা উৎকৰ্ষৰ কাৰণে কাৰ্য্যসূচী হিচাপে কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ভালে সংখ্যক ছাত্ৰ ছাত্ৰীয়ে কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰে নয়না দাস আৰু বিদিশাদাসৰ দলে আনহাতে বৰষা দাস আৰু ময়ূৰী কলিতাৰ দলে দ্বিতীয় স্থান অধিকাৰ কৰে। মুকলি সভাত তেওঁলোকক কিতাপেৰে পুৰস্কৃত কৰা হয়। মুকলি সভা শাখাৰ সভাপতি শ্ৰী অম্বিকা প্ৰসাদ দেৱশৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শাখাৰ সম্পাদক শ্ৰী দীনেশ চন্দ্ৰ কলিতাই। উদ্দেশ্য বাখ্যাকালত সম্পাদকে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ তাৎপৰ্য আৰু এই বছৰৰ মূল বিষয় বিকশিত ভাৰতত মহিলা বিজ্ঞানীৰ ভূমিকা সম্পৰ্কত বক্তব্য ৰাখে। ছাত্ৰ ছাত্ৰী সকলে শিশু কালৰ পৰাই যাতে প্ৰশ্ন কৰিবলৈ সাহস কৰে তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আন এজন বক্তা ছয়গাঁও মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ডঃ নগেন কলিতাই ছাত্ৰ ছাত্ৰী সকলক মহান বিজ্ঞানী চি ভী ৰমন আৰু আব্দুল কালামৰ জীৱন দৰ্শনৰ ওপৰত বাখ্যা আগবঢ়ায়। সভাত অসম বিজ্ঞান সমিতিৰ আজীৱন সদস্য শ্ৰী বনমালী দাস আৰু শ্ৰীমতী প্ৰতিৰেখা বৰুৱাই ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি লক্ষ্য ৰাখি চমু বক্তব্য আগবঢ়ায়। সভাপতিৰ আসনৰ পৰা শ্ৰী অম্বিকা প্ৰসাদ দেৱ শৰ্মাই ছাত্ৰ ছাত্ৰী সকলক সময়ৰ সদ্ব্যৱহাৰ বিশেষকৈ ছাত্ৰ কালৰ সময় খিনি যাতে অবাবত নাযায় তাৰ ওপৰত উপদেশমূলক বক্তৃতা আগবঢ়ায়। সদৌ শেষত সম্পাদকে বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী প্ৰমুখ্যে শিক্ষক-শিক্ষয়িত্ৰী সকলৰ সহযোগিতা তথা বিজ্ঞান সমিতিৰ উপস্থিত সদস্য সকলৰ শলাগ লয়।









National Science Day, 2026
28th February, 2026
Organised by-
Assam Science Society, Bajali Branch
বিষয় ঃ “বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা”
“Women in Science: Catalysing Viksit Bharat”
Venue : Pathsala Majaliya Vidyalaya
Pathsala : Bajali : Assam


National Science Day, 2026
28th February, 2026
Organised by-
Assam Science Society, Bajali Branch


National Science D
28th February, 20
Assam Science Society





Lala Branch: We celebrated National Science Day on 28th February at Royal Public School, Krishnapur with great enthusiasm. A Spot Quiz Competition was organized to encourage scientific thinking among students. Participants showed excellent performance, and certificates along with prizes were awarded to the winners and participants. The event successfully promoted scientific awareness and inspired young minds towards science and innovation











Don Bosco Branch: On the occasion of National Science Day 2026, we organised an online technical session on Training on HAM Radio at Tepesia Campus for General Licensing in Morse Code on 28 February 2026, The session was delivered by Tahiruddin Ahmed, former President of the All-Assam Police Association, Assam Police.










GPS Map Camera
Tihu, Assam, India
F7h8+3x5, Hari Mandir Rd, Tihu, Assam 781371, India
Lat 26.477937° Long 91.267544°
28/02/26 11:39 AM GMT +05:30
Google


GPS Map Camera
Tihu,Assam,India
Bodoland University Road, Tihu Part, Tihu, Assam 781371, India
Lat 26.477627, Long 91.267512
Saturday, 28/02/2026 10:00 AM GMT+05:30
Note : Captured by GPS Map Camera


Tihu, Assam, India
F7h8+3x5, Hari Mandir Rd, Tihu, Assam
India
Lat 26.477663° Long 91.267455°
28/02/26 10:10 AM GMT +05:30
Google


GPS Map Camera
Tihu,Assam,India
Bodoland University Road, Tihu Part, Tihu, Assam 781371, India
Lat 26.477638, Long 91.267536
Saturday, 28/02/2026 10:12 AM GMT+05:30
Note : Captured by GPS Map Camera


# সন্তপুৰ চিচাপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান দিৱস পালন

**গণ অধিকাৰ সেৱা, বিহপুৰীয়া,২ মাৰ্চ ঃ** অসম বিজ্ঞান সমিতিৰ বিহপুৰীয়া শাখাৰ উদ্যোগত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস যোৱা ২৮ ফেব্ৰুৱাৰীত দিনজোৰা কাৰ্যসূচীৰে সন্তপুৰ চিচাপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উদযাপন কৰা হয়। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ ছাত্ৰীসকলৰ দ্বাৰা প্ৰাৰ্থনা পৰিৱেশন কৰা হয়। সত্ৰীয়া সংস্কৃতিৰ সাধনাৰ বাবে ভাৰত চৰকাৰে প্ৰদান কৰা পদ্মশ্ৰী হৰিচৰণ শইকীয়াক অসম বিজ্ঞান সমিতিৰ বিহপুৰীয়া শাখাৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়। এই অনুষ্ঠানৰ আঁত ধৰে উপদেষ্টা শ্ৰীযুত দুলাল চন্দ্ৰ মহন্ত, সভাপতি বিজয় দত্ত, কাৰ্যকৰী সভাপতি যোগেন চন্দ্ৰ ৰৰা আৰু বিজ্ঞান মহিলা কোষৰ আহ্বায়িকা ক্ৰমে অৰুনিমা ভূঞা আৰু অঞ্জু ৰবাই। এই অনুষ্ঠানতে সন্তপুৰ চিচাপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা পদ্মশ্ৰী হৰিচৰণ শইকীয়াক সম্বৰ্ধনা জনায় প্ৰধান শিক্ষক ইন্দ্ৰ বাহাদুৰ চেত্ৰী আৰু জ্যেষ্ঠ শিক্ষয়িত্ৰী স্বপ্নালী হাজৰিকাই। সান্নিধ্য ন্যাসৰ তৰফৰ পৰাও সত্ৰীয়া সংস্কৃতিৰ সাধনাৰ বাবে পদ্মশ্ৰী হৰিচৰণ শইকীয়াক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। এই অনুষ্ঠানত থাকি ছাত্ৰ-ছাত্ৰীসকল উদ্দেশ্যি পদ্মশ্ৰী হৰিচৰণ শইকীয়াই মনৰ অনুভৱ প্ৰকাশ কৰে। কেনেদৰে সাধনাৰ যোগেদি জীৱন গঢ়িব পাৰি সেই সম্পৰ্কে তেওঁ সভাক অৱগত কৰে। ইয়াৰ পিছতেই



ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ মূল বিষয়বস্তু "বিকশিত ভাৰত গঢ়াত ভাৰতীয় মহিলাৰ বৈজ্ঞানিক অৱদান"ৰ ওপৰত সন্তপুৰ চিচাপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী ক্লিনচিনা গোহাঁই বক্তৃতা প্ৰদান কৰে। ভাৰতীয় মহিলাই কেনেদৰে বৈজ্ঞানিক মনস্কতা লৈ ভাৰতক সবল কৰিব পাৰি তাৰ ওপৰত বক্তব্য আগবঢ়ায়। এই বিষয়ৰ বাবে নিমন্ত্ৰণ কৰা নিদিৰ্ষ্ট বক্তা জীৱেশ্বৰ বৰাই পৰিৱেশ সংৰক্ষণৰ ওপৰত গুৰুত্ব দিবলৈ মতপোষণ কৰে। অসম বিজ্ঞান সমিতিৰ বিহপুৰীয়া শাখাক দহবছৰ সবল নেতৃত্ব প্ৰদান কৰা প্ৰাক্তন সভাপতিৰ তথা মাধৱদেৱ বিশ্ববিদ্যালয়ৰ অৱসৰ গ্ৰহণ কৰা পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক দুলাল চন্দ্ৰ মহন্তক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। স্মৃতি সজীৱ কৰি মহন্তই বিজ্ঞান সন্মত বহু পৰামৰ্শ ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰে। এই দফাতে বিহপুৰীয়া শাখাৰ প্ৰতিষ্ঠাপক সম্পাদক শ্ৰীকান্ত হাজৰিকাক সম্বৰ্দ্ধনা জনোৱা হয়। তেওঁ কেনেদৰে সঠিক ৰূপত শাখা এটা চলাব লাগে তাৰে দিহা পৰামৰ্শ প্ৰদান কৰে। সন্তপুৰ চিচাপথাৰ অঞ্চলৰ সমাজ সেৱক তথা শাখাৰ আজীৱন সদস্য ৰঘু নাথ গগৈকো অসম বিজ্ঞান সমিতিৰ বিহপুৰীয়া শাখাৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়।

ভৱানীপুৰ শাখাঃ আজি ২৮ ফেব্ৰুৱাৰী,২০২৬ তাৰিখে, ভৱানীপুৰ আঞ্চলিক কলেজৰ সহযোগত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন কৰে। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি সদৌ অসম আন্তঃ মহাবিদ্যালয় কুইজ প্ৰতিযোগিতা আয়োজন কৰা হয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এখনি ফটোগ্ৰাফী প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।











NATIONAL SCIENCE DAY




NATIONAL SCIENCE DAY

কুমাৰীকাটা শাখাঃ ২৭ ফেব্ৰুৱাৰী ২০২৬ ইং তাৰিখে প্ৰথম দিনা কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। উক্ত প্ৰতিযোগিতাৰ বিষয়বস্তু আছিল “মোবাইলৰ আৱিষ্কাৰ আৰু মানৱ জীৱনত ইয়াৰ প্ৰভাৱ”। এই ৰচনা প্ৰতিযোগিতাত তিনিগৰাকী ছাত্ৰ-ছাত্ৰী ক্ৰমে ৰাহুল প্ৰধান, ৰীনা ডাঙী আৰু মনিৰাম মুৰ্মুক, প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ প্ৰদান কৰা হয়। ইয়াৰ পিছত দ্বিতীয় দিনা কাৰ্যসূচীত ৰাতিপুৱা 9:30 বজাত বৃক্ষৰোপণ কৰা হয়। বৃক্ষৰোপণ কৰে ঘৈৰাণী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মাননীয় বানেশ্বৰ নাৰ্জাৰী ডাঙৰীয়াই। ইয়াৰ পিছত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে এখন আলোচনা চক্ৰ সভা অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত সভাপতিত্ব কৰে খৰাণী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বানেশ্বৰ নাৰ্জাৰী ডাঙৰীয়াই। সভাত এই অঞ্চলৰ বিভিন্ন বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অসম বিজ্ঞান সমিতি কুমাৰীকাটা শাখাৰ সম্পাদক বিশ্বজিৎ বৈশ্য ডাঙৰীয়াই। তেখেতে ছাত্ৰ-ছাত্ৰী তথা অঞ্চলটোত বিজ্ঞানৰ প্ৰয়োজনীয়তা আৰু বিজ্ঞানৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান প্ৰতি আকৰ্ষিত কৰাই মূল উদ্দেশ্য বুলি কয়। ইয়াৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে এটি নৃত্য প্ৰদৰ্শন কৰে। তাৰ পিছত আমন্ত্ৰিত বক্তা ক্ৰমে বিশ্বজিৎ বৰ্মন ডাঙৰীয়া আৰু বুদ্ধ বাহাদুৰ ছেত্ৰী ডাঙৰীয়াই বিকাশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা আৰু বৰ্তমান যুগত বিজ্ঞান শিক্ষাৰ প্ৰযোজনীয়তা বিষয়ত ভাষণ আগবঢ়ায়। তেখেতসকলৰ বৈজ্ঞানিক চিন্তাধাৰাই ছাত্ৰ-ছাত্ৰীসকলক নিশ্চয় অনুপ্ৰাণিত কৰে। ইয়াৰ পিছত ৰচনা প্ৰতিযোগিতাৰ বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। শেষত সভাপতি মহোদয়ে নিজৰ বক্তব্য দাঙি ধৰে আৰু শেষত ৰাষ্ট্ৰীয় সংগীত পৰিবেশন কৰি অনুষ্ঠানৰ সামৰণি ঘোষণা কৰাহয়।












ঢকুৱাখনা শাখাঃ আজি ২৮ ফেব্ৰুৱাৰী ২০২৬ তাৰিখে সমগ্ৰ ভাৰতবৰ্ষতে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস অনুষ্ঠিত হয়। অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখা, বিজ্ঞান ফ'ৰাম, ফটোগ্ৰাফী ক্লাব আৰু IIC, ঢকুৱাখনা মহাবিদ্যালয় (স্বায়ত্তশাসিত) ৰ উদ্যোগত ঢকুৱাখনা মহাবিদ্যালয়ৰ ডিজিটেল প্ৰেক্ষাগৃহত উলহ-মালহেৰে 'ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস' উদযাপন কৰা হয়। এই বিশেষ অনুষ্ঠানভাগি মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ডক্টৰ যোগানন্দ সূতদেৱে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। এই বৰ্ষৰ মূল বিষয়বস্তু “Women in Science: Catalysing Viksit Bharat"ৰ সন্দৰ্ভত আলোকপাত কৰি উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক শ্ৰীমতী ত্ৰিদিশা বৰগোহাঁইয়ে এক সাৰুৱা বক্তৃতা প্ৰদান কৰে। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে পৰিৱেশমিত্ৰ শ্ৰীযুত দেৱজিৎ ফুকন আৰু বিমান সন্দিকৈ উপস্থিত থাকে। এই দিৱসৰ লগত সংগতি ৰাখি আয়োজিত বিজ্ঞান প্ৰদৰ্শনীত ঢকুৱাখনা কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কাইজেন একাডেমীৰ দৰে বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ দলে অংশগ্ৰহণ কৰি নিজৰ উদ্ভাৱনী প্ৰতিভা প্ৰদৰ্শন কৰে। গোটেই অনুষ্ঠানৰ সঞ্চালক হিচাপে দায়িত্ব পালন কৰে উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক শ্ৰী ৰাকেশ কলিতাই। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় ৰসায়ন বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক শ্ৰীযুক্ত প্ৰকাশ উপাধ্যায় ডাঙৰীয়াই। আজিৰ সভাত অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ কেইবাজনো আজীৱন সদস্য উপস্থিত আছিল ।





































জাতীয় বিজ্ঞান দিবসে শ্রীভূমিতে আসাম বিজ্ঞান সমিতির উদ্যোগে বিভিন্ন অনুষ্ঠান








# শদিয়া মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন

শদিয়া ঃ নিজা প্ৰতিবেদক, ২৮ ফেব্ৰুৱাৰী ঃ আজি শদিয়া মহাবিদ্যালয়ৰ আলোচনা কক্ষত দিনজোৰা কাৰ্যসূচীৰে অসম বিজ্ঞান সমিতি, শদিয়া শাখা আৰু শদিয়া মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ যৌথ উদ্যোগত লগতে মহাবিদ্যালয় উদ্ভিদ বিজ্ঞান বিভাগ আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, শদিয়া ব্লকৰ সহযোগত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰে। অসম বিজ্ঞান সমিতিৰ পতাকা উত্তোলনেৰে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ হয় আৰু পতাকা উত্তোলন কৰে শদিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন চুতীয়াই। মহাবিদ্যালয়ৰ চৌহদত গছ-পুলি ৰোপণ কৰে অসম বিজ্ঞান, সমিতি, শদিয়া শাখাৰ সভাপতি প্ৰবীণ কুমাৰ দেউৰী আৰু শদিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন চুতীয়াই। মূল কাৰ্যসূচী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰিৱেশিত এটি সমৱেত সংগীতেৰে মুকলি হয়। আদৰণী ভাষণ আগবঢ়ায় অসম বিজ্ঞান সমিতি, শদিয়া শাখাৰ সম্পাদক তথা শদিয়া মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক ড° জয় দয়াল মালিয়ে। সভাৰ উদ্বোধনী ভাষণ আগবঢ়ায় শদিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূপেন চুতীয়াই। সভাখনৰ আঁতধৰে শদিয়া মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° দীপজ্যোতি কলিতাই। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ কাৰ্যসূচীত আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকি বক্তব্য আগবঢ়ায় গুৰু টেগ বাহাদুৰ একাডেমি, তিনিচুকীয়াৰ স্নাতকোত্তৰ শিক্ষক আৰু আৰণ্যকৰ সহযোগী শৈলেন্দ্ৰ মোহন দাসে। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি দহগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱাৰ লগতে অসম বিজ্ঞান সমিতিৰ আজীৱন সভ্যৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰে। অসম বিজ্ঞান সমিতি, শদিয়া শাখাৰ সভাপতি প্ৰবীণ কুমাৰ দেউৰীয়ে শেষত সকলোলৈ শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। শলাগৰ শৰাই আগবঢ়ায় মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপিকা সুমিতা থাউচেনে।






ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন ~ ২০২৬
বিষয় : বিজ্ঞানত মহিলা: বিকশিত ভাৰতক ত্বৰান্বিত কৰা শক্তি
অসম বিজ্ঞান সমিতি, ডিগবৈ শাখা, ডিগবৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ উদ্যোগত
আৰু ইলোৰা বিজ্ঞান মঞ্চ, ডিগবৈ শাখাৰ সহযোগত
বিজ্ঞান প্ৰদৰ্শনী
আৰু
সম্বৰ্ধনা অনুষ্ঠান
স্থান ঃ ২ নং বৰবিল প্ৰাথমিক বিদ্যালয়
তাৰিখ ঃ ২৮/০২/২০২৬
সময় ঃ পুৱা ৯-০০ বজাৰ পৰা




ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন ~ ২০২৬
বিষয় : বিজ্ঞানত মহিলা: বিকশিত ভাৰতক ত্বৰান্বিত কৰা শক্তি
বিজ্ঞান প্ৰদৰ্শনী
স্থান ঃ ২ নং বৰবিল প্ৰাথমিক বিদ্যালয়
তাৰিখ ঃ ২৮/০২/২০২৬


GPS Map Camera
Borbil Gaon No.2, Assam, India
Cj34+6gc, Borbil Gaon No.2, Assam 786171, India
Lat 27.404048° Long 95.604888°
Saturday, 28/02/2026 01:22 PM GMT +05:30
Google









ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন



বকো শাখাঃ আজি দেশৰ অন্যান্য প্ৰান্তৰ লগতে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসটি অসম বিজ্ঞান সমিতি, বকো শাখাৰ উদ্যোগত, কামৰূপ জিলা সংস্থা _ভাৰত স্কাউট এণ্ড গাইড আৰু ত্ৰিলোচন আঞ্চলিক মধ্য ইংৰাজী বিদ্যালয়ৰ সহযোগত বিদ্যালয়খনৰ প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। শাখাৰ সভাপতি ধ্ৰুৱজ্যোতি মেধি আৰু সম্পাদক নৰ কুমাৰ নাথে জনোৱা অনুসৰি শাখাৰ এগৰাকী অন্যতম উপ-সভানেত্ৰী ড° বিজয়া ডেকাই সভাপতিত্ব কৰা "বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা" শীৰ্ষক বিষয়বস্তুৰে অনুষ্ঠিত অনুষ্ঠানত বক্তা হিচাপে উপস্থিত থাকে কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য সুৰেন চন্দ্ৰ কলিতাই। ৰাতিপুৱাৰ ভাগত বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী, শিক্ষক কৰ্মচাৰী, স্কাউট গাইড আৰুউপ-সভানেত্ৰী ড° বিজয়া ডেকা আৰু কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য সুৰেন চন্দ্ৰ কলিতাদেৰ আটায়ে মিলি বিদ্যালয় চৌহদ চাফ-চিকুণ কৰাৰ লগতে ফুল আৰু গছপুলিত পানী দিয়ে। আজিৰ দিনটোৰ তাৎপৰ্য দাঙি ধৰে বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক চানু থাপাই। উপ-সভানেত্ৰী ড° বিজয়া ডেকাই সভাপতিত্বত বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক চানু থাপাই আদৰণি ভাষণেৰে সকলোকে আদৰণি জনায় আৰু অনুষ্ঠানখনিৰ শুভ আৰম্ভ কৰে লগতে উদ্দেশ্য ব্যাখ্যাও কৰে। ইয়াৰ পিছত ত্ৰিলোচন আঞ্চলিক এম ই স্কুলৰ গাইড শ্ৰী গৰিমা দেৱীয়ে "বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা" শীৰ্ষক সাৱলীল বক্তৃতা প্ৰদান কৰে । "বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা", শীৰ্ষক বক্তৃতা-শ্ৰদ্ধেয় সভাপতি মহোদয়, মাননীয় অতিথিবৃন্দ, শিক্ষক-শিক্ষয়িত্ৰীসকল আৰু মোৰ প্ৰিয় বন্ধু-বান্ধৱীসকল—আপোনালোকক মোৰ আন্তৰিক নমস্কাৰ জনাই মই আজি "বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা" বিষয়ত কিছু কথা ক'বলৈ থিয় হৈছোঁ। বিজ্ঞান হৈছে উন্নয়নৰ মূল চালিকাশক্তি। এখন দেশ তেতিয়াহে বিকশিত হয়, যেতিয়া সেই দেশত শিক্ষা, গৱেষণা আৰু প্ৰযুক্তিৰ সঠিক ব্যৱহাৰ হয়। ভাৰতবৰ্ষই আজি মহাকাশ, চিকিৎসা, তথ্য-প্ৰযুক্তি আদি ক্ষেত্ৰত বিশ্বৰ আগশাৰীৰ দেশসমূহৰ সৈতে সমানে আগবাঢ়িছে। এই অগ্ৰযাত্ৰাত আমাৰ মহিলা বিজ্ঞানীসকলৰ অৱদান অত্যন্ত গুৰুত্বপূৰ্ণ। ভাৰতৰ প্ৰথম মহিলা মহাকাশচাৰী হিচাপে Kalpana Chawla-ই বিশ্ববাসীক দেখুৱাইছিল যে মহিলা সকলো মহাকাশ জয় কৰিব পাৰে। তেখেতৰ সাহস আৰু দৃঢ়তাই অসংখ্য ছোৱালীক ডাঙৰ সপোন দেখিবলৈ অনুপ্ৰাণিত কৰিছে।











ডুমডুমা শাখাঃ আজি ২৮ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ সহযোগত মহাবিদ্যালয়খনৰ আলোচনা কক্ষত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস, ২০২৬ উদযাপন কৰে। সভানেত্ৰী ড০ মীনা দেৱী বৰুৱাই পুৰা শাখাৰ পতাকা উত্তোলন কৰাৰ পাছত ২৩ ফেব্ৰুৱাৰীপৰা ২৮ ফেব্ৰুৱাৰীলৈ উদযাপন কৰিবলগীয়া বিজ্ঞান সপ্তাহ উপলক্ষে এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ মূল বিষয় "বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা" সম্পৰ্কত নামৰূপ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা ড০ ৰঞ্জনা বৰা বৰদলৈ আৰু বিশিষ্ট হস্তশিল্প উদ্যোগী মন্দিৰা মৰাণে বক্তব্য প্ৰদান কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ অমৰজিৎ শইকীয়াৰ মুখ্য অতিথিৰ ভাষণৰ পাছত কাৰ্যসূচীৰ অন্ত পৰে। শাখাৰ মধ্যকালীন অধিৱেশনখনো ড০ মীনা দেৱী বৰুৱাৰ পৌৰোহিত্যত ২৭ আৰু ২৮ ফেব্ৰুৱাৰী তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়।











গৌৰীসাগৰ-দিখৌমুখ শাখাঃ আজি ২৮-০২-২০২৬ তাৰিখে খনাখোকোৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস খনাখোকোৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুস্থিত হয়। শাখাৰ সদস্য শ্ৰীযুত দুলুমণি বড়াই আতঁধৰা অনুস্থানটিত ৰমন এফেক্ট, ১৯২৮ চনৰ ২৮ তাৰিখে আৱিষ্কাৰ কৰি নোবেল বঁটাৰে ভাৰতবৰ্ষক বিশ্ব বাসীৰ আগত চিনাকি কৰি দিয়া ছাৰ চন্দ্ৰশেষৰ ভেংকটৰমণৰ জীৱন সম্পৰ্কে আলোকপাত কৰে খনাখোকোৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ তথা অসম বিজ্ঞান সমিতিৰ কাৰ্যকৰী সভাপতি হীৰেন নেওগ ছাৰে। অনুষ্ঠানত সমল ব্যক্তি হিচাপে মূল বক্তৃতা প্ৰদান কৰে শাখাৰ সদস্য ও দেওৰজা উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক দেৱজিৎ বৰুৱা। তেখেতে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস-২০২৬ ৰ মূল বিষয়বস্তু "Women in Science: Catalysing Viksit Bharat" সম্পৰ্কত দৃশ্য আৰু শ্ৰাব্য মাধ্যমেৰে বিজ্ঞানৰ জয়যাত্ৰাত পাৰদৰ্শিতাৰে সেৰা আগবঢ়াই অহা মহিলা বিজ্ঞানী, মহিলা পৰিৱেশ কৰ্মী সকলৰ জীৱন, শিক্ষা,কৰ্ম আদিৰ বিষয়ে বহুমূলীয়া বক্তব্য ৰাখে। অনুস্থানটিত দেওৰজা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক সৌৰভ জ্যোতি বৰুৱা, শাখাৰ কেইবাজনো সদস্য, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিত থাকে।







## ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন

কোঁৱৰপুৰ ঃ নিজা প্ৰতিবেদক, ৯ মাৰ্চ ঃ খনাখোকোৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অসম বিজ্ঞান সমিতি গৌৰীসাগৰ-দিখৌমুখ শাখাৰ উদ্যোগত আৰু খনাখোকোৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হয়। এই উপলক্ষে অনুষ্ঠিত সভাত অসম বিজ্ঞান সমিতিৰ গৌৰীসাগৰ-দিখৌমুখ শাখাৰ কাৰ্যকৰী সভাপতি তথা বিদ্যালয়খনৰ অধ্যক্ষ হীৰেন কুমাৰ নেওগে ছাৰ চন্দ্ৰশেখৰ ভেংকট ৰমণৰ জীৱন সম্পৰ্কত আলোকপাত কৰে। অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকি চাৰিং দেওৰজা জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক তথা অসম বিজ্ঞান সমিতিৰ এগৰাকী সদস্য দেৱজিত বৰুৱাই ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস-২০২৬ৰ মূল বিষয়বস্তু 'বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা' সন্দৰ্ভত দৃশ্য আৰু শ্ৰাব্য মাধ্যমৰ জৰিয়তে বিজ্ঞানৰ জয়যাত্ৰাত মহিলা বিজ্ঞানী, মহিলা পৰিৱেশ কৰ্মীসকলৰ ভূমিকা, অৱদান আৰু দেশৰ প্ৰতি থকা তেওঁলোকৰ ত্যাগ, দায়বদ্ধতা আদিৰ বিষয়ে উপস্থাপন কৰি দেখুৱায়।




INVITATION
Extremely delighted to invite you
to the first program of
ASSAM SCIENCE SOCIETY
Badarpur Branch
in celebrating
NATIONAL SCIENCE DAY
2026
At Beacon Senior Secondary School, Badarpur
on 28th February, 2026, from 11:30 AM onwards.
The programme will be brief with a talk
highlighting the theme and one Spot Quiz.
All of you are cordially requested
to grace the program and make the first endeavour
of the branch a remarkable one.
Secretary
Assam Science Society,
Badarpur Branch.
President
Assam Science Society,
Badarpur Branch.


NATIONAL SCIENCE DAY
2026
VENUE : BEACON SR. SEC. SCHOOL




NATIONAL SCIENCE DAY
2026
VENUE : BEACON SR. SEC. SCHOOL
ORGANISED BY
ASSAM SCIENCE SOCIETY
BADARPUR BRANCH


NATIONAL SCIENCE DAY
2026


NATIONAL SCIENCE DAY


অসম বিজ্ঞান সমিতি, যোৰহাট শাখাৰ উদ্যোগত
ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস - ২০২৬


অসম বিজ্ঞান সমিতি, যোৰহাট শাখাৰ উদ্যোগত
ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস - ২০২৬
NATIONAL SCIENCE DAY - 2026




অসম বিজ্ঞান সমিতি, যোৰহাট শাখাৰ উদ্যোগত
ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস - ২০২৬




DISTRICT LEVEL ECO-HACKATHON
UNDER
ENVIRONMENT EDUCATION PROGRAMME


ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস
২০২৬
মূল বিষয় ঃ- বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা
উদ্যোগত
অসম বিজ্ঞান সমিতি, ধেমাজি শাখা
আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, ধেমাজি খণ্ড
তাৰিখ ঃ ২৮ ফেব্ৰুৱাৰী ২০২৬ । স্থান ঃ ধেমাজি টাউন হাইস্কুল


ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস
২০২৬
মূল বিষয় ঃ- বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা
উদ্যোগত
অসম বিজ্ঞান সমিতি, ধেমাজি শাখা
আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, ধেমাজি খণ্ড
তাৰিখ ঃ ২৮ ফেব্ৰুৱাৰী ২০২৬ । স্থান ঃ ধেমাজি টাউন হাইস্কুল


DISTRICT LEVEL ECO-HACKATHON
UNDER
ENVIRONMENT EDUCATION PROGRAMME



Nagaon Branch: Nagaon University celebrated National Science Day on 28 February, 2026 at the Lakhminath Bezbarua Sabhakakshya with enthusiastic participation from school students of Nagaon. A total of 53 students took part in the programme. The programme was organized by the Internal Quality Assurance Cell (IQAC), Nagaon University, in collaboration with the Institution's Innovation Council (IIC), Nagaon University, Assam Science Society, Nagaon Branch, and the Nagaon University Students' Union. The event began with guided visits to the science laboratories of different departments of the University, where students were introduced to various instruments and experimental setups. This was followed by a District-Level Inter-School Science Quiz Competition conducted by Mr. Nayanmoni Hira, who served as the Quiz Master. A preliminary round was first conducted with 24 groups, each consisting of two participants. From this round, six groups were selected for the next stage. After the subsequent rounds, the top three groups were selected as winners. The First Prize was awarded to Darpan Barik and Ayan Akash Thakur of Ramanujan Higher Secondary School. The Second Prize went to Abhiraj Bora and Bhargav Bora of Gurukul Global Academy. The Third Prize was secured by Iman Jyoti Bora and Abhinav Bordoloi of Ramanujan Higher Secondary School. Trophies and Certificates of Achievement were distributed to the winning teams by Dr. Lakhya Jyoti Borthakur, Dean, Students' Welfare, and Dr. Bhuban Chandra Chutia, Director (i/c), IQAC and President, Assam Science Society, Nagaon Branch. Certificates of Participation were also provided to all participating students. During the programme, Dr. Lakhya Jyoti Borthakur highlighted the origin of the Raman Effect and explained its basic principles to the students, emphasizing the importance of scientific discoveries.









## তিতাবৰ শাখাঃ











# বামুণীগাঁও প্ৰাঃ স্কুলত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস

গণ অধিকাৰ সেৱা, দুমুনিচকী, ২৮ ফেব্ৰুৱাৰী ঃ পূব কামৰূপ মহাবিদ্যালয় বিজ্ঞান চ'ৰা আৰু অসম বিজ্ঞান সমিতিৰ পূব কামৰূপ শাখাৰ উদ্যোগত পূব কামৰূপ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সহযোগত কামৰূপ জিলাৰ ৮৮৭ নং বামুনিগাঁও প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণত আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন কৰা হয়। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ কাৰ্যসূচীত ৰমণ পৰিঘটনা আৰু ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস শীৰ্ষক বিশেষ আলোকপাত কৰে পূব কামৰূপ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° বিপুল ডেকাই। বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা সন্দৰ্ভত বক্তব্য প্ৰদান কৰে সমল ব্যক্তিদ্বয় ক্ৰমে লক্ষেশ্বৰী কাকতি আৰু নিৰদা ডেকাই। বিজ্ঞান দিৱসৰ সমূহ কাৰ্যসূচীত পূব কামৰূপ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক



তথা অসম বিজ্ঞান সমিতি পূব কামৰূপ শাখাৰ সভাপতি আয়েজ আলী, বামুণিগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ধীৰেশ্বৰ নাথ মাতৃ গোট তথা স্থানীয় ৰাইজ উপস্থিত থাকে। কাৰ্যসূচীৰ অন্তত অসম বিজ্ঞান সমিতি পূব কামৰূপ শাখাৰ সম্পাদক আলটাফ হুছেইন খণ্ডকৰে ছাত্ৰ ছাত্ৰীৰ মাজত বিজ্ঞান ভিত্তিত যাদু প্ৰদৰ্শন কৰে। আজিৰ সভাখনে বৈজ্ঞানী মানসিকতা গঢ়াৰ লগতে পৰম্পৰাগত জ্ঞান পদ্ধতিৰ লগত যে বৈজ্ঞানী দৃষ্টিভংগী নিহিত হৈ আছে সেই কথা অৱগত হয়।




পূব কামৰূপ শাখাঃ আমাৰ উদ্যোগত পূব কামৰূপ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আচনি গোটৰ সহযোগত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন কৰা হৈছিল। অনুষ্ঠানটোত "বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা" বিষয়ক আলোচনাৰ লগতে চি ভি ৰমণৰ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে "ৰমণ ৰশ্মি" শীৰ্ষক বিশেষ আলোকপাত অনুষ্ঠিত হৈছিল। এই অংশত সমল ব্যক্তি হিচাপে ড° বিপুল ডেকা, সহকাৰী অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ, পূব কামৰূপ মহাবিদ্যালয়ে অংশগ্ৰহণ কৰিছিল। ইয়াৰ উপৰিও পৰম্পৰাগত জ্ঞান পদ্ধতিৰ বৈজ্ঞানিক ভিত্তি, প্ৰয়োগ আৰু ফলাফল বিষয়ক আলোচনা অনুষ্ঠিত হৈছিল, য'ত সমল ব্যক্তি হিচাপে শ্ৰীমতী লক্ষেশ্বৰী কাকতি (থলুৱা ঔষধি গছ-বন শীৰ্ষক বিশেষ প্ৰশিক্ষণ প্ৰাপক), উপদেষ্টা, শিশু আই মাতৃ কল্যাণ সমিতি, শ্ৰীমন্ত শংকৰ দেৱ সংঘ আৰু শ্ৰীমতী নিৰদা ডেকা (থলুৱা ঔষধি গছ-বন শীৰ্ষক বিশেষ প্ৰশিক্ষণ প্ৰাপক), সম্পাদিকা, সদৌ অসম লেখিকা সমাৰোহ-কামৰূপ জিলা শাখাই অংশ লৈছিল। অনুষ্ঠানটো বামুণী গাঁও এল.পি. স্কুল, কামৰূপ, অসমত ২৮ ফেব্ৰুৱাৰী ২০২৬ তাৰিখে অনুষ্ঠিত হৈছিল।

পূব কামৰূপ মহাবিদ্যালয় বিজ্ঞান চ'ৰা আৰু
অসম বিজ্ঞান সমিতিৰ পূব কামৰূপ শাখাৰ উদ্যোগত
পূব কামৰূপ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আচনি গোটৰ সহযোগত

**ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন**

**"বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা"**

## কাৰ্যসূচী

**ক) চি ভি ৰমণ, ৰমণ পৰিঘটনা আৰু ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস শীৰ্ষক বিশেষ আলোকপাত**

সমল ব্যক্তি ঃ ড° বিপুল ডেকা, সহকাৰী অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ, পূব কামৰূপ মহাবিদ্যালয়

**খ) পৰম্পৰাগত জ্ঞান পদ্ধতি : ইয়াৰ বৈজ্ঞানিক ভিত্তি, প্ৰয়োগ আৰু ফল।**

সমল ব্যক্তিদ্বয় :

শ্ৰীমতী লক্ষেশ্বৰী কাকতি (থলুৱা ঔষধি গছ-বন শীৰ্ষক বিশেষ প্ৰশিক্ষণ প্ৰাপ্ত), উপদেষ্টা, শিশু আই মাতৃ কল্যাণ সমিতি, শ্ৰীমন্ত শংকৰ দেৱ সংঘ।

শ্ৰীমতী নিৰদা ডেকা (থলুৱা ঔষধি গছ-বন শীৰ্ষক বিশেষ প্ৰশিক্ষণ প্ৰাপ্ত), সম্পাদিকা, সদৌ অসম লেখিকা সমাৰোহ-কামৰূপ জিলা শাখা

বিজ্ঞান দিৱসৰ সমূহ কাৰ্যসূচীত আপোনাৰ/ আপোনালোকৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰা হ'ল।

ড° গৌৰাঙ্গী গগৈ
সম্পাদক
বিজ্ঞান চ'ৰা

আলটাফ হুছেইন খণ্ডকৰ
সম্পাদক
অসম বিজ্ঞান সমিতি, পূব কামৰূপ শাখা

**স্থান : বামুণী গাওঁ এল. পি স্কুল, কামৰূপ, অসম**

**দিনাংক : ২৮ ফেব্ৰুৱাৰী ২০২৬ খ্ৰী :**





# ডিমৌত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন

ডিমৌ ঃ বিশেষ প্ৰতিবেদক, ১ মাৰ্চ ঃ অসম বিজ্ঞান সমিতি ডিমৌ শাখাৰ উদ্যোগত ডিমৌৰ কাষৰীয়া বৰবাম ৰূপজ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়ত ২৮ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হয়। এই উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিজ্ঞান বিষয়ক চিত্ৰাংকণ আৰু বিজ্ঞান দিৱসৰ তাৎপৰ্যৰ বিষয়ত বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ পাছতে বিজ্ঞান সমিতি ডিমৌ শাখাৰ সভাপতি যাদৱ চাংমাইৰ সভাপতিত্বত আলোচনা সভা অনুষ্ঠিত হয়। বৰবাম ৰূপজ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰীসকলে বিদ্যালয় সংগীত পৰিবেশন কৰি মুকলি কৰা মঞ্চত বিজ্ঞান সমিতি ডিমৌ শাখাৰ সম্পাদক ড° প্ৰাঞ্জল বেজবৰুৱাই আঁত ধৰা সভাখন উদ্বোধন কৰে মহেন্দ্ৰ সিং কৈৰীয়ে। সভাত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে ঘনকান্ত গগৈয়ে। 'বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা' শীৰ্ষক বিষয়ত সমল ব্যক্তি হিচাপে সভাত আলোকপাত কৰে ড° সুধীৰ কুমাৰ দাসে। সভাত অৰূপ কুমাৰ দত্তই বিজ্ঞান সমিতিৰ কাম-কাজ আৰু লক্ষ্য-উদ্দেশ্যৰ বিষয়ত বক্তব্য আগবঢ়ায়। সভাত হামিদা বেগমে বক্তব্য আগবঢ়ায়

ডিমৌ শাখাঃ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে অসম বিজ্ঞান সমিতি ডিমৌ শাখাৰ উদ্যোগত বৰবাম ৰূপজ্যোতি হাইস্কুলত এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। অসম বিজ্ঞান সমিতি ডিমৌ শাখাৰ সভাপতি শ্ৰীযুত যাদৱ চাংমাইদেৱৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অনুষ্ঠানটোত আদৰণি ভাষণ আগবঢ়াই বৰবাম হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীযুত মহেন্দ্ৰ সিং কৈৰী ডাঙৰীয়াই। বিজ্ঞান দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে সমিতিৰ উপদেষ্টা শ্ৰীযুত ঘনকান্ত গগৈদেৱে। "বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা" এই বিষয়ত ছাত্ৰ-ছাত্ৰীৰ মাজত তত্ব গধুৰ বক্তব্য প্ৰদান কৰে সমিতিৰ আজীৱন সদস্য নিতাই পুখুৰী হেমচন্দ্ৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা বৰ্তমান চায়েন্স একাডেমী ডিমৌৰ অধ্যক্ষ ড° সুধীৰ কুমাৰ দাস ডাঙৰীয়াই। অসম বিজ্ঞান সমিতিৰ যুটীয়া সম্পাদক শ্ৰীযুত অৰূপ কুমাৰ দত্ত উপস্থিত থাকি বিজ্ঞান সমিতিৰ কাম কাজ আৰু লক্ষ্য উদ্দেশ্যৰ ওপৰত বিশদ বিৱৰণ দাঙি ধৰে। লগতে অনুষ্ঠানৰ লগত সংগতি ৰাখি ডিমৌ শাখাৰ সম্পাদক ড° প্ৰাঞ্জল বেজবৰুৱাৰ তত্বাৱধানত ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞানভিত্তিক চিত্ৰাংকণ প্ৰতিযোগিতা আৰু বিজ্ঞান দিৱসৰ তাৎপৰ্যৰ ওপৰত বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।










বৰপেটা শাখাঃ আজি ২৮ ফেব্ৰুৱাৰী ২০২৬, শনিবাৰে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস-২০২৬ উদ্‌যাপন কৰা হয়। এইবাৰৰ বিজ্ঞান দিৱসৰ বিষয়বস্তুৰ আছিল "বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা"। বৰপেটা শাখাৰ গান্ধীনগৰৰ ভৱনত আবেলি ৪.০০ বজাৰ পৰা আৰম্ভ হোৱা বিজ্ঞান দিৱসৰ প্ৰথমটো কাৰ্যসূচীত ভাৰতৰ প্ৰখ্যাত বিজ্ঞানী ছাৰ চন্দ্ৰশেখৰ ভেংকটা ৰমনৰ প্ৰতিকৃতিত বন্তি-প্ৰজ্বলন। কৰা হয়। বন্তি প্ৰজ্বলন কৰে বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ প্ৰাক্তন মুৰব্বী ড° ধীৰা তালুকদাৰে। বন্তি প্ৰজ্বলন কৰি দিয়া চমু ভাষণত তেওঁ বিজ্ঞানত মহিলাৰ অংশগ্ৰহন বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই অনুষ্ঠানত সভাপতিত্ব কৰে মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী শ্ৰী কাবেৰী শইকীয়ই। মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° তাপসী দাসে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ তাৎপৰ্য সন্দৰ্ভত বক্তব্য আগবঢ়ায়। তেওঁ ৰমন প্ৰভাৱৰ বিষয়ে সহজ ভাষাত ব্যাখ্যা আগবঢ়ায়। এইবাৰৰ বিজ্ঞান দিৱসৰ বিষয়বস্তুৰ ওপৰত ভাষণ প্ৰদান কৰে মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° নিবেদিতা গগৈ আৰু বৰপেটা বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ স্নাতকোত্তৰ শিক্ষক শ্ৰী গীতি দাসে। অধ্যাপিকা গগৈয়ে কেবাগৰাকী ভাৰতীয় মহিলা বিজ্ঞানীৰ অৱদান শ্ৰদ্ধাৰে সোঁৱৰণ কৰি ২০৪৭ চনৰ ভিতৰত উন্নত ৰাষ্ট্ৰৰ লক্ষ্যত উপনীত হ'বলৈ ভাৰতৰ মহিলাসকলৰ সক্ৰিয় ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শ্ৰী গীতি দাসে কেবাগৰাকী মহিলা অসমীয়া বিজ্ঞানীৰ গুৰুত্বপূৰ্ণ অৱদানৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানটিৰ আঁতধৰাৰ লগতে কাৰ্যসূচীৰ সামৰণিত শলাগৰ শৰাই আগবঢ়ায় বিজ্ঞান সমিতিৰ সদস্য শ্ৰী দীপশিখা দাসে। ছাত্ৰ-ছাত্ৰী, স্থানীয় ৰাইজ আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে।

বঙাইগাঁও শাখাঃ আজি ২৮-০২-২০২৬ ইং তাৰিখে বঙাইগাৱৰ চলন্তপাৰা চৰকাৰী মজলীয়া বিদ্যালয়ত অসম বিজ্ঞান সমিতিৰ বঙাইগাঁও শাখা আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, বইটামাৰী খণ্ডৰ যৌথ উদ্যোগত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন কৰা হয়। অসম বিজ্ঞান সমিতিৰ বঙাইগাঁও শাখাৰ সম্পাদক মৃণাল ভাগৱতী আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, বইটামাৰী খণ্ডৰ সমন্বয়ক এক্ৰামূল ৰহমানে আঁত ধৰা অনুষ্ঠানটোত বিশিষ্ট বক্তা হিচাপে যোগদান কৰে ক্ৰমে ড° ৰাণু ৰায়, বীৰঝৰা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰৱক্তা, সৌৰভ ভট্টাচাৰ্য, টুলুঙীয়াস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞানৰ প্ৰৱক্তা,ড° সুমিতা বিশ্বাস আৰু এম হুছমী, সামূহিক স্বাস্থ্য বিষয়া। ড° ৰাণু ৰায়ে তেখেতৰ ভাষণত বিজ্ঞান দিৱসৰ তাৎপৰ্য বাখ্যা কৰি উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞানৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰি যুক্তিবাদী চিন্তাধাৰাৰ বিকাশ ঘটাবলৈ উদ্বুদ্ধ কৰে। ড° সুমিতা বিশ্বাসে এইবাৰৰ বিজ্ঞান দিৱসৰ মূল বিষয় বস্তুৰ ওপৰত আলোকপাত কৰি উন্নত ভাৰত গঢ়াৰ ক্ষেত্ৰত ভাৰতীয় মহিলা বিজ্ঞানীসকলৰ অৱদান সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। সৌৰভ ভট্টাচাৰ্যই প্ৰকৃতিৰ মাজত লুকাই থকা বিজ্ঞান সম্পৰ্কে মনোগ্ৰাহী বক্তৃতা আগবঢ়ায়। এম হুছমীয়ে স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত প্ৰয়োজনীয় বিজ্ঞান সন্মত নীতি-নিয়ম সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক জানিবলৈ দিয়ে। লগতে আজিৰ এই অনুষ্ঠানটোত মহাৰাষ্ট্ৰৰ পুনেস্থিত Tata Institute of Foundamental Research ত কৰ্মৰত যুৱ বিজ্ঞানী ড° বৰ্ণালী দাসে বিজ্ঞান দিৱস উপলক্ষে প্ৰেৰণ কৰা এটা প্ৰেৰণামূলক ভিডিঅ' ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰিবলৈ দেখুওঁৱা হয়। সভাৰ শেষত বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী সবিতা মেধিয়ে শলাগৰ শৰাই আগবঢ়ায়। উল্লেখযোগ্য যে, আজিৰ দিনটোতে বিদ্যালয়খনৰ বিজ্ঞানৰ এটা পৰীক্ষাগাৰৰো শুভ উদ্বোধন কৰে ড° ৰাণু ৰায়ে।










# বিজ্ঞান বাৰ্তা

Scane কৰক আৰু সকলো বিজ্ঞান বাৰ্তা ,বিজ্ঞান জেউতি ডাউনলোড কৰক আৰু ইচ্ছামতে পঢ়ক।

https://assamsciencesociety.in/information/online_magazine

# বিজ্ঞান জেউতি

Scane কৰক আৰু সকলো বিজ্ঞান বাৰ্তা ,বিজ্ঞান জেউতি ডাউনলোড কৰক আৰু ইচ্ছামতে পঢ়ক।

https://assamsciencesociety.in/information/bijyan_jeuti

# শাখাৰ চিঠি/গঠন মূলক পৰামৰ্শ প্ৰেৰণ

সম্পাদক (WhatsApp), 9435164400

আশা কৰোঁ এই শিতানত আপোনাসৱৰ পৰা সহাঁৰি পাম আৰু পিছৰ সংখ্যাৰ পৰা আমি পূৰণ কৰিব পাৰিম।

।

# আপুৰুগীয়া আলোকচিত্ৰ 2005


















সন্মানীয় শাখাৰ সম্পাদক সকল ,

আপোনাসবৰ জ্ঞাতাৰ্থে জনাওঁ যে, কম সংখ্যক শাখা বোৰৰ পৰা হে ডাটা বোৰ google form ৰ জৰিয়তে পোৱা হৈছে। বাকী সকলো শাখাই ফৰ্ম খন পূৰণ কৰিব লাগিব, তেখেত লোকৰ কাৰ্যালয়ৰ lattitute আৰু longitude সহ। গতিকে আকৌ ফৰ্মৰ লিংক 🔗 দিয়া হৈছে। please fill up the form it's urgent. ধন্যবাদেৰে,

-নিৰোদ কুমাৰ বৰা, যুটীয়া সচিব, অসম বিজ্ঞান সমিতি।

https://branch.assamsciencesociety.in/

# বিজ্ঞান বাৰ্তা

ASSAM SCIENCE SOCIETY

2026

# BIGYAN BARTA

Vol-3 | Issue-1 | Jan – Feb - 2026 | a Bimonthly newsletter

- কেন্দ্ৰীয় সমিতি আৰু শাখাৰ বা-বাতৰি

**Graphics and design:**
Nirud Kumar Borah